গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

■ মুঠ পৃষ্ঠা =১২

দ্বাদশ বছৰ ■ সংখ্যা ৩১৬ ■ গুৱাহাটী ■ শনিবাৰ, ২৫ জুন, ২০২২, ১০ আহাৰ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা

VOL. XII ISSUE NO. 316 Dainandin Barta ■ Guwahati, Saturday ■ 25 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only





তুমি যাজ্ঞসেনী...

*চলি আছে অম্বুবাচী মেলা, মা কামাখ্যা মন্দিৰলৈ খোজে খোজ কাটি এগৰাকী বিদেশীনি ভক্ত*

## ৰাষ্ট্ৰপতি নিৰ্বাচন মনোনয়ন দাখিল দ্ৰৌপদী মুৰ্মুৰ



**সংগ দিলে প্ৰধানমন্ত্ৰী মোদী-গৃহমন্ত্ৰী শ্বাহ, অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা-কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালকে ধৰি বহু নেতাই**

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৪ জুন ঃ** ১৮ জুলাইত অনুষ্ঠিত হ'ব ৰাষ্ট্ৰপতি নিৰ্বাচন। সেই মৰ্মে আজি এন ডি এৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে মনোনয়ন দাখিল ■ ৮ পৃষ্ঠাত

## চোৰাংচোৱাৰ সঞ্চালক পদত অসম সন্তান তপন কুমাৰ ডেকা



**দৈনন্দিন বাৰ্তাৰ প্ৰতিনিধি, ২৪ জুন ঃ** কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে শুকুৰবাৰে দেশৰ পৰৱৰ্তী চোৰাংচোৱা সংস্থা বা ইণ্টেলিজেন্স ব্যুৰ'ৰ সঞ্চালক পদত নিযুক্তি দিছে জ্যেষ্ঠ আই পি এছ বিষয়া তপন কুমাৰ ডেকাক। বৰ্তমানৰ সঞ্চালক অৰবিন্দ কুমাৰে অহা ৩০ জুনত অৱসৰ ল'ব। উল্লেখ্য যে বৰপেটাত জন্মগ্ৰহণ কৰা তপন কুমাৰ ডেকাই শৈক্ষিক জীৱন আৰম্ভ কৰিছিল তেজপুৰত। ১৯৮৮ বৰ্ষৰ আই পি এছ বিষয়া তপন কুমাৰ ডেকা আছিল হিমাচল প্ৰদেশ কেডাৰৰ। উত্তৰ-পূবৰ প্ৰথমগৰাকী বিষয়া হিচাপে চোৰাংচোৱা সংস্থাৰ ■ ৮ পৃষ্ঠাত

## ২৪ঃ০৬ঃ২০২২ কণা শুকুৰবাৰ

## নৈত জঁপিয়াই-পুখুৰীত জাঁপ দি...

ধনশিৰি নদীত জঁপিয়াই আত্মহত্যা মহিলাৰ ঃ ম'বাইলত বন্দী কৰি থৈ গৈছে জীৱনৰ প্ৰতি মোহভংগ হোৱা আৱেগিক ভাষ্য ঃঃ শিৱসাগৰৰ দিখৌ দলঙত মাজনিশা চাঞ্চল্যকৰ আত্মহত্যাৰ ঘটনা— দলঙৰ ওপৰত স্কুটী ৰখাই দিখৌ নদীত জঁপিয়ালে স্বাস্থ্য বিভাগৰ কৰ্মচাৰী শিখা শইকীয়াই ঃঃ কচুপথাৰ হেলচীত এগৰাকী মহিলা পুখুৰীত জাঁপ দি আত্মহনন

**অৱশেষত ব্লেকমেইলিঙৰ বলি হৈ ডিমৌ নদীত আত্মঘাতী হোৱা তিনিজনীয়া পৰিয়ালৰ পতি-পত্নী, কন্যাৰ মৃতদেহ উদ্ধাৰ**

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২৪ জুন ঃ** ডিমৌ নদীত জঁপিয়াই একেটা পৰিয়ালৰ তিনিগৰাকীকৈ সদস্যই আত্মহত্যা কৰাৰ ঘটনাই সমগ্ৰ ৰাজ্যজুৰি চাঞ্চল্যৰ সৃষ্টি কৰি থকাৰ সময়তে শিৱসাগৰৰ আমগুৰি ■ ৮ পৃষ্ঠাত

## জনজাতি ভোটাৰৰ ভোট পাবনে দ্ৰৌপদী মুৰ্মুৱে ?



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৪ জুন ঃ** দ্ৰৌপদী মুৰ্মুৰ প্ৰাৰ্থিত্বৰ বিষয়ে বহুত আলোচনা কৰা হৈছে। তেওঁ এক বৃহৎ সম্ভাৱনাৰে জনজাতীয় সম্প্ৰদায়ৰ পৰা ভাৰতৰ প্ৰথম ৰাষ্ট্ৰপতি হ'বলৈ সাজু হৈছে। বিজেপিৰ ভিতৰত জনজাতীয় লোকসকলক প্ৰতিনিধিত্ব কৰিবলৈ সমগ্ৰ ভাৰততে নেতাৰ অভাৱ থকাটো সঁচা কথা। সেয়ে ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুক বিজেপিয়ে ৰাষ্ট্ৰপতি পদত প্ৰক্ষেপ কৰিছে। বিজেপিৰ ■ ৮ পৃষ্ঠাত

## চিন্দেক প্ৰত্যাহ্বান থাকৰেৰ

### যদি তেওঁলোকৰ সাহস থাকে, তেওঁলোকে বালাচাহেব আৰু শিৱসেনাৰ নাম নোলোৱাকৈ মানুহৰ মাজলৈ গৈ দেখুৱাওক

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২৪ জুন ঃ** মহাৰাষ্ট্ৰৰ ৰাজনৈতিক নাটক আৰু সংকটৰ মাজতে মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই বিদ্ৰোহী বিধায়ক একনাথ চিন্দেক তীব্ৰ সমালোচনা কৰে। থাকৰেই কয় 'মই একনাথ চিন্দেৰ বাবে সকলো কৰিছিলো। মই তেওঁক সেই বিভাগটো দিছিলো যিটো মোৰ নিজৰ হাতত আছিল। তেওঁ মোৰ পুত্ৰৰ সন্দৰ্ভত মন্তব্য কৰিছে। মোৰ বিৰুদ্ধে বহুতো অভিযোগ উত্থাপিত হৈছে। যদি তেওঁলোকৰ সাহস ■ ৮ পৃষ্ঠাত



*গৰম বন্ধ— কি কি যে কৰিম ন মা*

## ড্ৰাগছ জব্দ অভিযান

**প্ৰায় দুই কোটি টকা মূল্যৰ ড্ৰাগছ জব্দ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৪ জুন ঃ** ৰে'লৰে সুৰক্ষা বাহিনীৰ স্পেচিয়েল টাস্ক ফ'ৰ্চৰ জালত পৰিল এইবাৰ ড্ৰাগছ ব্যৱসায়ী। উজনিমুৱা লামডিং-তিনিচুকীয়া ৰে'লৰ টয়লেটত বোকাজানৰ ■ ৮ পৃষ্ঠাত



*নতুন দিল্লীস্থিত ৰাষ্ট্ৰপতি ভৱনত আয়ুষ সুস্থতা কেন্দ্ৰৰ মুকলি অনুষ্ঠানত ৰাষ্ট্ৰপতি ৰামনাথ ক'বিন্দ, ফাৰ্ষ্ট লেডী সবিতা ক'বিন্দৰ সৈতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল*

## চেগুন গছ কেইজোপা কাটিবলৈ নিদিব

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২৪ জুন ঃ** গোৱালপাৰা চহৰৰ ৭নং ৱাৰ্ডৰ গীতানগৰত থকা ৬ জোপা চেগুন গছ একাংশ প্ৰকৃতি ভাল নোপোৱা লোকে অকল টকাৰ বাবে কাটিব বিচাৰি বন বিভাগক আৱেদন জনাইছিল। এই কথা প্ৰকৃতি প্ৰেমী অমল মেধিয়ে জানিব ■ ৮ পৃষ্ঠাত

## পৰী হিলৈদাৰীলৈ ২০২১ বৰ্ষৰ অনুবাদ সাহিত্যৰ অকাদেমি বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৪ জুন ঃ** ঘোষণা কৰা হৈছে সাহিত্য অকাদেমিৰ অনুবাদ সাহিত্যৰ বঁটা। অসমৰ পৰী হিলৈদাৰীলৈ ২০২১ বৰ্ষৰ অনুবাদ সাহিত্যৰ অকাদেমি বঁটা আগবঢ়োৱা হৈছে। মামং দাইৰ 'he Legends of Pensam' নামৰ ইংৰাজী গ্ৰন্থখনৰ অসমীয়া অনুবাদ 'দাঁতি পাৰৰ মানুহ'ৰ বাবে তেওঁলৈ এই সন্মান ■ ৮ পৃষ্ঠাত

## ৰৌতা চাৰিআলি শংকৰদেৱ সংঘৰ প্ৰাথমিক শাখাৰ গুৰু আসন লণ্ড-ভণ্ড দুৰ্বৃত্তৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ২৪ জুন ঃ** বৃহত্তৰ অঞ্চলটোৰ চৌদিশে চি আৰ পি, এছ এছ বি আৰু আৰক্ষীৰ দলে দিনে-নিশাই গিজ্‌গিজাই থকাৰ মাজতে এইবাৰ আকৌ ওদালগুৰি জিলাৰ ৰৌতা চাৰিআলিৰ ■ ৮ পৃষ্ঠাত

## ঔড়ুবি পঞ্চায়তত বান সাহায্য হৰলুকীৰ গোচৰত উপ-সভানেত্ৰীক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোগীঘোপা, ২৪ জুন ঃ** বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰা মহকুমাৰ অন্তৰ্গত ঔড়ুবি গাঁও পঞ্চায়তৰ বান সাহায্য বিতৰণত হৰলুকী কৰাৰ অভিযোগত আজি যোগীঘোপা আৰক্ষীয়ে এগৰাকী সদস্যা তথা উপ-সভানেত্ৰী আটক কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰে। বইটামাৰী ৰাজহ চক্ৰ ■ ৮ পৃষ্ঠাত

বিপিএফৰ কেন্দ্ৰীয় নেত্ৰী বেগম আখতাৰাৰ বিস্ফোৰণ

## বিশুদ্ধ খোৱাপানী, শিশুখাদ্য, বানসাহায্যৰ পৰা বঞ্চিত বানাক্ৰান্ত

**মুখ্যমন্ত্ৰীৰ নিৰ্দেশক কেৰেপ নকৰে একাংশ বিষয়াই**



**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২৪ জুন ঃ** বাক্সাৰ শালবাৰীৰ বিভিন্ন প্ৰান্তত বানসাহায্যৰ পৰা বঞ্চিত বানাক্ৰান্ত। বিশুদ্ধ খোৱাপানী, শিশুখাদ্যকে ধৰি পৰ্যাপ্ত সুবিধা লাভ কৰা নাই ■ ৮ পৃষ্ঠাত

**তামুলপুৰৰ কুমাৰীকাটাত প্ৰস্তাৱিত চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ গৃহ নিৰ্মাণত ব্যাপক অনিয়মৰ অভিযোগ**

## মাটিৰ দুফুট খান্দি বহুৱালে তিনিমহলীয়া ছাত্ৰী নিৱাসৰ পকী খুঁটা

**অনিয়ম ধৰা পৰাৰ ভয়ত ঠিকাদাৰে নিজে জেচিবিৰে ভাঙিলে ৬০টাকৈ পকী খুঁটা**



**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৪ জুন ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত কুমাৰীকাটাৰ দাওগাংবাৰীত অসম চৰকাৰৰ প্ৰস্তাৱিত আদৰ্শ মহাবিদ্যালয়খনৰ নিৰ্মাণৰত অৱস্থাতে লাগিছে কেণা। আদৰ্শ মহাবিদ্যালয়খন আবণ্টন লাভ কৰা বিভাগীয় ■ ৮ পৃষ্ঠাত

## কামপুৰত ৩০ টকা দিলেহে বানাক্ৰান্তই পায় বান সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৪ জুন ঃ** নগাঁৱৰ কামপুৰত বানপৰিস্থিতি সামান্য উন্নত হৈছে যদিও এতিয়াও ঠায়ে ঠায়ে অব্যাহত আছে বানৰ সংহাৰ। কামপুৰত বানে চকুৰ সন্মুখতে উটুৱাই লৈ গ'ল বহুজনৰ সপোনৰ ঘৰখন তথা ■ ৮ পৃষ্ঠাত

## টিলাপাৰা হাইস্কুলত অৰাজকতা ! ১,২০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ১২ শিক্ষকৰে চলিছে পাঠদান








**শিক্ষকৰ অন্তঃকন্দলৰ বাবে শৈক্ষিক পৰিৱেশ বিনষ্টৰ অভিযোগ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, চাপৰ, ২৪ জুন ঃ** প্ৰধান শিক্ষক পদৰ লালসাত মইমতালি চলোৱাৰ অভিযোগ সহকাৰী শিক্ষক মনোৱাৰ হুছেইনৰ বিৰুদ্ধে। ছাত্ৰ-ছাত্ৰীয়ে মুখ্যমন্ত্ৰীগৰাকীক মামা বুলি সম্বোধন কৰি বিদ্যালয়খনৰ সমস্যা সমাধান কৰিবলৈ অনুৰোধ জনায়। ৰাজ্যত যি সময়ত মুখ্যমন্ত্ৰীগৰাকীয়ে বিভিন্ন বিদ্যালয়ক হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল বেয়া হোৱাৰ বাবে শ্ব'কজ জাৰি কৰিছে, ঠিক একে সময়তে একাংশ বিদ্যালয়ত শিক্ষক অবিহনে পাঠদান চলিছে। ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰৰ অন্তৰ্গত টিলাপাৰা হাইস্কুলখনত ১২০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে মাত্ৰ ১২গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে পাঠদান চলাই আছে। ইয়াৰে চাৰিজন আকৌ শাস্ত্ৰীয় শিক্ষক। যাৰ বাবে বিদ্যালয়খনত পাঠদানত ব্যাঘাত হৈছে। ইপিনে বিদ্যালখনত কোঠা আছে ঠিকে কিন্তু বহিবলৈ ডেস্ক-বেঞ্চ নাই। বহিবলৈ আচবাব নথকাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ আহি উভতি যাবলৈ বাধ্য হৈছে। আনপিনে বিদ্যালয়খনত প্ৰধান শিক্ষক পদক লৈ খোৱা-কামোৰা লাগিছে। সহকাৰী ■ ৮ পৃষ্ঠাত

সত্যমেৱ জয়তে

75 Azadi Ka Amrit Mahotsav

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ



## গ্ৰীষ্মকালীন নাট কৰ্মশালা

অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ নাট শাখাৰ উদ্যোগত অহা ইং ৬ জুলাইৰ পৰা ২৫ জুলাই, ২০২২ তাৰিখলৈ পঞ্চম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন চৌহদত এক *বিনামূলীয়া গ্ৰীষ্মকালীন নাট কৰ্মশালা*ৰ আয়োজন কৰা হৈছে।

ইচ্ছুক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নাম, বিদ্যালয়ৰ নাম, শিক্ষাগত অৰ্হতাৰ প্ৰমাণ-পত্ৰ, অভিভাৱকৰ নাম, ঘৰৰ ঠিকনা, ফোন নম্বৰ আৰু লগতে আৱেদন কৰা বিষয়ত পূৰ্বৰ অভিজ্ঞতা থাকিলে তাৰ প্ৰমাণ-পত্ৰ, দুকপি পাচপোৰ্ট ফটো আৰু বিদ্যালয়ৰ পৰিচয় পত্ৰ সহ ৪ জুলাই, ২০২২ তাৰিখৰ ভিতৰত নিম্ন লিখিত ঠিকনাত জমা দিব লাগিব। কৰ্মশালাত যোগদানকাৰী সকলে যাতায়ত আদিৰ বাবে নিজাববীয়াকৈ খৰচ বহন কৰিব লাগিব।

প্ৰাৰ্থী বাছনিৰ বাবে হ'বলগীয়া সাক্ষাৎকাৰ

৫ জুলাই, ২০২২ সময় - পুৱা ১১ঃ০০ বজা

স্থান - ৰবীন্দ্ৰ ভৱন, গুৱাহাটী-১



প্ৰ-পত্ৰ জমা দিয়া ঠিকনা ঃ

নাট শাখা, সাংস্কৃতিক সঞ্চালকালয়,

ৰবীন্দ্ৰ ভৱন, গুৱাহাটী-১

E-mail: dcaghy@gmail.com

ড° দেৱজিৎ খনিকৰ

সঞ্চালক

সাংস্কৃতিক পৰিক্ৰমা, অসম

Janasanyog /D/6295/22

# টীয়ক অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীৰে যোৰহাটৰ উপায়ুক্তলৈ আছুৰ স্মাৰক-পত্ৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৪ জুন ঃ** বৃহত্তৰ টীয়ক অঞ্চল বিভিন্ন সমস্যাৰে জৰ্জৰিত এটা অঞ্চল। টীয়ক অঞ্চলৰ কেইবাটাও জ্বলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণৰে যোৰহাটৰ উপায়ুক্তলৈ টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰক্তিম হাজৰিকা আৰু সাধাৰণ সম্পাদক ৰক্তিম হাজৰিকাৰ দ্বাৰা স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰণ্টু ভূঞা, টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰশান্ত দোলাকাষৰীয়াৰ উপস্থিতিত টীয়ক ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰদান কৰিছে। স্মাৰক-পত্ৰত উল্লেখ থকা অনুসৰি ২০১৪ চনতেই চাৰিলেনযুক্ত পথৰ সম্প্ৰসাৰণৰ কাম চলি আছে কিন্তু আজিলৈকে কাম সম্পূৰ্ণ কৰা দূৰৰে কথা এজাক বৰষুণতে টীয়ক নগৰ এলেকা প্লাৱিত হৈ পৰে। ফলত ব্যৱসায়ীসকলৰ লগতে ৰাইজ ভীষণ সমস্যাত পৰে। তাৎক্ষণিকভাৱে উপায়ুক্তলৈ এক দৃঢ় পদক্ষেপ ল'বৰ বাবে আহ্বান জনাইছে টীয়ক আছুৱে। তাৰ লগতে পঞ্চায়ত আৰু টীয়ক পৌৰ সভাৰ অন্তৰ্গত উপ-পথসমূহ জৰাজীৰ্ণ অৱস্থাত থকাত মেৰামতিৰ ব্যৱস্থা কৰা, অবাধ হাৰত বাঢ়ি যোৱা মদ, জুৱা, ভাঙৰ বেহা উৎখাত কৰা, বানপীড়িত অঞ্চলত বানপানীৰ সময়ত পশু-পক্ষী ৰোগত আক্ৰান্ত হয় ইয়াৰ পৰা সকাহ দিবলৈ টীয়কৰ একমাত্ৰ ৰজাবাৰী পশু চিকিৎসালয়ৰ নৱ-নিৰ্মিত ভৱনটি তাৎক্ষণিকভাৱে মুকলি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, টীয়ক অঞ্চলত গাঁওৰক্ষী বাহিনী সহযোগত আৰক্ষীৰ ৰাতি-দিন টহলদাৰী ব্যৱস্থা কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে টীয়ক আঞ্চলিক ছাত্ৰ সন্থাই। এতিয়া সমস্যাসমূহ নিৰাময়ৰ বাবে যোৰহাট জিলাৰ উপায়ুক্তই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব?

মাজ ৰৌমাৰীত একে লগে দুই ছাত্ৰ নেতা, শংকৰজ্যোতি বৰুৱা আৰু ৰাণা প্ৰতাপ বৰুৱা

## অসমৰ সম্পদ লাগে কেন্দ্ৰক কিন্তু বানপানীৰ সমস্যাক নিজৰ সমস্যা বুলি নাভাবে কেন্দ্ৰই



**দৈনন্দিন বাৰ্তাৰ সেৱা, চিৰাজুলি, ২৪ জুন ঃ** শোণিতপুৰ জিলাৰ পশ্চিম প্ৰান্তৰ মাজ ৰৌমাৰীত কালি উপস্থিত থাকে দুজনকৈ জাতীয়তাবাদী ছাত্ৰ নেতা। মাজ ৰৌমাৰীত পশ্চিম ঢেকীয়াজুলি আঞ্চলিক ছাত্ৰ সন্থাই নৱ-নিৰ্মিত শ্বহীদ বেদীৰ উন্মোচন অনুষ্ঠানত উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা আৰু অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ৰাণা প্ৰতাপ বৰুৱা। দুয়োজন নেতাই অসমৰ বানপানী সমস্যাৰ ওপৰত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ দৃষ্টিক সমালোচনা কৰে। কেন্দ্ৰই অসমৰ সম্পদক নিজৰ সম্পদ বুলি ভাবে কিন্তু অসমৰ সমস্যাক কিয় নিজৰ সমস্যা বুলি নাভাবে আৰু বৰ্তমানলৈকে কিয় কোনো পেকেজ ঘোষণা নকৰিলে বুলি দুয়োজন জাতীয় নেতাই ক্ষোভ প্ৰকাশ কৰে। অসমৰ বানপানীৰ স্থায়ী সমাধান কৰাৰ লগতে বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে কিয় নলয় কেন্দ্ৰই বুলিও নিজৰ বক্তব্যত উল্লেখ কৰে দুয়োজন ছাত্ৰ নেতাই।

## ৰৌতাৰ ধনশিৰি নৈত সন্ধানহীন হোৱা যুৱকৰ মৃতদেহ পাঁচ দিনৰ মূৰত উদ্ধাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ২৪ জুন ঃ** ওদালগুৰি জিলাৰ ৰৌতা বাগানৰ ভালুকমাৰীৰ ধনশ্ৰীখুঁটি গাঁও নিৱাসী ফকিৰ আলীৰ ২২ বছৰীয়া পুত্ৰ আজিজুৰ ৰহমানে বানপানীৰ সময়ত ১৯ জুনৰ দিনা ধনশিৰি নৈত মাছ মাৰিবলৈ গৈ সন্ধানহীন হৈ পৰিছিল। তেতিয়া লগে লগে ওদালগুৰি জিলা প্ৰশাসনৰ লগত যোগাযোগ কৰি ৰাইজে সেইদিনাৰ পৰাই এছ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনী আৰু ৰৌতা থানাৰ আৰক্ষীৰ দল আনি ধনশিৰি নৈৰ ঘটনাস্থলীত তিনি দিনে অভিযান চলালে যদিও কোনো ধৰণেনেই নৈখনত যুৱকজনৰ কোনো শুং-সূত্ৰকে উলিয়াবলৈ সক্ষম নহ'ল। ফলস্বৰূপে মুছলিম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতি আৰু জিলা সমিতিৰ লগতে আঞ্চলিক সমিতিৰ বিষয়ববীয়াসকলে ৰাইজৰ সহযোগত তীব্ৰতৰ ৰূপত অভিযান চলোৱাত কালি ২৪ জুনত ৫ দিনৰ মূৰত সন্ধিয়া প্ৰায় ৭.৩০ বজাত ৰৌতা চাৰিআলিৰ সমীপৱৰ্তী ধনশ্ৰীঘাটৰ ধনশিৰি নৈৰ দলঙৰ তলত যুৱকজনৰ মৃতদেহ উদ্ধাৰ কৰে। ইয়াৰ পাছত স্থানীয় ৰাইজে ৰৌতা থানাত ঘটনাৰ সন্দৰ্ভত জনোৱাত আৰক্ষীৰ দল এটা আহি ঘটনাস্থলীত উপস্থিত হয়। নিশাটো থানাতে ৰাখি আজি ওদালগুৰি জিলা অসামৰিক চিকিৎসালয়ত মৰণোত্তৰৰ পৰীক্ষা-নিৰীক্ষা কৰাই পৰিয়ালক চমজায় দিয়ে বুলি মুছাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি জব্বৰ আলীয়ে জনাইছে। আনহাতে, এই ঘটনাক কেন্দ্ৰ কৰি আজি ৰৌতা বাগান অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে।

## ওদালগুৰিত বলিদান দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ২৪ জুন ঃ** ড° শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ২৩ জুনত ৬৯সংখ্যক মৃত্যু দিৱস উপলক্ষে ভাৰতীয় জনতা পাৰ্টীৰ ওদালগুৰি জিলাৰ ভৈৰৱকুণ্ড মণ্ডলত, মণ্ডলৰ বিভিন্ন দায়িত্বত থকা কাৰ্যকৰ্তাসকলৰ উপস্থিতিত বলিদান দিৱসৰ ওপৰত সুন্দৰভাৱে সভা অনুষ্ঠিত হৈ যায়। এই সভাত সভাপতিত্ব কৰে ভৈৰৱকুণ্ড মণ্ডল সভাপতি বিষ্ণু শৰ্মাই। মণ্ডলৰ উপ-সভাপতি উপেন বৰুৱা, মণ্ডলৰ সাধাৰণ সম্পাদক কমল দাস আৰু সময় চৰেন, যুৱ মৰ্চাৰ সভাপতি গোবিন্দ থপলিয়া, সাধাৰণ সম্পাদক লুকাচ দৈমাৰী আৰু উজ্জ্বলা চক্ৰৱৰ্তী, সম্পাদক অজিত দেৱশৰ্মা আৰু মেঘালী শৰ্মা, মণ্ডলৰ বিভিন্ন দায়িত্বত থকা দলীয় কাৰ্যকৰ্তা, শুভকাংক্ষী আদি উপস্থিত থাকে। ৰাষ্ট্ৰীয় একতা আৰু অখণ্ডতাৰ বাবে প্ৰাণ বলিদান দিয়া, মহান শিক্ষাবিদ, ৰাষ্ট্ৰবাদী বক্তা আৰু জনসংঘৰ প্ৰতিষ্ঠাপক ডাঃ শ্যামাপ্ৰসাদ মুখাৰ্জীৰ ত্যাগ আৰু অগাধ দেশপ্ৰেমক সন্মান জনাই কেন্দ্ৰীয় চৰকাৰে ২০১৫ চনৰ পৰা তেওঁৰ মৃত্যু দিন ২৩ জুনক সমগ্ৰ দেশতে বলিদান দিৱস হিচাপে পালন কৰাৰ সিদ্ধান্ত লৈছিল বুলি জানিবলৈ দিয়ে ওদালগুৰি জিলা সহঃ কাৰ্যালয় সম্পাদক অনুপম শৰ্মাই। ড° শ্যামাপ্ৰসাদ মুখাৰ্জীয়ে জাতীয় কংগ্ৰেছৰ জন্মু-কাশ্মীৰ সন্দৰ্ভত তীব্ৰ বিৰোধিতা কৰিছিল। কংগ্ৰেছ চৰকাৰৰ এনে উদাৰ মনোভাবক বিৰোধ কৰি তেওঁ কৈছিল— 'এক দেশ মে দো বিধান, দো প্ৰধান ঔৰ দো নিশান নেহি চলেংগে' অৰ্থাৎ 'এখন দেশত দুখন সংবিধান, দুজন প্ৰধান আৰু দুখন পতাকা থাকিব নোৱাৰে' বুলি সুন্দৰভাৱে জানিবলৈ দিয়ে মণ্ডলৰ উপ-সভাপতি উপেন বৰুৱাই। এনেদৰে সভাত বিশেষভাৱে দায়িত্বত থকা ব্যক্তিসকলে বলিদান দিৱসৰ ওপৰত নিজৰ মন্তব্য প্ৰকাশ কৰে।

# ধুবুৰীত শিক্ষাৰ্থীক উদ্যোগী হিচাপে প্ৰতিষ্ঠা লাভত উদগনি জিলা প্ৰশাসনৰ

### উদ্যোগ আৰু বাণিজ্য বিভাগৰ তৎপৰতাত সাপটগ্ৰাম, প্ৰমথেশ বৰুৱা কলেজত দুটা বিশেষ কেন্দ্ৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২৪ জুন ঃ** ধুবুৰী জিলা প্ৰশাসন আৰু জিলা উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ তৎপৰতাত ধুবুৰী জিলাৰ শিক্ষাৰ্থীসকলক উদ্যোগী হিচাপে গঢ়ি তোলাৰ বাবে গ্ৰহণ কৰা হৈছে বিশেষ পদক্ষেপ। এই পদক্ষেপৰ অংশ হিচাপে গৌৰীপুৰ চহৰৰ প্ৰমথেশ বৰুৱা মহাবিদ্যালয় আৰু সাপটগ্ৰাম মহাবিদ্যালয়ৰ কেৰিয়াৰ পৰামৰ্শদান কেন্দ্ৰৰ উদ্যোগত মহাবিদ্যালয় দুখনত 'চেণ্টাৰ ফৰ ইনকিউবেচন, ইন'ভেচন এণ্ড এণ্টাৰপ্ৰেনিয়ৰশ্বিপ' নামেৰে দুটাকৈ কেন্দ্ৰ মুকলি কৰা হৈছে। উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ, বেংক, জিলা প্ৰশাসন আৰু শিক্ষাৰ্থীৰ মাজত যোগসূত্ৰকাৰীৰ ভূমিকা পালনেৰে শিল্পোদ্যোগী আৰু নিয়োগকাৰীৰূপে শিক্ষাৰ্থীসকলে নিজক প্ৰতিষ্ঠা কৰাত সহায় কৰাৰ লক্ষ্যৰে স্থাপন কৰা দ্বিতীয়টো কেন্দ্ৰ আজি গৌৰীপুৰৰ প্ৰমথেশ বৰুৱা কলেজত মুকলি কৰে ধুবুৰীৰ উপায়ুক্ত অম্বামুথন এম পিয়ে। এই উপলক্ষে পি বি কলেজৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ এম আৰ জোদ্দাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাত উপায়ুক্তই উদ্যোগী হিচাপে প্ৰতিষ্ঠা কৰিব বিচৰা শিক্ষাৰ্থী আৰু যুৱক-যুৱতীৰ বাবে চৰকাৰে কেনে ধৰণৰ সহায় আৰু সুবিধা আগবঢ়াইছে সেই বিষয়ত আলোকপাত কৰে। শিল্পোদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ উৎসাহী যুৱক-যুৱতীসকলে চৰকাৰী সহায়-সুবিধা পাবলৈ কেনেধৰণে প্ৰস্তুতি ল'ব লাগিব, কেনে ধৰণৰ নিয়ম নীতি তথা প্ৰক্ৰিয়াৰ মাজেৰে আগবাঢ়িব লাগিব তাৰ ওপৰত বিস্তাৰিত ব্যাখ্যা দাঙি ধৰে ধুবুৰী জিলা উদ্যোগ, বানিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ মহাপ্ৰৱন্ধক নিৰ্মল কুমাৰ দাসে। সভাখনত বিলাসীপাৰাৰ মহকুমাধিপতি জয় শিবানী, জিলাখনৰ প্ৰতিষ্ঠিত উদ্যোগপতি জগজিৎ সিংহী, বেংকসমূহৰ লীড ডিষ্ট্ৰিক্ট মেনেজাৰ নবীন কুমাৰ প্ৰমুখ্যে কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ছাত্ৰ-ছাত্ৰী তথা ইতিমধ্যে আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰা যুৱক-যুৱতীসকলক ব্যক্তিগতভাৱে উদ্যোগ প্ৰতিষ্ঠা কৰি নিজকে আৰ্থিকভাৱে স্বাৱলম্বী কৰাৰ বাবে উৎসাহিত কৰি বক্তব্য আগবঢ়ায় জগজিৎ সিংহীয়ে। ইয়াৰ পূৰ্বে সাপটগ্ৰাম কলেজত ১৯ মে'ত কলেজখনৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু কেৰিয়াৰ পৰামৰ্শদান কোষৰ উদ্যোগত এনে ধৰণৰ প্ৰথমটো কেন্দ্ৰ মুকলি কৰিছিল বিলাসীপাৰাৰ মহকুমাধিপতি জয় শিৱাণীয়ে। এই উপলক্ষে কলেজখনৰ অধ্যক্ষ ড° ৰাজেশ্বৰ প্ৰসাদ সিঙৰ অধ্যক্ষতাত অনুষ্ঠিত সভাত ভাষণ দি মহকুমাধিপতিগৰাকীয়ে ছাত্ৰাৱস্থাত ষ্টাৰ্ট আপৰ জৰিয়তে আত্মনিৰ্ভৰশীল হ'বলৈ চেষ্টা কৰোতে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ বিষয়ে উল্লেখ কৰে।

## অসম ৰাইফলছৰ লখৰা বেটেলিয়নৰ গছপুলি ৰোপণ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৪ জুন ঃ** অসম ৰাইফলছৰ মুখ্য কাৰ্যালয় 21 চেক্টৰ অসম ৰাইফলছ আৰু ইন্সপেক্টৰ জেনেৰেল অসম ৰাইফলছৰ (পূব) অধীনত লখৰা বিএন-এ বৃহস্পতিবাৰে গোলকীয় উষ্ণতা বৃদ্ধিৰ ওপৰত এক সজাগতা সভা আয়োজন কৰাৰ লগতে গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি অসম ৰাইফলছ দ্বাৰা এক গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰে লখৰাত। ইয়াৰ ভিতৰত অশোক গছ, মধুৰিআম আৰু হাতী আপেলকে ধৰি প্ৰায় 100 টা গছপুলি ৰোপণ কৰে অসম ৰাইফলছে। বিশেষকৈ এই অনুষ্ঠানটোৰ আয়োজনৰ উদ্দেশ্য আছিল অসম ৰাইফলছৰ পৰিৱেশ সুৰক্ষিত কৰিবলৈ সকলো মানুহৰ মাজত এক সজাগতা সৃষ্টি কৰাৰ লগতে পৰিৱেশতন্ত্ৰ পুনৰুদ্ধাৰত অৰিহণা যোগোৱা। এই অনুষ্ঠানটোত মুঠ ৭২জন অসম ৰাইফলছৰ কৰ্মী আৰু অসামৰিক লোকে অংশগ্ৰহণ কৰা কথা জানিবলৈ দিয়ে লখৰা অসম ৰাইফলছে।

**LOST**

I have lost my HSLC Final Examination Original Marksheet Center Code B14 -591 Roll No 5910023 for the Year of 2014. And also lost my HS Final Examination Original Marksheet Roll : 0774 No 20024 for the Year of 2016.

Jehirul Hoque Ansary
S/O :- Abdul Motin
Mother :- Anuwara Begum
Vill :- Datialbori
P.O :- Datialbori
P. S :- Laharighat
Dist :- Morigaon (Assam)
PIN :- 782127

## হায়দৰাবাদৰ তেলেংগানাৰ পৰা ২৭খন ৰাজ্য খোজকাঢ়ি জামুগুৰিহাটত উপস্থিত শ্ৰীকান্ত কল্যাণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ২৪ জুন ঃ** প্ৰকৃতি সুৰক্ষাৰ লগতে কম খৰচত কেনেকৈ ভ্ৰমণ কৰিব পাৰি সেই বাণী লৈ পদযাত্ৰা শ্ৰীকান্ত কল্যাণৰ। প্ৰকৃতি সুৰক্ষাৰ লগতে কম খৰচত কেনেকৈ চলিব পাৰি বা ভ্ৰমণ কৰিব পাৰি সেই বাণী সৰ্বসাধাৰণ ৰাইজৰ মাজলৈ লৈ যোৱাৰ একমাত্ৰ উদ্দেশ্য আগত ৰাখিয়েই সুদূৰ হায়দবাদৰ তেলেংগানাৰ পৰা পদযাত্ৰা কৰি ভাৰত ভ্ৰমণ কৰিছে এজন যুৱকে। যোৱা ডিচেম্বৰতে যাত্ৰা আৰম্ভ কৰি ২৭খন ৰাজ্য অতিক্ৰম কৰি ইতিমধ্যে আজি উপস্থিত হয়হি জামুগুৰিহাটত। জামুগুৰিহাটৰ ধলাইবিলত যুৱকজনক উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে বিভিন্ন দল-সংগঠন তথা ব্যক্তিবিশেষে। সম্বৰ্ধনা গ্ৰহণ কৰি তেলেংগানাৰ যুৱক শ্ৰীকান্ত কল্যাণে কয়- অসমৰ মানুহ অতিথিপৰায়ণ আৰু সংস্কৃতিৱান। অসমৰ প্ৰাকৃতিক পৰিৱেশক লৈ মনোমোহিত হৈছো। দৈনিক দুশ কিলোমিটাৰ খোজকঢ়া যুৱকজনে আৰু ৮ খন ৰাজ্য ভ্ৰমণ কৰিয়েই যাত্ৰা সামৰণি মাৰিব বুলিও মন্তব্য কৰে।

## কোকৰাঝাৰৰ মছজিদ ক্ষতিৰ ঘটনাক তীব্ৰ গৰিহণা 'মুছা'ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰৌতা চাৰিআলি, ২৪ জুন ঃ** কোকৰাঝাৰ জিলাৰ ঢোলমাৰা আঞ্চলিক জামে মছজিদত ১৯ জুনৰ নিশা কোনো দুষ্টচক্ৰই আক্ৰমণ কৰাৰ ঘটনাক মুছলিম ছাত্ৰ সন্থা চমুকৈ 'মুছা'ৰ কেন্দ্ৰীয় সমিতিয়ে তীব্ৰ ভাষাৰে গৰিহণা দিছে। আজি বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিযোগে ছাত্ৰ সন্থাটোৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি জব্বৰ আলীয়ে অতি শীঘ্ৰে মছজিদ ক্ষতি কৰা সকলক চিনাক্ত কৰি দোষীক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। আনহাতে, এই ঘটনাক কেন্দ্ৰ কৰি ৰাজ্যখনত যাতে কোনো দুষ্টচক্ৰই কোনো ঠাইতে হিংসাত্মক ঘটনাৰ বীজ ৰোপণ কৰিবলৈ নোৱাৰে তাৰ বাবেসকলো লোকেই মুছলিম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিয়ে আহ্বান জনাইছে।

## ৰাশিফলত আজিৰ দিনটো

১০ আহাৰ, শনিবাৰ, ২৫ জুন, ১৪২৯ ভাস্কৰাব্দ,
তিথি ঃ কৃষ্ণা দ্বাদশী, নক্ষত্ৰ ঃ ভৰণী, জন্ম ৰাশি ঃ মেঘ
সূৰ্যোদয়- ৪-৩৫-৪৭ সূৰ্যাস্ত- ৬-১৫-২৮

■ **মেষ** ঃ নতুন প্ৰেম ■ **বৃষ** ঃ ছাত্ৰীৰ শুভ ■ **মিথুন** ঃ ভ্ৰমণ যোগ ■ **কৰ্কট** ঃ প্ৰতিভা বৃদ্ধি ■ **সিংহ** ঃ গীত-মাতত সুনাম ■ **কন্যা** ঃ কাৰ্য সিদ্ধি ■ **তুলা** ঃ খেতিয়কৰ আনন্দ ■ **বৃশ্চিক** ঃ ভোগ-বিলাস ■ **ধনু** ঃ ভাতৃৰ উন্নতি ■ **মকৰ** ঃ চোৰৰ ভয় ■ **কুম্ভ** ঃ আনন্দ ■ **মীন** ঃ উৎসৱত যোগদান।

## দৰঙৰ দুমুনিচকীত তৃণমূল কংগ্ৰেছৰ বানসাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুমুনিচকী, ২৪ জুন ঃ** দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীত বন্যাৰ্ত মাজত সাহায্য বিতৰণ অনুষ্ঠানত উপস্থিত হৈ ৰাজ্য চৰকাৰে বান সাহায্যত প্ৰদানত ব্যৰ্থ হৈছে বুলি দাবী কৰে তৃণমূল কংগ্ৰেছৰ অসম প্ৰদেশৰ ৰাজ্যিক সভাপতি ৰিপুণ বৰাই। জিলাখনৰ পাথৰিঘাট ৰাজহ চক্ৰৰ কাৰ্যালয়ত বান সাহায্য বিচাৰি অহা বন্যাৰ্তক অলপতে গৃহৰক্ষী জোৱানে প্ৰহাৰ কৰা ঘটনাকো গৰিহণা দিয়ে তৃণমূল কংগ্ৰেছৰ সভাপতিগৰাকীয়ে। দুমুনিচকীত তামজিদ আলী আৰু ৰাইজৰ সহযোগত ৰাজ্য সভাৰ প্ৰাক্তন সাংসদ ৰিপুণ বৰাৰ নেতৃত্বত তৃণমূল কংগ্ৰেছ দলে প্ৰায় তিনি শতাধিক বন্যাৰ্তৰ মাজত চাউল, দাইল, মিঠাতেল, পানী বটল আদি বিতৰণ কৰে।

# গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ গ্ৰীষ্মকালীন শিশু নাট কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা,২৪ জুন ঃ** ২ জুলাইৰ পৰা ২১ জুলাইলৈ গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ উদ্যোগত আৰু বিষ্ণু নিৰ্মলা ন্যাসৰ সহযোগত উজান বজাৰস্থিত বিষ্ণু নিৰ্মলা ভৱনত অনুষ্ঠিত হ'ব এখনি গ্ৰীষ্মকালীন শিশু নাট কৰ্মশালা।আজি দিনৰ ১ বজাত গুৱাহাটী প্ৰেছ ক্লাৱত অনুষ্ঠিত এক সংবাদমেলত এই কথা সদৰী কৰে গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ বিষয়ববীয়াসকলে। এই ২০ দিনীয়া কৰ্মশালাৰ মূল বিষয় হ'ব 'দেশৰ লগতে অসমৰ স্বাধীনতা সংগ্ৰামৰ শ্বহীদসকলৰ ত্যাগ, ভূমিকা আৰু অৱদান'। কৰ্মশালাখনৰ পৰিচালক হিচাপে থাকিব নাট্যকাৰ-পৰিচালক -অভিনেতা মাণিক ৰয়। কৰ্মশালাৰ পাঠদানৰ সময়সূচী পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১ বজালৈ। ইচ্ছুক শিকাৰুসকলে প্ৰ-পত্ৰৰ বাবে ৯৮৬৪০-৪৭৩৬৩/৭০০২৬-০৫৭৯২ নম্বৰত ফোন কৰি অথবা বিষ্ণু নিৰ্মলা ভৱন (দ্বিতীয় মহলা) লতাশিল, উজানবজাৰ আৰু মাইম একাডেমী, চতুৰ্থ মহলা, হেদায়েৎপুৰ (বাণী মন্দিৰৰ বিপৰীতে)ত যোগাযোগ কৰিব পাৰিব। এই কৰ্মশালাত অংশগ্ৰহণ কৰিবলৈ www.gsnv.org.in যোগেও প্ৰপত্ৰ সংগ্ৰহ কৰিব পাৰে। এই কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰশিক্ষাৰ্থীসকলক প্ৰমাণ-পত্ৰ দিয়াৰ লগতে কৰ্মশালাৰ অন্তত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীশ্ৰীমাধৱদেৱ প্ৰেক্ষাগৃহত দুদিনীয়া কাৰ্যসূচীৰে 'শিশু নাট্য মেলা'ৰ আয়োজন কৰা হ'ব বুলি গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ পৰিচালক মাণিক ৰয়, সভাপতি হৃষীকেশ গোস্বামীৰ লগতে গুৱাহাটী শিশুনাট্য বিদ্যালয়ৰ বৰ্তমানৰ সাধাৰণ সম্পাদক উত্তম কুমাৰ ডেকা, প্ৰচাৰ সম্পাদক মৃন্ময় ভূঞা, উপদেষ্টা বন্দিতা ফুকনে সংবাদ মাধ্যমক জানিবলৈ দিয়ে। উল্লেখ্য যে গুৱাহাটী শিশু নাট্য বিদ্যালয়ে ক'ভিড মহামাৰীৰ যোৱা দুটা বৰ্ষৰ বাহিৰে ১৯৯৮ চনৰে পৰা একেৰাহে শিশুসকলৰ বাবে কৰ্মশালা, নাটৰ নিয়মীয়া পাঠদান, নাট প্ৰযোজনা, ৰাষ্ট্ৰীয় শিশু নাট সমাৰোহ আৰু দেশৰ বিভিন্ন প্ৰান্তত হোৱা সমাৰোহত নাটক মঞ্চস্থ কৰি আহিছে। ক'ভিডকালীন সময়ছোৱাতো ২০২১-২০২২ এই দুই বৰ্ষতো গুৱাহাটী শিশু নাট্য বিদ্যালয়ৰ তৰফৰ পৰা অনলাইনযোগে পাঠদান আৰু প্ৰশিক্ষণ অব্যাহত ৰখা হৈছিল।

# মাজুলী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ বিদায় সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৪ জুন ঃ** মাজুলীৰ ঐতিহ্যমণ্ডিত মাজুলী মহাবিদ্যালয়ৰ ভূগোল বিভাগৰ স্নাতক মহলাৰ ষষ্ঠ ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক বিদায় সম্বৰ্ধনা জনোৱা উপলক্ষে বিভাগটোৰ উদ্যোগত কালি এখন বিদায় সভা অনুষ্ঠিত হয়। সভাত আদৰণী ভাষণ প্ৰদান কৰে দ্বিতীয় বৰ্ষৰ ছাত্ৰ ৰাহুল সৰকাৰে। সভাত পৌৰোহিত্য কৰে ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক প্ৰশান্ত শইকীয়াই। আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলৰ উজ্জ্বল ভৱিষ্যতৰ কামনাৰে মূল্যৱান ভাষণ প্ৰদান কৰে ক্ৰমে অৱসৰপ্ৰাপ্ত অধ্যাপক নৰেন চন্দ্ৰ ঠাকুৰীয়া, ড° আনন্দ হাজৰিকা, মোক্ষেশ্বৰ শইকীয়া আৰু পৰীক্ষাগাৰ যোগনীয়াৰ চন্দ্ৰকান্ত বৰাই। বিশিষ্ট অতিথি হিচাপে সভাত উপস্থিত থাকি অতি ৰসাল আৰু সু-শ্ৰাব্য, প্ৰায়োগিক কথাৰে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি ভাষণ আগবঢ়ায় মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। বিভাগীয় শিক্ষকসকলৰ তৰফৰ পৰা সভাত মূল্যৱান কথাৰে বক্তব্য প্ৰদান কৰে ক্ৰমে ড° জয়া কলিতা গগৈ আৰু আচাৰ্য মোহন দাসে। বিদায়ী ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা পৰিষ্কাৰ-পৰিচ্ছন্নতাৰে, সু-সংগঠিত, সু-পৰিচালিত ৰূপত প্ৰায়খিনি সা-সুবিধাৰ মাজেৰে শিক্ষা লাভ কৰা মহাবিদ্যালয়ৰ স্মৃতি সোঁৱৰণ কৰি মন্তব্য প্ৰকাশ কৰে শিক্ষাৰ্থী ক্ৰমে স্বৰাজ কল্লোল শইকীয়া, গোবিন কৃষ্ণ হাজৰিকা, ৰাইনা পেগু আৰু পিংকী বৰাই। বিদায় সভাত অনুজ ছাত্ৰ-ছাত্ৰীসকলৰ তৰফৰ পৰা বেদান্ত কাকতি আৰু চূড়ান্ত দাসে বিদায় ভাষণ প্ৰদান কৰে। অতি সাম্প্ৰতিক সময়ত জনপ্ৰিয় কলা হিচাপে 'মিমিক্ৰি' পৰিৱেশন কৰে বাস্তৱ ভূঞাই।

## টীয়ক অঞ্চলৰ বিভিন্ন সমস্যা সমাধানৰ দাবীৰে যোৰহাটৰ উপায়ুক্তলৈ আছুৰ স্মাৰক-পত্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৪ জুন ঃ** বৃহত্তৰ টীয়ক অঞ্চল বিভিন্ন সমস্যাৰে জৰ্জৰিত এটা অঞ্চল। টীয়ক অঞ্চলৰ কেইবাটাও জলন্ত সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণৰে যোৰহাটৰ উপায়ুক্তলৈ টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ৰক্তিম হাজৰিকা আৰু সাধাৰণ সম্পাদক ৰক্তিম হাজৰিকাৰ দ্বাৰা স্বাক্ষৰিত এখন স্মাৰক-পত্ৰ সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰণ্টু ভূঞা, টীয়ক আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা প্ৰশান্ত দোলাকাষৰীয়াৰ উপস্থিতিত টীয়ক ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে প্ৰদান কৰিছে। স্মাৰক-পত্ৰত উল্লেখ থকা অনুসৰি ২০১৪ চনতেই চাৰিলেনযুক্ত পথৰ সম্প্ৰসাৰণৰ কাম চলি আছে কিন্তু আজিলৈকে কাম সম্পূৰ্ণ কৰা দূৰৰে কথা এজাক বৰষুণতে টীয়ক নগৰ এলেকা প্লাৱিত হৈ পৰে। ফলত ব্যৱসায়ীসকলৰ লগতে ৰাইজ ভীষণ সমস্যাত পৰে। তাৎক্ষণিকভাৱে উপায়ুক্তলৈ এক দৃঢ় পদক্ষেপ ল'বৰ বাবে আহ্বান জনাইছে টীয়ক আছুৱে। তাৰ লগতে পঞ্চায়ত আৰু টীয়ক পৌৰ সভাৰ অন্তৰ্গত উপ-পথসমূহ জৰাজীৰ্ণ অৱস্থাত থকাত মেৰামতিৰ ব্যৱস্থা কৰা, অবাধ হাৰত বাঢ়ি যোৱা মদ, জুৱা, ভাঙৰ বেহা উৎখাত কৰা, বানপীড়িত অঞ্চলত বানপানীৰ সময়ত পশু-পক্ষী ৰোগত আক্ৰান্ত হয় ইয়াৰ পৰা সকাহ দিবলৈ টীয়কৰ একমাত্ৰ ৰজাবাৰী পশু চিকিৎসালয়ৰ নৱ-নিৰ্মিত ভৱনতি তাৎক্ষণিকভাৱে মুকলি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা, টীয়ক অঞ্চলত গাঁওৰক্ষী বাহিনী সহযোগত আৰক্ষীৰ ৰাতি-দিন টহলদাৰী ব্যৱস্থা কৰাকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় উপস্থাপন কৰিছে টীয়ক আঞ্চলিক ছাত্ৰ সন্থাই। এতিয়া সমস্যাসমূহ নিৰাময়ৰ বাবে যোৰহাট জিলাৰ উপায়ুক্তই কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া লক্ষণীয় হ'ব?

## কৰ্ম সংস্থাপন বিচাৰি বহিঃৰাজ্যত নিৰুদ্দেশ জামুগুৰিহাটৰ যুৱক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নদুৱাৰ, ২৪ জুন ঃ** কৰ্মসংস্থাপন বিচাৰি বহি: ৰাজ্যলৈ গৈ নিৰুদ্দেশ হোৱা এজন যুৱকক লৈ সম্প্ৰতি চাঞ্চল্যৰ সৃষ্টি হৈছে জামুগুৰিহাটৰ টৌভঙাৰ নবিলত । অঞ্চলটোৰ বিশ গৰাকী যুৱকৰ সৈতে যোৱা সোমবাৰে বেংগলোৰত কৰ্মসংস্থাপন বিচাৰি ট্ৰেইন যোগে যাত্ৰা আৰম্ভ কৰে নবিল টৌভঙা নিবাসী সোনেশ্বৰ দাস আৰু মঞ্জু দাসৰ পুত্ৰ আজৰ দাস । লগৰীয়াৰ সৈতে গৈ থকা অৱস্থাতে বেংগলোৰ পোৱাৰ আগতেই যুৱকজন নিৰুদ্দেশ হোৱা বিষয়ে জানিব পৰা গৈছে । পৰিয়ালৰ লোকে জানিবলৈ দিয়ামতে বেংগলোৰ পোৱাৰ আগতেই কোনোবা ষ্টেচনত ট্ৰেইনৰ পৰা নামি দিয়ে আজৰ দাস । লগৰ সমনীয়া আৰু পৰিয়ালৰ লোকে জানিবলৈ দিয়ামতে আজৰৰ হাতত এটকাও পইচা নথকাৰ লগতে মোবাইলফোনো লগত নিয়া নাছিল । দূঃচিন্তাত পৰা পৰিয়ালটোৱে সম্প্ৰতি জামুগুৰি আৰক্ষী থানাত এই সন্ধৰ্ভত এজাহাৰ দাখিলৰ প্ৰস্তুতি চলাইছে ।

## নলবাৰীত গণশিল্পী প্ৰয়াত নাৰায়ণ চন্দ্ৰ দাসৰ ৯৬সংখ্যক জন্মদিন পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৪ জুন ঃ** নলবাৰীৰ কাজিপাৰাত কালি সন্ধিয়া গণশিল্পী প্ৰয়াত নাৰায়ণ চন্দ্ৰ দাসৰ ৯৬সংখ্যক জন্মদিন পালন কৰা হয়। নলবাৰীৰ কাজিপাৰাস্থিত গণশিল্পীগৰাকীৰ সুযোগ্য সন্তান ৰবীন চন্দ্ৰ দাসৰ গৃহত শ্ৰদ্ধা নিৱেদন কৰি বন্তি প্ৰজ্বলন, স্মৃতিচাৰণ, কবিতা আৰু ৰসাল কথা আদিৰে এক অনুষ্ঠান অনুষ্ঠিত হৈ যায় । গণশিল্পী প্ৰয়াত নাৰায়ণ চন্দ্ৰ দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে বিশিষ্ট কবি কমল কুমাৰ জৈনে। তাৰ পিছত পুষ্পাঞ্জলি নিৱেদন কৰে ক্ৰমে যুৱ সমাজকৰ্মী, শিক্ষক তথা প্ৰতিবেদক লাইভৰ সম্পাদকপ্ৰধান ৰূপক বৈশ্য, ৰবীন চন্দ্ৰ দাস, কমল কুমাৰ জৈন, মণিকা জৈন, অৰুণা দাস, অমল বৈশ্য আদিয়ে। উল্লেখ্য যে শুৱালকুছিৰ পুখুৰীপাৰাত জন্মগ্ৰহণ কৰা গণশিল্পী প্ৰয়াত নাৰায়ণ চন্দ্ৰ দাস আছিল একাধাৰে শিক্ষক, কবি, সাহিত্যক, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, পৰিচালক, অভিনেতা। কালি সন্ধিয়া যুৱ সমাজকৰ্মী, শিক্ষক তথা প্ৰতিবেদক লাইভৰ সম্পাদকপ্ৰধান ৰূপক বৈশ্যৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা এক ঘৰুৱা বৈঠকত গণশিল্পীগৰাকীৰ স্মৃতিচাৰণ কৰি ৯৬সংখ্যক জন্মদিন পালন কৰা হয়। উদ্দেশ্য ব্যাখ্যাৰে পিতৃ সম্পৰ্কে ৰবীন চন্দ্ৰ দাসে ৰসালভাৱে বক্তব্য প্ৰদান কৰি উক্ত বৈঠকৰ শুভাৰম্ভ কৰে। তাৰ পিছত বিশিষ্ট কবি কমল কুমাৰ জৈনে গণশিল্পীগৰাকীৰ ওপৰত নিজৰ মনোভাব ব্যক্ত কৰি পৰিয়ালটোৰ শলাগ লয়। গণশিল্পী প্ৰয়াত নাৰায়ণ চন্দ্ৰ দাসৰ বোৱাৰী অৰুণা দাসে নিজৰ অভিজ্ঞতাৰে গণশিল্পীগৰাকীৰ স্মৃতি ৰোমন্থন কৰে। ৰবীন চন্দ্ৰ দাসে পিতৃৰ এটি গীত গাই উপস্থিত সকলোকে আপ্লুত কৰে। উল্লেখ্য যে জীয়ৰী ৰ'দালি দাসেও ফোনযোগে সকলোকে এটি গীত গাই শুনাই পিতৃৰ প্ৰতি শ্ৰদ্ধাসহিতে জন্মদিনত প্ৰণাম জনায়। ৰূপক বৈশ্যই প্ৰয়াত দাসৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই নিজৰ বক্তব্য প্ৰদান কৰাৰ উপৰি গণশিল্পীগৰাকী আৰু স্বৰচিত এটিকৈ কবিতা পাঠ কৰে। শেষত অসম সংগীতেৰে বৈঠকৰ সামৰণি পৰে।



# মেলেঙত বিপ্লৱী যুৱ সন্থা-অসম সংগ্ৰামী চাহ শ্ৰমিকৰ প্ৰতিবাদ




**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২৪ জুন ঃ** আজি ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ মেলেং চাৰি আলিত বিপ্লৱী যুৱ সন্থা, অসম সংগ্ৰামী চাহ শ্ৰমিক সন্থাই এক প্ৰতিবাদী কাৰ্যসুচি গ্ৰহণ কৰে। সেনা জোৱানৰ চাকৰি অগ্নিপথ আঁচনিৰ জৰিয়তে ৪ বছৰ ঠাইত স্থায়ী নিযুক্তি প্ৰদান কৰা, নিবনুৱা সংস্থাপনক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া, অগ্নিপথ আঁচনি বাতিল কৰা, অতি শীঘ্ৰে কেন্দ্ৰীয় চৰকাৰে অসমৰ বাবে ২০০০ কোটি টকা বান সাহাৰ্য পেকেজ ঘোষণা কৰা, প্ৰতিখন জিলাৰ বাবে কিমান সাহাৰ্য পুজি মোকলাই দিছে মুখ্যমন্ত্ৰীয়ে শীঘ্ৰে শ্বেতপত্ৰ প্ৰকাশ কৰাকে ধৰি কেইবাটাও দাবী জনোৱাৰ লগতে অতি শীঘ্ৰে প্ৰতিটো বানপীড়িত পৰিয়ালৰ বাবে শিশু খাদ্য, পশু খাদ্যসহ পৰ্যাপ্ত খাদ্য সাহাৰ্য আৰু চিকিৎসা সাহায্য নিশ্চিত কৰিবলৈ আহ্বান জনায়। উল্লেখ যে কেন্দ্ৰীয় সমিতিৰ আহ্বান ক্ৰমে ৩৭নং ৰাষ্ট্ৰীয় ঘাই পথ কাষত মেলেং চাৰি আলিত, বিপ্লৱী যুৱ সন্থা, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘ, চি পি আই (এম- এল)ৰ যোৰহাট জিলা সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। এই কাৰ্যসূচীত অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ কেন্দ্ৰীয় সম্পাদক জিতেন তাঁতী, RYA অসম ৰাজ্যিক সমিতিৰ সম্পাদক আমুছ কুমাৰ তাঁতী, উপদেষ্টা ৰাজেন ৰাজ, সংগ্ৰামী চাহ শ্ৰমিক সংঘৰ টীয়ক চাৰ্কোল সম্পাদক ৰামেশ্বৰ কল, সভাপতি ৰহণ কৰ্মী, সদৌ অসম প্ৰগতিশীল নাৰী সন্থাৰ জিলা সম্পাদিকা ৰাহিল মুণ্ডা, RYA জিলা সভাপতি পবিত্ৰ নায়ক, টীয়ক আঞ্চলি সম্পাদক মন্টু ৰাজুৱাৰকে ধৰি কেইবাগৰাকী বিষয় ববীয়া উপস্থিত থাকি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে।

# বিহুবৰ শৈল নগৰীত নাম্বাৰ প্লেট বিহীন ট্ৰাক-ডাম্পাৰৰ দৌৰাত্ম্য

## উচ্চতম ন্যায়ালয়ৰ নিষেধাজ্ঞাক বুঢ়া আঙুলি ঃ মালিক পক্ষলৈ পৰিবহণ বিভাগৰ ইমান দৰদ কিয় ?

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২৪ জুন ঃ** নাজিৰা বিধান সভা সমষ্টিৰ অন্তৰ্গত শৈল নগৰী খ্যাত বিহুবৰ অঞ্চলটোৰ প্ৰতি অসম চৰকাৰৰ চূড়ান্ত অৱহেলাই সমগ্ৰ এলেকাৰ জনজীৱনক বিপদাপন্ন কৰাত ইন্ধন যোগাইছে অঞ্চলটোত চলাচল কৰা নাম্বাৰ প্লেটবিহীন আৰু বৈধ - অবৈধ ট্ৰাক - ডাম্পাৰৰ দৌৰাত্ম্যই জলন্ত নিৰ্দৰ্শন দাঙী ধৰিছে। খৰালি মৰুভূমিৰ দৰে ধূলিৰে আৰু এজাক বৰষুণৰ পিছৰে পৰা তথা বাৰিষা মীন পাম সদৃশ দ' পুখুৰী সমূহত আঠুলৈকে বোকাত পোত খাই থকা পথত প্ৰতিখন ট্ৰাক, ডাম্পাৰৰেই নিৰ্দিষ্ট নম্বৰ লিখা অৱস্থাত দেখা নোপোৱাটো পৰিবহণ বিভাগৰ কৃপাত বিশেষ বৈশিষ্ট হিচাপে চিহ্নিত হৈছে। শিল আৰু কয়লাৰ কামত ব্যৱহৃত ট্ৰাক, ডাম্পাৰ সমূহৰ নম্বৰ প্লেট নোহোৱা অৱস্থাত চৰকাৰী কৰ্তৃপক্ষই প্ৰতিখন গাড়ীয়ে কিমান বাৰ, কিমান পৰিমাণৰ শিল, কয়লা সৰবৰাহ কৰিছে সেই বিষয়ে কি দৰে হিচাপ আহৰণ কৰে সেয়া ৰহস্যৰ বিষয়। আহৰণ কৰা তথ্য প্ৰকৃততে সত্য হয়নে ? তেনেদৰে ব্যৱসায়ীয়ে শিল সঞ্চয় আৰু খননত জে চি বি, ফ্ৰকলেণ্ড আদি যি হাৰত ব্যৱহাৰ কৰে সেই হাৰত বিহুবৰৰ প্ৰাকৃতিক ভাৰসাম্য কেতিয়াবাই নিঃশেষ হৈ গৈছে। এই ক্ষেত্ৰত গুৰুত্বপুৰ্ণ দিনটো হ'ল যে উচ্চতৰ ন্যায়ালয়ৰ নিষেধাজ্ঞাক বুঢ়া আঙুলি দেখুৱাই আৰু অসম চৰকাৰৰ চকুত ধূলি মৰা কেতবোৰ চক্ৰৰ উদ্যোগত জে চি বি, ফ্ৰকলেণ্ড আদিৰ উপৰি ৰাজহ ফাকি দি নম্বৰ প্লেট দূৰৰে কথা, পথৰ অনুমতি নোহোৱাকৈও চলি থকাত জনগণে বিনা প্ৰতিবাদে মানি ল'ব লগীয়া হৈছে। হাত দীঘল ব্যৱসায়ী সকলে অতি সহজেই প্ৰভাৱিত কৰি অহাত পৰিবহণ বিভাগে এই যান -বাহনসমূহক ৰঙা দলিচা পাৰি কাম কৰি যোৱাত সহযোগিতা কৰিছে। ফলস্বৰূপে অসম চৰকাৰৰ ৰাজ ভঁৰাললৈ বাণিজ্যিক যান - বাহনৰ পৰা হ'ব লগীয়া বৃহৎ পৰিমাণৰ ৰাজহ অথলৈ গৈছে, কিন্ত চৰকাৰী বিষয়া- কৰ্মচাৰীৰ জেপলৈ গৈছে। আনহাতে যান - বাহনৰ প্ৰদূষণ সম্পৰ্ক চোৱা - চিতা কৰাটো বিহুবৰৰ পৰিৱেশত কোনো কালেই নজিৰ নাই। শিলৰ সঞ্চয় ডিপো, খনন স্থলী আদিকে ধৰি কৰ্মৰত প্ৰায় ৪০ -৫০ খন জে চি বি, ফ্ৰকলেণ্ডৰ সৰহ ভাগেই বৰ্হি ৰাজ্যৰ পৰা আনি চলাই ৰখাত কিমানখন বাহনে অনুমোদিত পাৰ - পত্ৰ লৈ কৰ্মত আছে সেই বিষয় সন্দহৰ আৱৰ্ত্তত। আনহাতে প্ৰতিখন গাড়ীৰ শিলৰ বাবদ যি চালান কটা হয় সেই চালানো অসম চৰকাৰৰ প্ৰকৃত ঘৰৰ নহয়। সমীপৱৰ্তী ৰাজ্য নাগালেণ্ডৰ ভূৱা চালানেৰে শৈল নগৰী বিহুবৰত বছৰ বছৰ ধৰি শিল, কয়লাৰ ৰমৰমীয়া ব্যৱসায় অব্যাহত আছে। তেনে ক্ষেত্ৰত চৰকাৰী বিভাগীয় কৰ্তৃপক্ষ সমূহে অঞ্চলটোৰ পৰিৱেশ নিকাকৰণ আৰু ৰাজ ভঁৰাললৈ বৰঙণি আগবঢ়োৱাৰ দৃঢ় পদক্ষেপ গ্ৰহণ কৰিবনে বুলি সচেতন মহলে প্ৰশ্ন উজাৰিছে।

# দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সমষ্টি ঘোষণা

## উৎফুল্ল শ্ৰীপানীবাসী দেউৰী ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, চিলাপথাৰ, ২৪ জুন ঃ** ধেমাজি জিলাৰ শ্ৰীপাণিত নতুনকৈ দেউৰী স্বায়ত্ব শাসিত পৰিষদ ঘোষণা কৰাত উৎফুল্ল হৈ উঠিছে শ্ৰীপানীস্থিত দেউৰী সম্পদায়ৰ লোকসকল। উল্লেখযোগ্য যে, অসমৰ দেউৰী জনগোষ্ঠীৰ স্বনিয়ন্ত্ৰনৰ বাবে ২০০৫ চনতেই দেউৰী বসতি থকা স্থানসমূহত ১৮ টা পৰিষদীয় সমষ্টিত ভাগ কৰি দেউৰী স্বায়ত্তশাসিত পৰিষদ গঠন কৰিছিল। পৰিষদৰ ৮নং চিচিবৰগাঁও সমষ্টিতো বৃহৎ কলেবৰৰ হোৱাৰ বাবে শ্ৰীপানী অঞ্চলক লৈ নতুনকৈ এটা সমষ্টি গঠন কৰাৰ বাবে ২০০৫ চনৰ পৰাই দাবী জনাই আহিছে। ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই শেহতীয়াকৈ চৰকাৰে নতুনকৈ ১১ নং শ্ৰীপানী পৰিষদীয় সমষ্টি ঘোষণা কৰাত উৎফুল্ল হৈ পৰিছে শ্ৰীপানীবাসী দেউৰী ৰাইজ। দেউৰী ৰাইজৰ দীৰ্ঘদিনীয়া দাবীৰ প্ৰতি সঁহাৰি জনাই অসমত চাৰিটাকৈ নতুন সমষ্টি ঘোষণা কৰাৰ বাবে চৰকাৰক ধন্যবাদ জ্ঞাপন কৰে জিমছাঁয়া পিপুলছ পাৰ্টীৰ মুখ্য সচিব হেমৰাম দেউৰীয়ে। লগতে সম্প্ৰতি পৰিষদীয় সমষ্টিৰ পৰা কেইবাখনো দেউৰী গাঁও সমষ্টিৰ অন্তৰ্ভুক্ত কৰিবলৈ তেওঁ চৰকাৰক আহ্বান জনায়।

# ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ স্মাৰক-পত্ৰ বিশ্বনাথৰ তিনি সংগঠনৰ




**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৪ জুন ঃ** শুক্ৰবাৰে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ বিহালী খণ্ড উন্নয়ন বিষয়া জৰিয়তে স্মাৰক পত্ৰ প্ৰদান কৰে বিশ্বনাথ ৩ সংগঠনে। উল্লেখযোগ্য অলপতে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা অগ্নিপথ আঁচনি বাতিলৰ দাবী লগতে অসমত হোৱা বান বানপানী সমস্যা নিমূল কৰাৰ বাবে ২ হাজাৰ কোটি টকাৰ পেকেজ কেন্দ্ৰীয় চৰকাৰে পঘোষণা কৰা, বানপীড়িত ৰাইজক পৰ্যাপ্ত সাহাৰ্য প্ৰদান,অসমৰ বানপানী সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা দাবীকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দাবীত বিহালী উন্নয়ন খণ্ড বিষয়া জড়িয়তে ভাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ বিশ্বনাথ জিলাৰ চি পি আই এম এল জিলা সম্পাদক নাৰায়ণ পৌড়েল, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘ বিশ্বনাথ চাৰ্কোল নৰোত্তম চুণ্ডী লগতে বিপ্ৰী যুৱ সন্থা ৰাজ্যিক সদস্য মোকেশ চাহু স্বাক্ষৰিত এখনি স্মাৰক পত্ৰ প্ৰদান কৰে।

# মৰিগাঁও জিলাৰ মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ত এক চাঞ্চল্যকৰ ডকাইতি কাণ্ড সংঘটিত

**দৈনন্দিন বাৰ্তাৰ সেৱা মৈৰাবাৰী, ২৪ জুন ঃ** অচিনাকি দুৰ্বিত্তৰ দলে চুকা অস্ত্ৰৰে আক্ৰমণ কৰে মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ৰ আব্দুল মুনিম নামৰ এজন কৰ্মচাৰীক। লগে লগে মৈৰাবাৰী আৰক্ষীক খবৰ দিয়ে।মৈৰাবাৰী আৰক্ষীয়ে এজনক কৰায়ত্ব কৰিবলৈ সক্ষম হৈছে যদিও বাকী কেইজন কৰায়ত্ব কৰিবলৈ সক্ষম হোৱা নাই। মৈৰাবাৰী আৰক্ষী চকীৰ গাতে লাগি থকা একমাত্ৰ মৈৰাবাৰী গ্ৰাম্য চিকিৎসালয়ত পুৱতি নিশা কেনেকৈ এনেধৰণৰ ডকাইতিৰ ঘটনা সংঘটিত হ'বলৈ পালে ইয়াক লৈ অঞ্চলৰ বাসিন্দা সকলে বৰকৈ চিন্তিত হৈ পৰিছে। কেৱল এইটো ঘটনাই নহয় নিচাসক্ত যুৱক সকলে বৃহত্তৰ মৈৰাবাৰী অঞ্চলত দীঘ দিনৰ পৰাই চলাই আহিছিল সন্ত্ৰাস। সকলো দেখি শুনিও অন্ধ কুলিৰ ভাউ জুৰিছে মৈৰাবাৰী আৰক্ষীয়ে বুলি সচেতন মহলে সন্দেহ প্ৰকাশ কৰিছে।


केनरा बैंक Canara Bank
A Government of India Undertaking
सिंडिकेट Syndicate

**লখৰা শাখা**
সাওকুছি, লখৰা ৰোড
লখৰা, গুৱাহাটী-৭৮১০৩৪, অসম

**নিলাম বিক্ৰী জাননী**

তলত উল্লেখ কৰা ব্যক্তিসকলক অৱগত কৰা হ'ল যে তেওঁলোকে লোন একাউণ্টৰ বিপৰীতে থকা দেনাসমূহ আদায় দিয়াত ব্যৰ্থ হ'ল। তেওঁলোকলৈ ৰেজিষ্টাৰ্ড পোষ্টৰ জৰিয়তে জাননী প্ৰেৰণ কৰা হৈছিল যদিও সেই জাননী বেংকলৈ ঘূৰি আহিছে। গতিকে তেওঁলোকক ইয়াৰ জৰিয়তে অনুৰোধ কৰা হ'ল যাতে দেনাসমূহ আদায় দিয়ে, লগতে অন্যান্য মাচুল আদি যাতে তেওঁলোকৰ ছিকিউৰিটী হিচাপে বন্ধক দিয়া সম্পদসমূহ ঘূৰাই পাবলৈ সক্ষম হয়, **০৭.০৭.২০২২** তাৰিখ বা তাৰ পূৰ্বে। উপৰোক্ত দেনা আদায়ত ব্যৰ্থ হ'লে ছিকিউৰিটী সম্পদসমূহ বেংক কৰ্তৃপক্ষই ৰাজহুৱা নিলাম ব্যৱস্থাৰে বিক্ৰী কৰিব অহা **০৮.০৭-২০২২ তাৰিখে দিনৰ ১১ বজাত,** বেংক চৌহদত ঋণ লওতাৰ মূল্যত বা অন্য যিকোনো এটা দিনত এই কাৰ্য সম্পন্ন হ'ব পুনৰ জাননী নিদিয়াকৈ, বেংক কৰ্তৃপক্ষৰ নিজা কৰ্তৃত্বৰ আধাৰত।

| ক্ৰ. নং. | ঋণৰ তাৰিখ | ঋণ নম্বৰ | ঋণ লওতাৰ নাম আৰু ঠিকনা |
|---|---|---|---|
| ১ | ১৯.০৯.২০২০ | ৫৮৫২৯৫২০০০০০১ | ৰফিকুল হক, প্ৰযত্নে- আব্দুল মতিন, এছ বি আই হাতীগাঁৱৰ ওচৰত, হাতীগাঁও। |

**তাৰিখ ঃ ২৩.০৬.২০২২** **মেনেজাৰ**


# মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ দুগৰাকী ছাত্ৰীলৈ গান্ধী ফেল'শ্বিপ



**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২৪ জুনঃ** ২০২২ বৰ্ষৰ গান্ধী ফেল'শ্বিপৰ বাবে নিৰ্বাচিত হৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ ছাত্ৰী পপী বৰুৱা আৰু সামাজিক কৰ্ম বিভাগৰ ছাত্ৰী মানসী চুতীয়া। ভাৰতৰ যুৱ ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে ২০০৮ চনৰে পৰা এই ফেল'শ্বিপ প্ৰদান কৰি অহা হৈছে। এই ফেল'শ্বিপৰ অধীনত দুয়োকে ঝাৰখণ্ডত নিযুক্তি দিয়া হৈছে। বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকা, পঞ্জীয়ক ড° মৃণাল কুমাৰ বৰাৰ লগতে বিশ্ববিদ্যালয় পৰিয়ালে ছাত্ৰীদুগৰাকীৰ এই সফলতাৰ বাবে অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# বিহালীত বনৰীয়া হাতীৰ সন্ত্ৰাস

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৪ জুন ঃ** বিহালী সমষ্টিৰ বিভিন্ন স্থানত বিগত কেইবা বছৰ ধৰি বনৰীয়া হাতীৰ উপদ্ৰৱ বৃদ্ধি পাই আহিছে। খৰালী কালত বিহালী বন্যপ্ৰাণী অভয়াৰণ্যৰ পৰা আৰু বাৰিষা কালত কাজিৰঙা ষষ্ঠ সংযোজনৰ পৰা অহা হাতীয়ে মানুহৰ ঘৰ ভঙাৰ উপৰিও অন্যান্য খাদ্য-শস্য খাই অনিষ্ট কৰাটো নতুন কথা নহয়। আনহাতে বৃহস্পতিবাৰে পুৱতি নিশা বিহালী সমষ্টিৰ ৰাংছালী দলনী গাৱঁৰ উমাকান্ত খতিওৱা ঘৰত হাতী সোমাই থকা ঘৰ আৰু গোহালী ভাঙি চুৰমাৰ কৰাৰ লগতে বাৰীৰ তামোলৰ পুলিও ভাঙি অনিষ্ট কৰে বনৰীয়া হাতী জাকটোৱে। পৰিয়ালৰ সদস্য কোনো মতে পলাই যাবলৈ সক্ষম হয়। ইফালে ৩০/৩৫ জনীয়া এই বনৰীয়া হাতীৰ জাকে জালুকবাৰীৰ পথাৰত ধানৰ কঠীয়া খাই অনিষ্ট কৰে বুলি জানিব পৰা গৈছে।

# গোসাঁইগাঁৱৰ ফুলকুমাৰী গাঁৱৰ বাসিন্দা সুমিলা কিস্কু নিৰুদ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাইগাঁও, ২৪ জুন ঃ** গোসাইগাঁও মহকুমাৰ সাপকাটা আৰক্ষী চকীৰ অন্তৰ্গত ফুলকুমাৰী গাঁৱৰ বাসিন্দা সামুয়েল



মাৰ্ডীৰ পত্নী সুমিলা কিস্কু (২০) নামৰ মহিলাগৰাকী যোৱা ইংৰাজী ২৩/৬/২০২২ তাৰিখ ৰাতিপুৱা আনুমাণিক ১১ মান বজাত নিজ ঘৰৰ পৰা নিৰুদ্দেশ হৈ আছে। মহিলা গৰাকীৰ এতিয়ালৈকে কোনো শুংসুত্ৰ পোৱা নাই। উল্লেখ যে সুমিলা কিস্কু মহিলাগৰাকীয়ে তাইৰ এজনী কণ্যা সন্তান এৰি থৈ যায়। যদি কোনো সদাশয় ব্যক্তিয়ে ইয়াৰ কোনো শুংসূত্ৰ পায় তেনেহ'লে ৮৫৭২৮৪৬৪৩৯ মোবাইল নম্বৰত যোগাযোগ কৰিবলৈ পৰিয়ালৰ লোকে অনুৰোধ জনায়। নিৰুদ্দেশ সংক্ৰান্তত পৰিয়ালৰ লোকে সাপকাটা আৰক্ষী চকীত এখন এজাহাৰ দাখিল কৰে।

## বকোৰ বিস্তীৰ্ণ অঞ্চল বানৰ গৰাহত

# ছমৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰীতম দাস বানপীড়িতৰ কাষত



**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ২৪ জুন ঃ** ৰাজ্যত অব্যাহত আছে বানপানীৰ বিভীষিকা। ইয়াৰ সমান্তৰালকৈ ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ দাঁতি-কাষৰীয়া নৈৰ পানীতো হৈছে জনতাৰ অধিক ক্ষতি। কামৰূপ জিলাৰ কলহী নৈৰ বানেও ধাৰণ কৰিছে জটিল ৰূপ। বকো সমষ্টিৰ ছমৰীয়া ৰাজহ চক্ৰ এলেকাৰ বান পৰিস্থিতিও দুখ লগা। ৰাজহ চক্ৰটোৰ প্ৰায় ৬০ খন গাঁওৰ সকলো পৰিয়ালৰ ঘৰ-দুবাৰ এতিয়া পানীৰ তলত। ছমৰীয়া সত্ৰ, মালিবাৰী পথাৰ, ধামাপাৰা, দুৰামাৰী, জাওঁকাটা, চাকলা. পুঠিমাৰী, শালমাৰা, সোণতলী, পল্লীমঙ্গল, গৰুৰ চৰ, পানীখেইতী, বৰঘোল আদি অঞ্চলত বানে লৈছে ভয়াংকৰ ৰূপ। ইয়াৰ বিস্তৃৰ্ন অঞ্চল পানীৰ তলত ডুব যোৱাত সৃষ্টি হৈছে হাহাকাৰ পৰিস্থিতিৰ। বানত ডুব গৈছে লাখ লাখ বিঘা কৃষি ভূমি। ফলত মুৰে কপালে হাত দিছে কৃষকে। পশু ধনৰ খাদ্যক লৈ সৃষ্টি হৈছে ভীষণ সমস্যা। বানাক্ৰান্ত পৰিয়ালে হাত নাও, কলৰ ভুৰৰ অথবা ঘৰত চাং পাতি আহাৰ ৰান্ধি এসাঁজ খাই এসাঁজ লঘোণে থাকি দিন পাৰ কৰিব লগা হৈছে। এনে দুৰৱস্থাতো বানপীড়িতৰ খবৰ লোৱাৰ আহৰি নাই চৰকাৰ প্ৰশাসন তথা জনপ্ৰতিনিধিৰ। ইপিনে বানাক্ৰান্তাৰ মাজত দেখা দিছে খাদ্যৰ লগতে খোৱাপানীৰ ভীষণ সংকটে। বানাক্ৰান্তাই অদ্যপি লাভ কৰা নাই চৰকাৰী কোনো সাহায্যৰ। যাৰ বাবে সাংবাদিকৰ আগত বানাক্ৰান্তই প্ৰকাশ কৰিছে ক্ষোভ। এই ক্ষেত্ৰত ছমৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া প্ৰীতম দাসে পালন কৰিছে মানৱতাৰ ধৰ্ম। প্ৰতিদিনে চক্ৰ বিষয়া গৰাকীয়ে সাংবাদিকৰ দ'ল লগত লৈ পৰিদৰ্শন কৰি আছে বানপীড়িত এলেকাত। বৰ্ণাত্যৰ কাষত দুখৰ সমভাগি হৈছে চক্ৰ বিষয়া প্ৰীতম দাস। আনহাতে বানাক্ৰান্তই কামনা কৰিছে সাংবাদিকৰ জৰিয়তেই ভূক্তভোগীৰ ওপৰত পৰক ৰজাঘৰীয়াৰ সুদৃষ্টি।


Affordable Health Mission
GNRC Quality•Value•Trust

**স্বাস্থ্য-বাৰ্তা**

**বঙাইগাঁৱত জিএনআৰচিৰ অ'পিডি সেৱা**

**২৪ জুন**

**ল'ৰাৰ আছাম হাস্পতাল, বঙাইগাঁও**

**ডাঃ কৃষ্ণ চন্দ্ৰ নাৰ্জাৰী**

**(হৃদ্‌ৰোগ বিশেষজ্ঞ)**

**লক্ষণবোৰ ঃ** বুকুৰ বিষ, ক্ষীপ্ৰ হৃদ্ স্পন্দন, শ্বাস-প্ৰশ্বাসৰ অসুবিধা, উচ্চ কলেষ্টেৰ'ল, উচ্চ ৰক্তচাপ, হৃদ্‌যন্ত্ৰ আৰু ৰক্তবাহী নলীৰ ৰোগ।

**যোগাযোগৰ নম্বৰ**

7002770765

info@gnrchospitals.com www.gnrchospitals.com


# ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ ৮১খন গাঁৱত বানাক্ৰান্তৰ মাজত সাহায্য

## *কঠীয়া বিচাৰি কৃষকৰ মূৰে-কপালে হাত*

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৪ জুন ঃ** ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বানক্ৰান্ত ৰাইজৰ লগতে পশুখাদ্য, শিশুখাদ্য আদিৰ যাতে কোনো ধৰণৰ নাটনি নহয় তাৰ বাবে জিলা উপায়ুক্ত, স্থানীয় ৰাজহ চক্ৰ বিষয়াসকলক চোকা নজৰ ৰাখিবলৈ নিৰ্দেশ দিয়াৰ লগতে বান সাহায্য প্ৰদান কৰাৰো নিৰ্দেশ দিয়ে। উল্লেখ্য যে নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ৮১ খন গাঁওৰ প্ৰায় ৫৮২১৪ গৰাকীলোকৰ মাজত বান সাহায্য প্ৰদানৰ দিহা কৰিছে বুলি জানিব পৰা গৈছে। ইতিমধ্যে সংশ্লিষ্ট গাঁওসমূহৰ বানাক্ৰান্ত সকল যাতে কোনো কাৰণে খাদ্য -সামগ্ৰীকে ধৰি ঔষধ-পাতি, পশুখাদ্য, শিশুখাদ্য আদিৰ নাটনিত নপৰে তাৰ বাবে নলবাৰী বিধায়ক তথা জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই বিশেষ তৎপৰতা অৱলম্বন কৰাৰ লগতে স্থানীয় প্ৰশাসন আৰু দলীয় কাৰ্যকৰ্তাক চোকা নিৰ্দেশ দিয়ে। ইতিমধ্যে চৰকাৰ পক্ষই যোগান ধৰা খাদ্য-সামগ্ৰী, পশু খাদ্য, আদি সময়মতে যোগান ধৰি অহা বুলি ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ চক্ৰ বিষয়া মণিষা কলিতাই জানিবলৈ দিয়ে। ইতিমধ্যে বিগত কিছুদিনত পশুপালক সকলক সকাহ দিয়াৰ উদ্দেশ্যে ঘগ্ৰাপাৰ হাইৱে চ'কৰ সমীপত এটা গৃহত পশুখাদ্য মজুত কৰি ইতিমধ্যে গাড়ীয়ে গাড়ীয়ে পশুধনৰ বাবে পশু খাদ্য চক্ৰ বিষয়াগৰাকীৰ তৎপৰতা ৰাজহ চক্ৰৰ অন্তৰ্গত ৮১ খন গাঁৱলৈ পঠোৱাৰ ব্যৱস্থা কৰাৰ উপৰিও ৰাজহ চক্ৰটোৰ সংশ্লিষ্ট গাঁৱৰ প্ৰায় ৮১ গাঁওৰ ৫৮২১৪ জন লোকৰ বানাক্ৰান্তৰ মাজত চাউল, দাইল, মিঠাতেল, নিমখ আদি বিতৰণ ব্যৱস্থা অব্যাহত ৰাখিছে। চক্ৰ বিষয়া মণিষা কলিতাৰ তৎপৰতা স্থানীয় সাহাৰ্য বিতৰণ ব্যৱস্থাৰ ক্ষেত্ৰ বিষয়া বনশ্ৰী বৰ্মন, জ্যেষ্ঠ মণ্ডল সতীশ মিশ্ৰ, লাট মণ্ডল ক্ৰমে ধ্ৰুৱ চৌধুৰী, ব্ৰজেন তালুকদাৰ, সঞ্জীৱ নাথ, খগেন কলিতা, নজৰুল হুছেইন আৰু গাঁও প্ৰধানৰ উপস্থিতিত বান সাহায্য বিতৰণ ব্যৱস্থা কৰি আহিছে বুলি জানিব পৰা গৈছে। আজি এই উপলক্ষে ঘগ্ৰাপাৰ গাঁও পঞ্চায়তৰ প্ৰায়সমূহ গাঁৱৰ লগতে বিলপাৰ, বাঘমাৰা, বুৰবুৰী আদি গাঁৱত গাঁও প্ৰধান, বুথ বিজেপিৰ সভাপতি আৰু কাৰ্যকৰ্তাৰ উপস্থিতিত বান সাহাৰ্য চাউল, দাইল, মিঠাতেল, নিমখ আদি বিতৰণ কৰে। ইফালে বিগত দিনত ৰাজহ চক্ৰ বিষয়া মণিষা কলিতাই দিন-ৰাতি একাকাৰ কৰি বানপীড়িত ৰাইজৰ কাষত থিয় দি সাহাৰ্য দিয়াৰ ব্যৱস্থা কৰি আহিছে। ইফালে ৰাজহ চক্ৰটোৰ সংশ্লিষ্ট গাঁৱৰ বাট-পথ, মীনপালকৰ পুখুৰী বাঢ়নী পানীয়ে বুৰাই নিয়াৰ লগতে ৭২ খন ৰাজহ গাঁওৰ কৃষকসমাজৰ কঠীয়া পানীত তল গৈ নষ্ট হোৱাত সম্প্ৰতি কৃষকসমাজৰ হাহাকাৰময় পৰিৱেশৰ সৃষ্টি হোৱাৰ উপৰিও তেওঁলোকে কঠিয়া বিচাৰি মুৰে কঁপাল হাত দিয়া পৰিলক্ষিত হৈছে। পিছে এই ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লয় সেয়া লক্ষণীয় হ'ব।

# ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মূৰ্মুক অভিনন্দন জ্ঞাপন তামুলপুৰ জিলা ইউপিপিএলৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২৪ জুন ঃ** ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল তথা এনডিএৰ ৰাষ্ট্ৰপতি পদৰ মনোনীত প্ৰাৰ্থী দ্ৰৌপদী মূৰ্মূক অভিনন্দন জ্ঞাপন কৰি তামুলপুৰ জিলা ইউপিপিএলৰ সংবাদমেল সম্বোধন কৰেঞ্জ। সংবাদমেলত ইউপিপিএল এখন ৰাষ্ট্ৰ সুকলমে পৰিচালনা কৰাৰ সম্পূৰ্ণ যোগ্যতা আৰু অৰ্হতা থকা বুলি দাবী জনাই পুনৰ কয় যে বিশ্বৰ বুকুত ভাৰতক এখন বিশেষ ৰাষ্ট্ৰ হিচাপে আগবঢ়াই নিবলৈ সক্ষম হব। লগতে দ্ৰৌপদী মূৰ্মুক ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে বাচনি কৰাৰ বাবে ভাৰতৰ




দলৰ হৈ ৫৮ নম্বৰ তামুলপুৰ বিধান সভা সমষ্টিৰ বিধায়ক জলেন দৈমাৰীয়ে সংবাদ মেলৰ আঁত ধৰি কয় যে-ঝাৰখণ্ডৰ প্ৰাক্তন ৰাজ্যপাল তথা এন ডি এৰ ৰাষ্ট্ৰপতি পদৰ মনোনীত প্ৰাৰ্থী হিচাপে ঘোষণা কৰা জনজাতীয় মহিলা নেত্ৰী দ্ৰৌপদী মুৰ্মুক আমি তামুলপুৰ জিলা ইউপিপিএল দলে অভিনন্দন জ্ঞাপন কৰিছো। ৰাষ্ট্ৰপতি পদ অলংকৃত কৰিবলগীয়া সম্ভাব্য প্ৰাৰ্থী গৰাকীৰ দক্ষতাৰো শলাগ লয় আজিৰ সংবাদ মেল যোগে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ তথা কেন্দ্ৰীয় বিজেপি চৰকাৰৰ সকলো স্তৰৰ নেতাক ধন্যবাদ জ্ঞাপন কৰে বিধায়ক জলেন দৈমাৰীয়ে। বিধায়ক গৰাকীয়ে লগতে কয় যে প্ৰতিগৰাকী ব্যক্তি তথা প্ৰতিটো জনগোষ্ঠীক সমমৰ্যদা , সমঅধিকাৰ প্ৰদান কৰা আৰু প্ৰতিটো জনগোষ্ঠীৰে উন্নয়নৰ কাম কৰি যোৱা ভাৰতৰ প্ৰধান মন্ত্ৰী গৰাকী সঁচাকৈয়ে আমাৰ বাবে আদৰ্শ। আজিৰ এই সংবাদ মেলত বিধায়ক গৰাকীক সংগ দিয়ে সদৌ চানতাল বিকাশ পৰিষদ, বাক্সা জিলা চানতাল ইউনিয়ন তথা তামুলপুৰ জিলা ইউপিপিএলৰ নেতৃবৃন্দই।


**NOTICE INVITATION FOR TENDER**

Sealed tenders affixing non-refundable Court fee stamp of Rs.8.25 (Rupees eight & twenty five paisa) only from the ***Manufacturer/Authorized Stockiest/Distributors or Authorized Dealers/Sub-Dealers*** are invited for "Supply of miscellaneous items in ART Centre of Diphu Medical College & Hospital, Diphu." The list of the items along with detailed terms & conditions may be collected on payment of **Rs. 2000/-** (Non-Refundable only from the office of the Principal-cum-Chief Superintendent DMC&H, Diphu during office hours or from our official website (**http://www.dmcassam.in**).

***The last date and time of submission of tender is 18th July 2022 up to 1.00 p.m.*** and the tender will be opened on the same day at 2.30 p.m. in presence of the suppliers or their authorized representatives. The tenders are to be submitted to the office of the Principal-cum-Chief Superintendent, Diphu Medical College Hospital, Diphu on all the working days during office hours.

***Details of the tender are available at http://www.dmcassam.in and documents may be collected from the website. The tender document fee has to be deposited during the submission of documents.***

Principal-cum-Chief Superintendent,
Diphu Medical College & Hospital. Diphu, Assam

Janasanyog /C/5350/22

### নগাঁৱত ঠাইবিশেষে বান পৰিস্থিতিৰ সামান্য উন্নতি

# আশ্ৰয় শিবিৰৰ বানাক্ৰান্তক বহুজনৰ সাহায্য বিতৰণ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৪ জুন ঃ** নগাঁও জিলাৰ বিভিন্ন প্ৰান্তত আজি বানপানীৰ সামান্য উন্নতি হৈছে যদিও বানাক্ৰান্তসকল কিন্তু বিপদমুক্ত হোৱা নাই। আজিও দুৰ্যোগৰ মাজেৰে দিন অতিবাহিত কৰিব লগা হৈছে বানাক্ৰান্তসকলে। বিশেষকৈ ননৈৰ নিকটৱৰ্তী গাঁওসমূহত বান পৰিস্থিতিৰ আংশিক পৰিৱৰ্তন হৈছে যদিও বৃহত্তৰ অঞ্চলটোৰ বিভিন্ন স্থানৰ আশ্ৰয় শিবিৰতে থাকিব লগা হৈছে বানাক্ৰান্তসকল। নিজৰ সপোনৰ ঘৰখন পানীৰ তলত থকাত প্ৰায় এসপ্তাহ ধৰি বহু লোক আশ্ৰয় শিবিৰত থকাৰ উপৰি বহু লোকে বানৰ সৈতে সহাৱস্থান কৰি ঘৰখনতে কষ্টৰে থাকিব লগা হৈছে। কপিলী, হাৰিয়া, নিশাৰী নৈৰ বলিয়া বানে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি কৰা ননৈৰ কাষৰীয়া বাদল গাঁও, পানীখাইতী, পোটনি, তুলসীমুখ, ভকতগাঁও, মুদৈয়নী, পাঠৰি, শ'লমাৰীকে ধৰি বিভিন্ন গাঁৱৰ বানপৰিস্থিতিৰ ভয়াৱহতা দূৰ হোৱা নাই। আজিও উল্লিখিত অঞ্চলসমূহত পানী সামান্য কমিলেও বানাক্ৰান্তসকলে নিজৰ ঘৰখন চাবলৈ যাব পৰা নাই। বাট-পথ পানীৰে বুৰি থকাৰ উপৰি ঘৰ-সম্পত্তি, খেতিপথাৰ নষ্ট কৰা বলিয়া বানে এইসকল লোকক আৰ্থিকভাৱে বহু জুৰুলা কৰি থৈ গ'ল। চৌদিশে কেৱল পানী আৰু পানী। কোনোফালেই ওলাব নোৱৰা পৰিৱেশ। কোনো লোক আশ্ৰয় শিবিৰত, কোনো লোকে পানীৰ মাজতে ওখ স্থানত থাকি কোনোমতে বানপানী কমালৈ অপেক্ষা কৰিছে। কোনো স্থানত যদি অলপ কমিছে কোনো স্থানত বলিয়া বানে ন ন অঞ্চল প্লাৱিত কৰিছে। ইফালে ঠাইবিশেষে দুৰ্গন্ধময় পৰিৱেশৰ মাজতে বানৰ মাজতে সপোনৰ ঘৰখনত বহু বানাক্ৰান্তই দুৰ্বিষহ জীৱন কটাব লগা হৈছে। ইয়াৰ মাজতে একাংশ মানৱ দৰদী লোকে নিজৰ গাঁঠিৰ ধনেৰে বান সাহায্য বিতৰণ কৰিছে। কালি ননৈ উচ্চ বুনিয়াদী বিদ্যালয়ৰ বান শিবিৰত থকা সূতাৰগাঁৱৰ ৯৫টা পৰিয়ালক বান সাহায্য বিতৰণ কৰে প্ৰীতম ভূঞা নামৰ এজন লোকে। নিজৰ পেঞ্চনৰ ধনেৰে বান সাহায্য বিতৰণ কৰি মানৱতাৰ নিদৰ্শন দাঙি ধৰা প্ৰীতম ভূঞাই নিজৰ পৰিয়ালৰ চাৰিগৰাকী প্ৰয়াত ব্যক্তিৰ নামত বান সাহায্য বিতৰণ কৰাৰ লগতে অহা ২৮ জুনত শ'লমাৰী বান শিবিৰত থকা শতাধিক পৰিয়ালৰ মাজতো বান সাহায্য বিতৰণ কৰিব। ইয়াৰ উপৰি ননৈ মহাবিদ্যালয় শিক্ষক-কৰ্মচাৰী গোটে মুদৈয়নী গাঁৱৰ ৬৫টা পৰিয়ালৰ মাজত বান সাহায্য বিতৰণ কৰে। ইফালে প্ৰশাসনৰ ফালৰ পৰা বান সাহায্য বিতৰণ কৰিছে যদিও বহু অঞ্চলত পৰ্যাপ্ত পৰিমাণে বান সাহায্য লাভ কৰা নাই বানাক্ৰান্তই।

## পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কাউন্সিলৰ স্নিগ্ধা বৰুৱা মজুমদাৰৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২৪ জুন ঃ** গুৱাহাটী পৌৰ নিগমৰ অন্তৰ্গত ১৭নং ৱাৰ্ডৰ কাউন্সিলৰ স্নিগ্ধা বৰুৱা মজুমদাৰে শতবৰ্ষ গৰকা বিদ্যালয় পাণবজাৰ আদৰ্শ প্ৰাথমিক বিদ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত কাউন্সিলৰ মজুমদাৰে ছাত্ৰ-ছাত্ৰীসকলৰ লগতে শিক্ষয়িত্ৰী, মাতৃ গোটৰ বিষয়ববীয়াৰ লগত মত-বিনিময় কৰে । ইপিনে বিদ্যালয়খনত আহিবলগীয়া দিনসমূহত সহায়-সহযোগিতা কৰিব বুলি কয় । তেওঁ কয়, মই এই বিদ্যালয়খনৰ বাবে গৌৰৱ কৰো। মোৰ মা, দেউতা, শাহু, শহুৰ, মই এই বিদ্যালয়খনত পঢ়িছোঁ। আজিও মোৰ বিদ্যালয়ত পঢ়া স্মৃতিবোৰে আমনি কৰে। ইপিনে হঠাৎ কাউন্সিলৰগৰাকীয়ে বিদ্যালয়খনত পৰিদৰ্শন কৰাৰ বাবে ধন্যবাদ জনায় প্ৰধান শিক্ষয়িত্ৰী বন্দনা বৰুৱাই। প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে কয়— আজি আমি গৌৰৱ কৰিছোঁ, কাৰণ এই বিদ্যালয়ৰ ছাত্ৰী কাউঞ্চিলৰ। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী মীনাক্ষী দাসে শুভেচ্ছা জ্ঞাপন কৰি তেওঁ যিহেতু এই বিদ্যালয়খনৰ ছাত্ৰী গতিকে বিদ্যালয়খনৰ অভাৱখিনি জানে বুলি কৈ বিভাগীয় কৰ্তৃপক্ষৰ লগত যোগাযোগ কৰি কামসমূহ সমাধান কৰাত সহায় কৰিব বুলি আশা কৰিছে।

### টংলা মহাবিদ্যালয়ত এদিনীয়া শৈক্ষিক কৰ্মশালা

## ক'ভিড মহামাৰীয়ে মানুহক জীয়াই থাকিবলৈ বিকল্প চিন্তাৰ খোৰাক জন্মাইছে— প্ৰফেছৰ ড° পভনেশ কুমাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভেৰগাঁও, টংলা, ২৪ জুন ঃ** "ক'ভিড মহামাৰীয়ে সাধাৰণ মানুহৰ জীৱন শৈলীৰ বৃহৎ পৰিৱৰ্তন আনিলে। সি হওক সামাজিক, শৈক্ষিক ,চিকিৎসা অথবা অৰ্থনৈতিক ক্ষেত্ৰ। ক'ভিড মহামাৰীয়ে মানুহক জীয়াই থাকিবলৈ বিকল্প চিন্তাৰ খোৰাক জন্মাইছে। ক'ভিডৰ দৰে মহামাৰীত ভাৰতবৰ্ষৰ লগতে সমগ্ৰ বিশ্বই যি সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, চিকিৎসা আদি সকলো দিশতে বৃহৎ ক্ষতিৰ সন্মুখীন হৈয়ো জীয়াই থাকিবলৈ নতুন পৰিস্থিতিৰ সন্মুখীন হৈছে।' এই গুৰুত্বপূৰ্ণ মন্তব্য কৰে বিহাৰস্থিত মহাত্মা গান্ধী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ তথা ডীন ড° পভনেশ কুমাৰে। ওদালগুৰি জিলাৰ অন্যতম শিক্ষানুষ্ঠান টংলা মহাবিদ্যালয়ৰ বাণিজ্য শাখা আৰু আই কিউ এ চিৰ যৌথ উদ্যোগত অনুষ্ঠিত হোৱা 'ৰিচকিলিং ৰিকোৰাৰ্ড ইন দ্য পোষ্ট পেণ্ডামিক ইৰা' শীৰ্ষক শৈক্ষিক কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি উক্ত গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ আৰু কয় যে ক'ভিড মহামাৰীয়ে শৈক্ষিক সমাজখনক ব্যাপক পৰিৱৰ্তনৰ প্ৰভাৱ পেলাইছে। সেয়ে আজিৰ শিক্ষাৰ্থীসকলক কাৰিকৰী প্ৰশিক্ষণৰ নিতান্তই প্ৰয়োজন। ব্যৱহাৰিক তথা কাৰিকৰী শিক্ষাইহে দেশৰ যুৱক-যুৱতীক সুযোগ প্ৰদান কৰিব। আমি উন্নত দেশবোৰৰ দৰে শিক্ষাতকৈ শিক্ষাৰ প্ৰয়োগক অত্যন্ত গুৰুত্ব আৰোপ কৰিব লাগিব বুলি প্ৰফেছৰ পভনেশ কুমাৰে ভাষণ প্ৰসংগত উল্লেখ কৰে। বিশ্বৰ উন্নত দেশবোৰৰ নতুন নতুন প্ৰযুক্তিৰ লগত আমাৰ নৱ-প্ৰজন্মই চিনাকি হ'ব লাগিব। যিসকলে বৰ্তমানৰ পৰিৱৰ্তনশীল সমাজৰ লগত নিজকে খোজ মিলাব নোৱাৰে সেইসকল সমাজৰ পৰা অপ্ৰাংগিক হৈ পৰে। সেয়ে সময়ৰ লগত আমি পৰিৱৰ্তন হ'বলৈ শিক্ষিত আৰু জ্ঞানী হ'ব লাগিব বুলি গুৰুত্ব সহকাৰে উল্লেখ কৰে। টংলা মহাবিদ্যালয় সভাকক্ষত অনুষ্ঠিত উক্ত কৰ্মশালাখন সঞ্চালনা কৰে অধ্যক্ষ ড° প্ৰসেন দৈমাৰীয়ে। টংলা মহাবিদ্যালয়ৰ প্ৰফেছৰ ড° কৈলাস গোস্বামীয়ে আদৰণী ভাষণ প্ৰদান কৰা শৈক্ষিক কৰ্মশালাখন শুভ উদ্বোধন কৰে মহাবিদ্যালয়ৰ প্ৰফেছৰ তথা আই কিউ এ চিৰ সমন্বয়ক মিণ্টু পাঠকে। উদ্বোধনী ভাষণত মিণ্টু পাঠকে কয় যে আজিৰ যুৱক-যুৱতীসকলৰ চিন্তা সদায় পৰিৱৰ্তন আৰু অধিকাৰ সম্পৰ্কত হ'ব লাগে। তেতিয়াহে দেশৰ উন্নতিৰ পৰা উন্নতিতৰ প্ৰযুক্তিৰ প্ৰসাৰ লক্ষণীয়। সহকাৰী অধ্যাপক সন্দীপ কুমাৰ ৰয়ে উদ্দেশ্য ব্যাখ্যা কৰা কৰ্মশালাত মহাবিদ্যালয়খনৰ জ্যেষ্ঠ, কনিষ্ঠ অধ্যাপক আৰু পাঁচ শতাধিক শিক্ষাৰ্থী উপস্থিত থাকে।

## মাজুলী জিলা প্ৰশাসনৰ বান আক্ৰান্ত লুইত-খাবলুত সাহায্য বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ২৪ জুন ঃ** মাজুলী জিলা প্ৰশাসনৰ উদ্যোগত লুইত-খাবলু গাঁও পঞ্চায়তৰ অন্তৰ্গত নদী কাষৰীয়া বানাক্ৰান্ত অঞ্চলসমূহত মাজুলী জিলা উপায়ুক্তৰ নেতৃত্বত ২১ আৰু ২২ জুনত বান সাহাৰ্য বিতৰণ কৰাৰ লগতে শিশু খাদ্য বিতৰণ কৰা হয়। কুলামৰা চাপৰি, নগৰ গাঁও, দাম্বুকিয়াল, পাথৰিচুক আৰু লিগিৰামুখ চানগুত সাহায্য বিতৰণ কৰা হয় । সাহায্য বিতৰণ কাৰ্যসূচীত সহকাৰী আয়ুক্ত ভৰত কোঁৱৰ, খণ্ড উন্নয়ন বিষয়া গৌৰাঙ্গ দত্ত আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ প্ৰকল্প বিষয়া দিব্যজ্যোতি শইকীয়াৰ সহযোগত মাজুলী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া জয়দীপ ৰজকে গোটেই প্ৰক্ৰিয়াটোৰ প্ৰত্যক্ষভাৱে তদাৰক কৰে। উক্ত অঞ্চলত ১৮৫৫ টি শিশুৰ মাজত শিশু খাদ্য বিতৰণ কৰা হয় । তাৰ উপৰিও মাজুলীৰ বিভিন্ন বান আক্ৰান্ত স্থান সমূহত স্বাস্থ্য বিভাগৰ দ্বাৰা চিকিৎসা শিবিৰ আৰু পশু চিকিৎসা বিভাগে ম'বাইল টীমৰ জৰিয়তে শালমৰা, কেৰকেৰ চাপৰি, দাম্বুকিয়াল, মানিকাপথাৰ, মোৱামাৰী আদিত পশুধনৰ বাবে শিবিৰ আয়োজন কৰি পশুধনৰ সুৰক্ষাৰ ব্যৱস্থা কৰিছে । জনস্বাস্থ্য কাৰিকৰী বিভাগে খোৱা পানীৰ যোগান অব্যাহত ৰাখিছে। মাজুলী জিলাত বছৰৰ প্ৰথমটো বানত জিলাখনৰ নদী কাষৰীয়া লোকসকল কিছু পৰিমাণে বানৰ কৱলত পৰিছে । অনাগত দিনত মাজুলী জিলা প্ৰশাসনে এনে দুৰ্যোগৰ সময়ত সকলোৰে সহায় সহযোগিতা কামনা কৰিছে।

### গোলাঘাটতো শিশু শ্ৰমিকৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণৰ ৰাজ্যিক মাহ হিচাপে পালন

## শিশু শ্ৰমিকৰ বিৰুদ্ধে ব্যাপক অভিযান

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, গোলাঘাট, ২৪ জুন ঃ** শিশু শ্ৰমিক সম্পৰ্কীয় জিলা কৰ্মবাহিনীয়ে যোৱা ১৮ আৰু ২৩ জুনত গোলাঘাটৰ বিভিন্ন ঠাইত অভিযান চলাই কেইবাটিও শিশু শ্ৰমিকক উদ্ধাৰ কৰিবলৈ সমৰ্থ হয় । জিলা সহকাৰী শ্ৰম আয়ুক্তই প্ৰকাশ কৰা মতে গোলাঘাট নগৰ আৰু ইয়াৰ কাষৰীয়া কেতবোৰ ঠাইত এই অভিযান চলোৱা হৈছিল। অভিযানকালত কৰ্মবাহিনীয়ে ৯ টি শিশু শ্ৰমিকক উদ্ধাৰ কৰি শিশু কল্যান সমিতিৰ হাতত অৰ্পন কৰে আৰু পৰৱৰ্তী সময়ত তেওঁলোকক বোকাখাতত থকা শিশু আশ্ৰয় গৃহলৈ প্ৰেৰণ কৰা হয় । এই সন্দৰ্ভত শিশু তথা কিশোৰসকলক কামত নিয়োগ কৰি শিশু আৰু কিশোৰ শ্ৰমিক আইন উলংঘা কৰা কেইবাজনো নিয়োগকৰ্তাৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে। উল্লেখযোগ্য যে অসম চৰকাৰৰ সমাজ কল্যান বিভাগৰ নিৰ্দেশক্ৰমে ৰাজ্যিক শিশু সুৰক্ষা সমিতি অসমে গোলাঘাট জিলাকে ধৰি ৰাজ্যৰ কেইবাখনো জিলাত পহিলা জুনৰ পৰা ৩০ জুনলৈকে সমগ্ৰ জুন মাহটো শিশু শ্ৰমিকৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণৰ ৰাজ্যিক মাহ হিচাপে পালন কৰিবলৈ নিৰ্দেশ দিছিল । সেই অনুসৰি জিলা পৰ্যায়ত সভা অনুষ্ঠিত কৰি শিশু শ্ৰমিকৰ উদ্ধাৰ আৰু পুনৰ সংস্থাপন প্ৰক্ৰিয়া ব্যাপক ৰূপত সম্পন্ন কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল । লগতে শিশু শ্ৰমিক নিয়োগৰ ঘটনা ৰোধ কৰাৰ বাবে ব্যাপক জন সজাগতা সৃষ্টিত গুৰুত্ব আৰোপ কৰা হয় । স্মৰ্তব্য যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহ, বচপন বছাও আন্দোলন আৰু বিভিন্ন সংস্থাক লৈ সমগ্ৰ দেশজুৰি ৰূপায়ন কৰা শিশু শ্ৰমিকৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণৰ ৰাষ্ট্ৰীয় মাহৰ অংশৰূপে অসমতো এই অভিযান চলোৱা হয়।

## নলবাৰী জিলা উপায়ুক্তক বানাক্ৰান্ত কৃষক ৰাইজৰ বাবে স্মাৰক-পত্ৰ প্ৰদান নলবাৰী কৃষক মুক্তি সংগ্ৰাম সমিতিৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ২৪ জুন ঃ** চলিত মাহত ভালে কেইবাদিনো ধৰি হোৱা নেৰা নেপেৰা বৰষুণ তথা নদীৰ বাঢ়নী পানীৰ বাবে বানপানীৰ সমস্যা সৃষ্টি হৈ নলবাৰী জিলাৰ বিভিন্ন প্ৰান্তৰ বিস্তৰ ক্ষতি সাধন কৰিছে । বানপানীয়ে জিলাখনৰ বিভিন্ন অঞ্চল পবিত কৰি ৰাইজৰ ঘৰ-দুৱাৰ,খেতি-বাতি,পশুধন আদিৰ যথেষ্ট ক্ষতিসাধন কৰাত পৰিলক্ষিত হৈছে । এই বানপানীৰ বাবে ৰাইজে বিভিন্ন ধৰণৰ অসুবিধাৰ সন্মুখীন হোৱাৰ লগতে এতিয়া খেতিয়ক ৰাইজৰ মাজত হাহাকাৰময় অৱস্থা দেখিবলৈ পোৱা গৈছে। যাৰ বাবে আজি নলবাৰীৰ জিলাৰ কৃষক মুক্তি সংগ্ৰাম সমিতিৰ তৰফৰ পৰা কৃষক ৰাইজৰ হিতাৰ্থে নলবাৰী জিলা উপায়ুক্তক এখন স্মাৰক পত্ৰ প্ৰদান কৰে। নলবাৰী কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি ৰৌফ আলী আৰু কাৰ্যকৰী সভাপতি দিলীপ ডেকা স্বাক্ষৰিত এই স্মাৰক পত্ৰ খনত কৃষক ৰাইজৰ হাতত বৰ্তমান অতিৰিক্ত কঠীয়া সঁচ মজুত নাই আৰু পলম কৈ সিঁচিব পৰা উন্নতজাতৰ বীজ সহজতে পাবলৈ নাই বুলি উল্লেখ কৰি এই স্মাৰক-পত্ৰ প্ৰদান কৰা হয় । যাৰ বাবে বানাক্ৰান্ত কৃষক ৰাইজৰ মাজত বিনামূলীয়া ধানৰ কঠীয়াৰ সঁচ বিতৰণ কৰাৰ দাবী উত্থাপন কৰি কৃষক মুক্তি সংগ্ৰাম সমিতি নলবাৰী জিলা সমিতিয়ে নলবাৰী জিলা উপায়ুক্ত গীতিমণি ফুকনক এই স্মাৰক-পত্ৰ প্ৰদান কৰে।



### নলবাৰীৰ বালিতাৰাত ডি আই বাহন চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ২৪ জুন ঃ** নলবাৰী জিলাৰ অন্তৰ্গত বালিতাৰা গাঁৱৰ পৰা এখন সদ্য ক্ৰয় কৰা বাহন চুৰি হোৱা ঘটনাই তীব্ৰ চাঞ্চল্য সৃষ্টি কৰি অঞ্চলবাসীৰ মাজত। ঘটনাৰ বিৱৰণী অনুসৰি নলবাৰী জিলাৰ অন্তৰ্গত মহিনা গাঁওৰ বিদ্যুৎ বৈশ্যই মাত্ৰ কেইমাহ মান আগতে ক্ৰয় কৰা AS 14 AC 1699 নম্বৰৰ মালবাহী ডি আই বাহনখন, বাহনখনৰ চালক বালিতাৰাৰ ধ্ৰুৱ হালৈৰ ঘৰৰ পৰা যোৱা নিশা কোনোবা দুৰ্বৃত্তই চুৰ কৰি লৈ যায়।খবৰ পোৱা অনুসৰি পুৱতি নিশা ২.৩৫ বজাত বাইহাটা চাৰিআলিৰ মদনপুৰ টোলগেট অতিক্ৰম কৰি প্ৰায় এঘণ্টাৰ পিছত সোণাপুৰ টোলগেট অতিক্ৰম কৰাৰ তথ্য ফাষ্টটেগৰ জৰিয়তে কৰ কৰ্তনৰ তথ্য গাড়ীখনৰ গৰাকী বিদ্যুৎ বৈশ্যৰ মোবাইলত গম পোৱা গৈছে। সোণাপুৰৰ পিছৰে পৰা এতিয়ালৈকে গাড়ীখনৰ কোনো শুংসূত্ৰ বিচাৰি পোৱা নাই। ইতিমধ্যেই গাড়ীখনৰ গৰাকী বিদ্যুৎ বৈশ্যই ঘটনা সন্দৰ্ভত ঘগ্ৰাপাৰ আৰক্ষী থানাত এজাহাৰ দাখিল কৰিছে।

## হাজোত বানপীড়িত অঞ্চলৰ দুৰ্গতক উদ্ধাৰৰ বাবে নাওৰ ব্যৱস্থা গ্ৰহণ বিধায়িকা সুমন হৰিপ্ৰীয়াৰ

### মৃতকৰ বাসগৃহত উপস্থিত হৈ সমবেদনা জ্ঞাপন বিধায়িকাৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো; ২৪ জুন ঃ** হাজোৰ বান পৰিস্থিতি কিছু অঞ্চলত কিছু উন্নত হৈছে যদিওঁ কেতবোৰ স্থানত এতিয়াও পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে । বহু লোকে সুৰক্ষিত স্থানত অৱস্থান কৰিব নোৱাৰাত দুৰ্বিষহ জীৱন অতিবাহিত কৰিবলগীয়া হৈছে। পানীৰ মাজতেই কক্‌বকাই বিনিদ্ৰৰজনী অতিবাহিত কৰা সেইসকল বানাক্ৰান্ত লোকক উদ্ধাৰৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে বিধায়িকা সুমন হৰিপ্ৰীয়াই। বিশেষকৈ মনাহকুছি, ভোমাৰবড়ি, কুলহাটী, কঞা আদি ভিন্ন প্ৰান্তত দুৰ্গত লোকসকলক উদ্ধাৰৰ বাবে নাওৰ ব্যৱস্থা গ্ৰহণ কৰি সকাহ দিয়াৰ পদক্ষেপ লৈছে বিধায়িকাই । প্ৰতিটো দিনেই বিধায়িকা সুমন হৰিপ্ৰীয়াই আৰ্তজনৰ কাষত থিয় হৈ ভিন্ন প্ৰকাৰে সহায়-সহযোগ আগবঢ়োৱাত সচেতন মহলে বিধায়িকাগৰাকীক শলাগ লোৱা পৰিলক্ষিত হৈছে। আনহাতে, বিধায়িকাগৰাকীৰ একক প্ৰচেষ্টাতো বানপীড়িতসকলক খাদ্য সামগ্ৰী বিতৰণ কৰি এক মহানুভৱতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে। সমান্তৰালভাৱে হাজো সমষ্টিৰ বালিসত্ৰত কাল বিধ্বংসী বানত কিছুদিন আগত প্ৰাণ হেৰুওৱা প্ৰয়াত জ্যোতিপ্ৰসাদ কলিতাৰ বাসগৃহত আজি বিধায়িকা সুমন হৰিপ্ৰীয়া উপস্থিত হৈ পৰিয়ালৰ লগত শোকাবিহ্বল হৈ পৰে । লগতে মৰ্মান্তিক ঘটনাত গভীৰ দুখ প্ৰকাশ কৰাৰ লগতে বিদেহ আত্মাৰ সদগতি কামনা কৰে বিধায়িকাগৰাকীয়ে।

## বৰডুমচাৰ কঁঠালগুৰি আৰু মিহলিৰিতুত নিচাজাতীয় সামগ্ৰীসহ দুজন ব্যক্তিক আটক

**দৈনন্দিন বাৰ্তাৰ সেৱা, ফিল'বাৰী, ২৪ জুন ঃ** তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিং মৌজাত অব্যাহত আছে নিচাজাতীয় দ্ৰব্যৰ বিৰুদ্ধে আৰক্ষীৰ তীব্ৰ অভিযান। বৰডুমছা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিতু চাংমাই আৰু পেঙেৰী আৰক্ষী থানাৰ চি আই মনোৰঞ্জন শইকীয়াৰ যুটীয়া অভিযানত ড্ৰাগ্‌ছ আৰু কেতবোৰ আপত্তিজনক সামগ্ৰীসহ তিনিচুকীয়া জিলাৰ বৰডুমচা থানাৰ অন্তৰ্গত মিহলি ৰিতু গাঁৱৰ পৰা ৰমেন হাজৰিকাৰ পত্নী কানি, ড্ৰাগ্‌ছ মাফিয়া ৰঞ্জু হাজৰিকা (৪৩) আৰু কঁঠালগুৰি গাঁৱৰ পৰা নাগেশ্বৰ দহোটীয়াৰ পুত্ৰ দেৰেন দহোটীয়াক (৪৫) কৰায়ত্ত কৰাৰ বাতৰি পোৱা গৈছে । জানিব পৰা মতে আটকাধীন কানি আৰু ড্ৰাগ্‌ছ মাফিয়া দুগৰাকীৰ জিম্মাৰ পৰা ২৬০ গ্ৰাম ফিতা কানি, ৬ গ্ৰাম ড্ৰাগ্‌ছ, নগদ ৬২০০ টকা লগতে ৩ টা ড্ৰাগ্‌ছ ভৰোৱা পাত্ৰসহ ৪টা ইঞ্চুলিন জব্দ কৰা হৈছে। জানিব পৰা মতে দুয়োগৰাকী ব্যক্তিয়ে বহু দিনৰ পৰা এই ৰমৰমীয়া ব্যৱসায় চলাই আহিছিল । দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি অৱহেলা নকৰি বিগত সময়তো বৰডুমছা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া নিতু চাংমাইৰ সমাজ শুধৰণি কৰাৰ ক্ষেত্ৰত যি পদক্ষেপ লৈ আহিছে তাকে লৈ অঞ্চলটোৰ সচেতন মহলে শলাগ লৈছে।



### দৰঙত বানাক্ৰান্তক প্ৰৱঞ্চনা, বানাক্ৰান্তক অব্যৱহাৰযোগ্য কটা তিৰ্পাল বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, আন্ধেৰীঘাট, ২৪ জুন ঃ** জিলাখনত বানাক্ৰান্তৰ মাজত অনুপযুক্ত খাদ্য-সামগ্ৰী বিতৰণৰ প্ৰতিক্ৰিয়া মাৰ নাযাওঁতেই পুনৰ সাহায্য বিতৰণত সংঘটিত হৈছে অনিয়ম। এই গুৰুতৰ অভিযোগ উত্থাপিত হৈছে পাথৰিঘাট ৰাজহ চক্ৰৰ অন্তৰ্গত তিতকুছি গাঁৱত। অভিযোগ অনুসৰি কালি তিতকুছি গাঁৱত বানাক্ৰান্তৰ প্ৰায় ৬৫ ঘৰলৈ গাঁও প্ৰধান দিলীপ নাথৰ তত্ত্বাৱধানত তিৰ্পালসমূহ বিতৰণ কৰা হয়। তাৎপৰ্যপূৰ্ণ কথা যে তিৰপালসমূহ মুঠেই ব্যৱহাৰযোগ্য নহয় আৰু কাটি কাটি তিৰপাল সমূহ বিতৰণ কৰা হৈছে। মুঠতে জোৰা-টাপলি মাৰি চৰকাৰে সাহায্য বিতৰণত বানাক্ৰান্তক আভুৱা-ভাঁৰি প্ৰৱঞ্চনা কৰাত ক্ষুব্ধ হৈ পৰিছে অঞ্চলবাসী ৰাইজ।

### যোৰহাটৰ শিক্ষানুষ্ঠানসমূহত একুৱা ফিল্টাৰ প্ৰতিষ্ঠা-প্ৰয়োগ সম্পৰ্কীয় প্ৰশিক্ষণ সম্পন্ন

## চৰকাৰী ব্যৱস্থাৰ প্ৰতি অনীহা দূৰ কৰিব লাগিব ঃ উপায়ুক্ত অশোক কুমাৰ বৰ্মন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ২৪ জুন ঃ** চৰকাৰী ব্যৱস্থাসমূহৰ প্ৰতি বহুতৰে অনীহা হৈছে যদিও নিযুক্তিৰ প্ৰতি আগ্ৰহ বাঢ়িছে। এই মানসিকতাৰ সলনি কৰিব লাগিব চৰকাৰী কৰ্মচাৰীসকলে। চৰকাৰী শিক্ষানুষ্ঠানৰ প্ৰতি ৰাইজৰ আগ্ৰহ বৃদ্ধি কৰাৰ দায়িত্বও শিক্ষক-শিক্ষয়িত্ৰীসকলৰে। ইয়াৰ বাবে শিক্ষক-শিক্ষয়িত্ৰীসকলে কষ্ট, ত্যাগ, সময়ানুবৰ্তিতা, নিষ্ঠাৰে-সততাৰে কৰ্তব্য পালন কৰিব লাগিব। পানীয়েই প্ৰাণীৰ প্ৰাণ। দেশৰ অন্য ৰাজ্যৰ তুলনাত পৰ্য্যাপ্ত পৰিমাণে অসমত পানী পোৱা যায়। কিন্তু অসমত যি হাৰত পানীৰ অপব্যয় কৰা হৈছে সি এক ভৱিষ্যতৰ বাবে অশনি সংকেত। ৰাজ্যত বসবাস কৰা চৰকাৰী চাকৰী বিহীন লোকসকল অৰ্থনৈতিক সংকটত ভোগিছে। ৰাগীয়াল দব্য ব্যৱহাৰ কাৰীৰ সংখ্যা ক্ৰমাৎ বৃদ্ধি পাই ছে।অৰ্থনৈতিক সংকট দূৰীকৰণৰ বাবে কৰ্ম সংস্কৃতিৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰিবলৈ আৰু নৱ প্ৰজন্মক ৰাগীয়াল দ্ৰব্য ব্যৱহাৰৰ পৰা বিৰত ৰখাৰ উদ্যোগ ল'বলৈ আমিয়েই চেষ্টা কৰিব লাগিব।তাৰ বাবে প্ৰত্যেকগৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়েই এই ক্ষেত্ৰত নিজস্ব ভাৱে উদ্যোগ লোৱাৰ সময় সমাগত। জনস্বাস্থ্য কাৰিকৰী বিভাগ, যোৰহাটে পাৰেটৰ সভাগৃহত ২৩ জুনত অনুষ্ঠিত কৰা জিলাখনৰ শিক্ষানুষ্ঠানসমূহত একুৱা ফিল্টাৰ প্ৰতিষ্ঠা,প্ৰয়োগ আদি সম্পৰ্কীয় প্ৰশিক্ষণত এনেদৰে কয় যোৰহাট জিলাৰ উপায়ুক্ত অশোক কুমাৰ বৰ্মনে। জলজীৱন মিছনৰ অধিনত বিভাগে জিলাখনৰ প্ৰতিখন শিক্ষানুষ্ঠানৰ গৰম বন্ধত জুলাই মাহত একুৱা ফিল্টাৰ (ভেচেল) প্ৰতিষ্ঠা কৰাৰ পৰিকল্পনা কৰিছে। বিভাগৰ কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মাই আঁচনিখনৰ ব্যাখ্যা কৰি বিগত দুমাহত জিলাখনৰ ৩৫ খন বিদ্যালয় পৰিদৰ্শন কৰি লাভ কৰা অভিজ্ঞতা বাখ্যা কৰে। গুনোৎসৱৰ বাবে শিক্ষানুষ্ঠানলৈ পানী পৰীক্ষা কৰিবলৈ আনোতে প্ৰতিখন শিক্ষানুষ্ঠানত সেৱন কৰাই থকা পানী নিৰাপদ যে নহয় সেয়াও প্ৰমাণিত হোৱা বুলি ভাষনত উল্লেখ কৰে।এগৰাকী ব্যক্তিৰ বাবে প্ৰতি দিনে ৫৫ লিটাৰ পানীৰ প্ৰয়োজন , তাৰে খোৱাপানী হিচাবে ৫ লিটাৰকৈ পাব লাগে। কিন্তু শিক্ষানুষ্ঠানতে হওক বা অন্যান্য স্থানতো পানী অপব্যয় কৰা দৃষ্টিগোচৰ হৈছে। জিলাখনৰ শিক্ষানুষ্ঠানসমূহৰ পৰিদৰ্শক ড''ৰ শুভলক্ষী ৰাজকুমাৰীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকল আৰু শিক্ষা বিভাগৰ কৰ্মচাৰী সকলৰ কৰ্মত যথেষ্ট ত্ৰুটি আছে বুলি উল্লেখ কৰি ইয়াৰ নিৰাময়ৰ বাবে এটা দল শিক্ষানুষ্ঠানসমূহলৈ সমাধানৰ বাবে পঠিওৱাৰ ব্যৱস্থা কৰা হ'ব বুলি কয়।জগন্নাথ অগ্নিবৰাই আঁত ধৰা প্ৰশিক্ষণত প্ৰাথমিকৰ পৰা উচ্চতৰ মাধ্যমিকলৈকে ৩০০ খন শিক্ষানুষ্ঠানৰ প্ৰধানে অংশগ্ৰহণ কৰে। জিলাখনত ১৪০০ খনৰো অধিক শিক্ষানুষ্ঠানৰ লগতে অঙ্গনৱাড়ী কেন্দ্ৰ আছে। প্ৰত্যেকখনতে একুৱা ফিল্টাৰ জনস্বাস্থ্য কাৰিকৰী বিভাগে প্ৰতিষ্ঠা কৰিবলৈ পৰিকল্পনা কৰিছে আৰু পৰ্যায়ক্ৰমে প্ৰধানসকলক প্ৰশিক্ষণ দিয়াৰ আঁচনি গ্ৰহণ কৰিছে। ৰাজ্যত এনে প্ৰশিক্ষণ যোৰহাট জিলাতে প্ৰথম আৰম্ভ কৰা হৈছে বুলি কাৰ্যবাহী অভিযন্তা ভাস্কৰ শৰ্মাই ভাষণত উল্লেখ কৰে। সহকাৰী কাৰ্যবাহী অভিযন্তা দীপাংকৰ বৰা, একুৱা ছলিউচন কোম্পানীৰ বিষয়া সুজয় গাংগোলী আৰু কৰ্মচাৰীসকলে ভেছেল ফিল্টাৰ শিক্ষানুষ্ঠানসমূহত প্ৰতিষ্ঠা, প্ৰয়োগ, মেৰামতি, ম্যাদ আদিৰ সম্পৰ্কে পুংখানুপুংখভাৱে বুজাই দিয়ে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰা প্ৰতিখন শিক্ষানুষ্ঠানতে একোটাকৈ একুৱা ফিল্টাৰ জুলাই মাহতে প্ৰতিষ্ঠা কৰিব আৰু পৰিচালনা সমিতি, শিক্ষক-শিক্ষয়িত্ৰীৰ সহযোগিতা বিভাগৰ বিষয়াসকলে কামনা কৰে।

### জামুগুৰিহাটত দক্ষিণপাট সত্ৰৰ বৰ মেধি যতীন্দ্ৰ ভাগৱতীৰ ওপজা দিন পালন

## শৰাই-চেলেং-জাতীয় বস্ত্ৰ গামোচাৰে সম্বৰ্ধনা ভাগৱতীক

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২৪ জুন ঃ** অৱসৰপ্ৰাপ্ত কৃতি শিক্ষক,বিভিন্ন সমাজসেৱাৰ কামত আত্মনিয়োগ কৰি সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ পৰা ৰাজহুৱা সন্মান আৰু অসম মইনা পাৰিজাতৰ পৰা 'শিশু বন্ধু' উপাধি লাভ কৰা জামুগুৰিহাটৰ বৰভগীয়া গাঁৱৰ যতীন্দ্ৰ ভাগৱতীৰ ৮৬সংখ্যক জন্ম দিৱস উপলক্ষে কালি তেখেতক সম্বৰ্ধনা জনাই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে। ভাগৱতীৰ বাসগৃহতেই কালি শ্ৰীশ্ৰীদক্ষিণপাট সত্ৰ, নদুৱাৰ খণ্ডই দক্ষিণপাট সত্ৰৰ বৰ মেধি, সাহিত্যিক, ধৰ্মপ্ৰাণ যতীন্দ্ৰ ভাগৱতীক ওপজা দিন উপলক্ষে সম্বৰ্দ্ধনা জনাই। সত্ৰখনৰ মেধী শৰত বৰৱাই আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত বন্তি প্ৰজ্বলন কৰে সুৰেন শইকীয়াই। শৰত বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰাৰ পিছতেই শৰাই, চেলেং আৰু জাতীয় বস্ত্ৰ গামোচাৰে প্ৰবীন ভূঞা আৰু ৰজনী ডেকাই ভাগৱতীক সম্বৰ্ধনা জনাই তেখেতৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰি প্ৰাৰ্থনা জনায় উপস্থিত সকলোৱে। ইফালে ৮৬ সংখ্যক ওপজা দিনটোত এইদৰে সকলো উপস্থিত হৈ ভাগৱতীক সম্বৰ্ধনা জনাই মৰম যচাত ভৱিষ্যৎ দিনত সাহিত্যৰ জগতখনৰ লগতে দায়িত্ব লাভ কৰা দিশসমূহত কাম কৰি যোৱাৰ দিশত প্ৰেৰণা লাভ কৰে বুলিও উল্লেখ কৰে যতীন্দ্ৰ ভাগৱতীয়ে।



### ডিব্ৰুগড়ত ৰে'লৰ ইঞ্জিনৰ আগত পৰি এজনৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৪ জুন ঃ** আজি বিয়লি ডিব্ৰুগড় নতুন নিৰ্মালি গাঁৱত ৰে'ল ইঞ্জিনৰ আগত পৰি এজন লোকৰ মৃত্যু হয়। মৃত লোকজন ডিব্ৰুগড় চহৰৰ নতুন নিৰ্মালি গাঁৱৰ তুলেশ্বৰ গগৈ (৬১) বুলি চিনাক্ত কৰিছে। বাণীপুৰ ৰে'ল ষ্টেচনৰ পৰা ধমলগাঁও ৰে'ল ষ্টেচনলৈ যোৱা ৰে'ল ইঞ্জিনৰ আগত দুৰ্ভাগ্যবশতঃ পৰি মৃত্যু হয় লোকজনৰ। আৰক্ষী উপস্থিত হৈ লোকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা বাবে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালতলৈ প্ৰেৰণ কৰে।

■ কুলী, বঙালী, চাহ জাতি, নিমখ খোৱা জাতি, আনকি বহিঃৰাজ্যৰ পৰা চালানীকৃত অসভ্য জনগোষ্ঠীৰূপে অভিহিত কৰিব খোজে অসমৰ বহুসংখ্যক লোকে। অসমত আদিবাসীসকলক স্থান দিবলৈ বৰ্তমানেও কুণ্ঠাবোধ কৰে অসমৰ বুদ্ধিজীৱীসকলে। ইয়াৰ জ্বলন্ত উদাহৰণ হয়তো অসমৰ আদিবাসীসকলে নিশ্চয়কৈ অনুধাৱন কৰে...

# আদিবাসী সাহিত্যৰ এক চমু অৱলোকন

■ ৰমেশ চন্দ্ৰ চৰেণ



সাম্প্ৰতিক সময়ছোৱাত জনগোষ্ঠীয় উত্তৰণ সাহিত্যৰ অবিহনে সম্ভৱপৰ নহয়। সাহিত্যই জনগোষ্ঠীৰ ধাৰক আৰু বাহক। কলা-কৃষ্টি, সংস্কৃতিকে ধৰি সম্পূৰ্ণ জাতীয় সত্তাক সাহিত্যই নিজস্ব স্বকীয়তাৰে পৰিচয় দি আহিছে। সাহিত্যৰ মানৰ ওপৰতে জাতিৰ উন্নয়নৰ মান নিৰূপিত হয়। সাহিত্য ইতিহাসত পৰিণত হ'ব ধৰা এই বাৰ্তাই বহন কৰি আহিছে। বৰ্তমানৰ সন্ধিক্ষণত সাহিত্যৰ তুলাচনীত আদিবাসীসকলৰ সাহিত্য নিৰূপিত কৰিবলৈ গ'লে বহু প্ৰশ্নই দোলা দি থাকে। আজিও বৰ অসমত আদিবাসী লোকসকল চিৰ অৱহেলিত। কুলি, বঙালী, চাহ জাতি, নিমখ খোৱা জাতি, আনকি বহিঃৰাজ্যৰ পৰা চালানীকৃত অসভ্য জনগোষ্ঠীৰূপে অভিহিত কৰিব খোজে অসমৰ বহুসংখ্যক লোকে। অসমত আদিবাসীসকলক স্থান দিবলৈ বৰ্তমানেও কুণ্ঠাবোধ কৰে অসমৰ বুদ্ধিজীৱীসকলে। ইয়াৰ জ্বলন্ত উদাহৰণ হয়তো অসমৰ আদিবাসীসকলে নিশ্চয়কৈ অনুধাৱন কৰে। অসমৰ সাহিত্যৰ ক্ষেত্ৰতো চালানীকৃত কুলি, বঙালী লগতে হীনাত্মক বহু উপমাৰে বিভূষিত কৰি আহিছে। এই অপৰিৱৰ্তনীয় উপমাৰ কেতিয়া অৱসান ঘটিব। উল্লেখ্য, কলা-কৃষ্টি, সংস্কৃতিকো চাহৰ লগত তুলনা কৰি জনগোষ্ঠীটোৰ মাপকাঠিক সীমিত কৰি তুলিছে। সাহিত্য সাধনাৰ ক্ষেত্ৰতো আদিবাসী সাহিত্যিকসকলেও বাৰেবৰণীয়া বৈশিষ্ট্যপূৰ্ণ কলা-সংস্কৃতিক প্ৰতিফলিত কৰিব পৰাকৈ উপস্থাপন কৰাত সক্ষম হোৱা নাই। সীমিত বিষয়বস্তুকে উপস্থাপন কৰি প্ৰকৃত তথ্যক গাপ দিয়া পৰিলক্ষিত হয়। অসমৰ জনগাঁথনিত আদিবাসীসকলৰ মাজত প্ৰায় ৯৭টাকৈ অধিক জাতি-জনগোষ্ঠীয়ে প্ৰতিনিধিত্ব কৰি আহিছে। এই জনগোষ্ঠীসমূহৰ সম্পূৰ্ণ জাতীয় স্বকীয়তা থকাৰ পাছতো বহু বিষয়বস্তু তথা তথ্য স্থান নাপালে জনগোষ্ঠীয় সাহিত্যত। ভাৰতৰ সংবিধানত নিজা নিজা জাতীয় অস্তিত্ব, পৰম্পৰা, ভাষা, কলা-কৃষ্টি, সংস্কৃতি অক্ষুণ্ণ ৰখাৰ উপৰি সংৰক্ষণ কৰাৰ কথাও উল্লেখ কৰিছে। অসমৰ আদিবাসী ঐতিহ্যমণ্ডিত বৈশিষ্ট্যক ধাৰক-বাহকৰূপে নিজা পৰিচয় দি অহাৰ লগতে অসমীয়া হিচাপেও চিনাকি দি আহিছে। তৎসত্ত্বেও সাম্প্ৰতিক পৰিস্থিতিত অৱহেলিত হ'ব লগা হৈছে অসমৰ বৃহত্তম আদিবাসীসকল। মূলতঃ এই জনগোষ্ঠীয়ে দুটা দিশ উন্মোচিত কৰিব খোজে। প্ৰথমতে শ্ৰেণীবদ্ধতাৰ ভিত্তিত আদিবাসীৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠীয় তথ্য। দ্বিতীয়তে অসমৰ ভূখণ্ডত সত্তা বহন কৰা প্ৰাকৃতিক বাতাবৰণ জলবায়ু অনুকূলৰ স্বতঃস্ফূৰ্ত ঋতুভেদে ঘটা জীৱন পৰিক্ৰমাৰ বৈশিষ্ট্যপূৰ্ণ আচৰণসিদ্ধ জনজাতীয় সত্তা। এই সত্তাক সুস্পষ্ট ৰূপত প্ৰতিপন্ন কৰিছে অসমৰ বৃহত্তম আদিবাসী লোকে। মূলতঃ অসমৰ ভৌগোলিক পৰিৱেশত প্ৰকৃতিৰ সৈতে জনজাতীয়সকলৰ লগত সাদৃশ্য থকা চাৰিত্ৰিক দিশ, বৈশিষ্ট্য, আন্তঃগাঁথনি আৰু ভূ-ভাগৰ অচাক্ষুস অন্তৰ্বৰ্তীয় প্ৰাকৃতিক আকৰ্ষণে ক্ৰিয়া কৰে অসমৰ আদিবাসী জনগোষ্ঠীসকলক। ব'হাগ বিহু পালন কৰাৰ দৰে বৃহত্তম আদিবাসী জনগোষ্ঠীয়ে কৰম উৎসৱত কৃষি সম্বন্ধীয় জৈৱ সমাহাৰে সৃষ্টিৰ তাত্ত্বিকতা নিহিত থকা লক্ষণীয়ভাৱে প্ৰস্ফুটিত হৈ পৰে। সু-সাহিত্যিক প্ৰয়াত দেউৰাম তাছাৰ ৰচনা কৰা এফাঁকি গানেৰে ইয়াৰ জাতিসত্তা নিহিত হৈ আছে। 'আসাম দেশেৰ বৈশাখ বিহু, কৰম পূজাৰ সমানেৰে সৃষ্টিৰ কথা আছে গাথা, দুনুতে সমানৰে।'

ইয়েই অসমৰ সাহিত্য-সংস্কৃতি আৰু আদিবাসী জনগোষ্ঠীৰ জীৱন পৰিক্ৰমাৰ এক জীৱন্ত দলিল। আদিবাসী মূলৰ অন্তৰ্গত ওৰাং, মুণ্ডা, চাওতাল কোল, ভীল, খাড়িয়াকে আদি কৰি বিভিন্ন সম্প্ৰদায়ে প্ৰকৃতিৰ ঋতুৰ লগত প্ৰতি মুহূৰ্তত এক অদৃশ্য অনুভৱৰ বহু কথাই ৰিঙিয়াই যায়। স্বাধীনতা যুদ্ধৰ সূচনা কৰা চাওতাল বিদ্ৰোহে ভাৰতৰ বিভিন্ন প্ৰান্তত চাওতালসকলে বসতি কৰা চাওতাল অধ্যুষিত এলেকাসমূহত আন্দোলনে প্ৰৱলভাৱে গা কৰি উঠিছিল। ধনু-কাঁড়েৰেই সোতৰবাৰ যুদ্ধ কৰিবলৈ সক্ষম হৈছিল চাওতালসকলে। অৱশেষত ব্ৰিটিছৰ কুট-কৌশলী নীতিৰ বাবে শ্বহীদ হ'ব লগা হৈছিল সিধু মুৰ্মু, কানহু মুৰ্মু। উল্লেখ্য, চাওতালসকলৰ স্বাধীনতাৰ এই বিদ্ৰোহ দমন কৰিবৰ বাবেই নিকটৱৰ্তী ৰাজ্য অসমৰ কোকোৰাঝাৰ, বঙাইগাঁও, গোসাঁইগাঁও, ওদালগুৰি, লখিমপুৰ জিলাৰ বিভিন্ন অঞ্চলত থিতাপি দিয়া হৈছিল। অসংগঠিত কৰি ৰাখিবৰ বাবেই অসমৰ চুকে-কোণে, পাহাৰে-ভৈয়ামে থাকিবলৈ দিয়া হৈছিল। পৰৱৰ্তী সময়ত এই জনগোষ্ঠীয়ে গা কৰি উঠিব নোৱাৰিলে। অৱশ্যে ইয়াৰ পূৰ্বেও চাওতালসকল খ্ৰীঃ পূঃ ২০৫০ বছৰ মানৰ আগৰে পৰা পৰা অসমত বসবাস কৰাৰ ইতিহাসে স্বাক্ষৰ বহন কৰিছে। এনেদৰেই অসমত বৃহত্তম জনগোষ্ঠীটোৱে থিতাপি লৈছিল। জনজাতীয় তথা কৃষি মূলৰ চাওতাল, মুণ্ডা, ওৰাং, খাড়িয়া, কোল, ভীলকে ধৰি বহুকেইটা জনগোষ্ঠী সাহিত্য চৰ্চা, ইতিহাসবিজড়িত পৰিক্ৰমা অসমৰ মূল সত্তাত বিলিন হৈছিল। কিন্তু সময়ত পৰিকল্পিতভাৱেই এই জনগোষ্ঠীসমূহক আঁতৰাই ৰখা হ'ল। সাম্প্ৰতিক খিলঞ্জীয়াৰ শাৰীত আইনসংগতভাৱে মৰ্যাদা দিলেও আৰ্থ-সামাজিক, ৰাজনৈতিকভাৱে শক্তিহীন কৰাৰ প্ৰৱণতাই জনগোষ্ঠীটোৰ উন্নতিৰ হেঙাৰৰূপে থিয় দিছে। অসমৰ মূল সুঁতিত কুলী, বঙালী, চাহ জাতি, চাহকোষ আদি বিভিন্ন অপমানসূচক শব্দ যিমানেই উচ্চাৰিত হ'ব সিমানেই আদিবাসী লোকসকল উন্নয়নৰ বহু যোজন আঁতৰি থাকিব। ৰাজনৈতিক দৃষ্টিকোণেৰে আদিবাসীসকলক সাংবিধানিক অধিকাৰৰ পৰা বঞ্চিত কৰি ৰখাৰ এক কৌশলী নীতিয়ে অৱলম্বন কৰি আহিছে ৰজাঘৰীয়াসকলে। আদিবাসী জনগোষ্ঠীৰ সাহিত্যক ঠেক গণ্ডীৰ মাজত ৰাখি অসমীয়া সাহিত্যই কেতিয়াও বিকাশশীলতাৰ পূৰ্ণতা নাপায়। সাহিত্য বিকাশৰ মাধ্যম মুখ্যতঃ জনগোষ্ঠীসমূহৰ স্বকীয়তাক উপস্থাপন কৰি জনমত গঠন কৰা। সুস্থ-সৰল জনগোষ্ঠীয় স্বকীয়তাই জনজাতিকৰণৰ ক্ষেত্ৰত বহু বিষয়ে উন্মোচিত কৰিব পৰা যায়। আদিবাসীৰ অন্তৰ্গত বিভিন্ন জনগোষ্ঠীয় সত্তাই অসমৰ সাহিত্যৰ ভাণ্ডাৰ চহকী কৰাৰ থল আছে। ঠেক গণ্ডীৰ মাজেৰে ইয়াৰ পূৰ্ণতা পৰিপূৰণ কৰিব নোৱাৰি। সেয়েহে পূৰ্ণ প্ৰাপ্তিৰ দিশে অসমৰ সাহিত্য প্ৰেমীসকলে আগবাঢ়ি যোৱাটো অতিকৈ প্ৰয়োজনীয় দিশ। গৱেষক, সাহিত্যিক প্ৰয়াত দেউৰাম তাছা, গণেশ চন্দ্ৰ কুৰ্মীকে ধৰি বহুকেইগৰাকী দূৰদৰ্শী আৰু সূক্ষ্মভাৱে বিশ্লেষণ কৰিব পৰা স্বনামধন্য সাহিত্যিকে সাহিত্য সাধনা কৰি বলিষ্ঠ সমাজ এখন গঠন কৰাত মুখ্য ভূমিকা পালন কৰিছিল। সাহিত্যৰ বিপ্লৱ অনাৰ প্ৰয়াস কৰিছিল। বৰ্তমান যোৰহাট মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱব্ৰত শৰ্মা, বিশিষ্ট সাহিত্যিক সঞ্জয় কুমাৰ তাঁতী, ড° কমল কুমাৰ তাঁতী, কিৰণ কুমাৰ তাঁতীকে ধৰি বহু কেইগৰাকী সাহিত্যিকে আদিবাসীৰ সাহিত্যৰ ভঁৰাল চহকী কৰিবৰ বাবে আহোপুৰুষাৰ্থ চেষ্টা চলাই আহিছে। তেখেতসৰৰ আহোপুৰুষাৰ্থক সন্মান জনাই আৰু আদিবাসী সাহিত্যৰ পুৰোধা পুৰুষৰ আদৰ্শক অনুসৰণ কৰি অসমৰ সাহিত্য-সংস্কৃতিৰ ভঁৰাল চহকী কৰিব লাগিব। এইখিনিতে উল্লেখ কৰিব পাৰি যে সাহিত্য সাধনাৰ ক্ষেত্ৰত আদিবাসীসকলে অনিহা প্ৰকাশ কৰা এক পৰম্পৰাত পৰিণত হোৱাৰ উপক্ৰম ঘটিছে। সাহিত্য সাধনাই হ'ল জাতিৰ মেৰুদণ্ডস্বৰূপ। সময়ৰ আহ্বান মৰ্মে আদিবাসী জনগোষ্ঠীৰ সম্পদস্বৰূপ সাহিত্যৰাজিক বিশ্ব দৰবাৰত প্ৰতিষ্ঠিত কৰি নৈতিক অধিকাৰ সাব্যস্ত কৰাৰ প্ৰতিশ্ৰুতিবদ্ধ হওঁ আহক।

*ফোন ঃ ৯৯৫৪৮-৩৪৬৪১, ৯৪৩৫৬-০২৪২৫*

## অন্য এক কাহিনী

■ দিব্যজ্যোতি বৰুৱা

উচ্চ শিক্ষাৰে শিক্ষিত ভৱানী চলিহাই আজিলৈকে চৰকাৰী চাকৰি এটা নাপাই মানসিকভাৱে ভাগি পৰিলেও তেখেতৰ এই দুৰৱস্থা কেতিয়াও আনৰ আগত প্ৰদৰ্শন কৰা নাই। আজিও যেন কোনো ব্যতিক্ৰম হোৱা নাই তেখেতৰ। বাৰাণ্ডাৰ চকীখনত বহি পেপাৰখনৰ পৃষ্ঠাবোৰ ইলুটি-সিলুটি কৰিলেও তেওঁক কিন্তু অন্য কিছুমান চিন্তাইহে ভাৰাক্ৰান্ত কৰি তুলিছে। কথাবোৰ ভাবি থাকোঁতে কথাবোৰ কিমান দূৰ অতিক্ৰম কৰিছিল তেখেতে কোনো উৱা-দিহেই পোৱা নাছিল। কিছু সময়ৰ পাছত নিতাল পৰি থকা পৰিৱেশটোক তল পেলাই এই আৱতৰীয়া সময়ত কাষৰ ঘৰৰ পৰা ভাহি আহিছে জুবিনৰ বিহুগীত—

'বাটি ভৰাই চিৰা খাবি
বাঁহৰ চুঙাৰ দৈ
বাঁহৰ চুঙাৰ দৈ অ'
বাঁহৰ চুঙাৰ দৈ।'

নাই ক'তো শান্তিত থাকিব পৰা নাই তেখেত। এসোপা খং আৰু বিৰক্তিয়ে তেওঁক হেঁচা মাৰি ধৰিলে— 'সিহঁতৰ ইমাননো আনন্দ লাগিছেনে? দেউতাকৰ মৃত্যু হোৱা বছৰচেৰেক পাৰ হোৱা নাই। ইমান সোনকালে তেওঁৰ অস্তিত্ব হেৰাই গ'লনে? কেনেকুৱা মানসিকতা এয়া? 'তেখেতৰ মনত পৰে কেতিয়াবা পৰীক্ষাৰ সময়বোৰত আগতেও সিহঁতে ফুল ভলিউমত গান বজায়। মাক-দেউতাকে সিহঁতৰ ঘৰত আপত্তি কৰিলে দুই-তিনি মাহ তেখেতৰ ঘৰলৈ নহা হয়। বিহুৰে-সংক্ৰান্তিয়ে আকৌ মাতবোল হয়, অসহজ কথাবোৰো তেতিয়া সহজ হৈ পৰে। তেখেতে প্ৰায়েই ভাবে— ইমান নেতিবাচক চিন্তাৰে কেনেকৈ মানুহ ইমান সুখ-বিলাসত মত্ত হ'ব পাৰে, প্ৰাণ খুলি হাঁহিব পাৰে? আনৰ অন্তৰত কুঠাৰাঘাত কৰি শান্তিৰে নিদ্ৰাৰ কোলাত আনন্দ মনেৰে ঢলি পৰিব পাৰে। এয়াও যেন মানুহৰ অলিখিত আদৰ-কায়দা। এওঁলোকক কোনে নীতি শিক্ষা দিব যে 'আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়'।

**সময়ে-অসময়ে—**

কথাবোৰে উক্ দিয়াৰ পৰত বেলিটোৱে সুমথিৰা বৰণ লৈছিল। আজি দিনৰ দিনটো কৰিম কি নকৰিম, খাম কি নাখাম, যাম কি নাযাম কৰি থাকোঁতেই ৰ'দজাক চোতাল পাৰ হৈ পদূলিৰ মুখ পালেগৈ। বাৰাণ্ডাৰ প্লাষ্টিকৰ চকীখনত বহি ফিকা চাহকণত চুমুক দি সি সন্মুখতে থকা টেবুলখনত কাপটো থৈ বিষ বিষ অনুভৱ হৈ থকা কঁকালটো অলপ পোনাই ল'লে। আজি পাঁচ বছৰে তাৰ একেই কাম, একেই পৰিচয়। প্ৰাইভেট স্কুল এখনত সি কৰ্মৰত। বি এড বা ডি এল এড ডিগ্ৰী নথকাৰ বাবেই তাৰ এই দুৰৱস্থা। এতিয়া তাৰ চৰকাৰী চাকৰিৰ বাবে বয়সেও ভাটি দিলে।

সি প্ৰায়েই অনুতপ্ত হয় এনেকৈ- কেতিয়াবা বহু কথাই বৰ সহজ যেন বোধগম্য হয়, কিন্তু এই কথাবোৰেই যেতিয়া সমিধানৰ পথ বিচাৰি নাপায় তেতিয়া কথাবোৰ কথা নহয়, হৈ পৰে এটা দুৰাৰোগ্য ৰোগ। সময়ে-অসময়ে বিচৰণ কৰে বুকুত। হাঁহিময়,আনন্দময় মুখবোৰৰ অন্তৰালতো নিৰ্লিপ্ত হৈ থাকে এই ৰোগ। অথচ কাকো ক'ব নোৱাৰে নিৰ্ভয়ে, নিঃসংকোচে।

কথাবোৰ ভাবি ভাবি সি দুখৰ হুমুনিয়াহ এৰিলে।

এক মিনিটৰ গল্প

## বকুল সৰা চোতালত মেটেকা ফুলাৰ বতৰা

■ অৰুণ গগৈ

আকাশখন যেন খহি ভাগিহে পৰিছে। আজি এসপ্তাহ হ'ল নেৰানেপেৰা বৰষুণ। ৰ'দ ওলোৱাৰ কোনো চিন-মোকাম নাই। কেৱল বৰষুণ, বৰষুণ আৰু বৰষুণ। এই বৰষুণে এইবাৰ আগতীয়া বাৰিষাৰ লগতে বানপানী সৃষ্টি কৰিলে। জেতুকী বুঢ়ীৰ ঘৰতো পানী সোমাই একঁকাল হ'ল। বলধ হাল আৰু ছাগলীজনী নি যেনেতেনে ওখ আলিবাটটোত থৈ আহিলগৈ। ভঁৰালত এমুঠিমান ধান আছিল। নিব নোৱাৰিলে। সোপাকে পানীত তল গ'ল। ঘৰখনত থকা লামলাকটুবিলাকো অতৰ্কিতে অহা বানে উটুৱাই লৈ গ'ল। আজি অত বছৰে জেতুকী বুঢ়ীয়ে প্ৰতিটো বাৰিষাতে নিজকে বানপানীৰ স'তে সহাৱস্থান কৰিবলৈ শিকি লৈছে।

আলিবাটৰ কাষতে চালিখনৰ তলত ৰিলিফৰ পৰা পোৱা চাউল এমুঠিকে বৰষুণত তিতি তিতি ধোঁৱাই ধোঁৱাই জেতুকী বুঢ়ীয়ে বনাবলৈ ধৰিলে। ৰাতি হ'লে পানীৰ লগতে ম'হ, ডাঁহেও আমনি কৰে। পাঁচ বছৰৰ পিছত গাঁও দেখা নেতাবোৰে জেতুকী বুঢ়ীৰ দৰে মানুহৰ দুখবোৰ ক'ত বুজিব। ইলেকচনৰ সময়ত কেৱল ভোট ভিক্ষা কৰিবলৈ আহে। কথাৰ যাদুৰে কেৱল মোহিনী বান মাৰিবহে জানে।

জীৱনৰ অধিকাংশ সময় দৰিদ্ৰতা আৰু বানপানীৰ লগত কটোৱা জেতুকীৰ কেতিয়াবা চৰকাৰখনৰ ওপৰত বহুত খং উঠে। নিজৰ মাজতে নিজকে বকি বকি ক্ষোভ উজাৰে চৰকাৰখনৰ ওপৰত। জেতুকী বুঢ়ীয়ে ভাবি নাপায় ৰিলিফত দিয়া চাউল, দাইল, আটাবিলাকত পোক কিয় ওলায়? পচা, দুৰ্গন্ধ ওলোৱা বস্তুবোৰ কিয় জেতুকীহঁতৰ দৰে বানপীড়িত মানুহক দিয়ে? তেওঁলোকো জানো মানুহ নহয়? তেওঁলোকৰ জানো ভালকৈ এসাঁজ খাবলৈ মন নাযায়? তেওঁলোকৰ জানো জীয়াই থকাৰ অধিকাৰ নাই? তেন্তে কিয় এই অন্যায়? জেতুকী বুঢ়ীয়ে বুজি নাপায় কিয় খৰালি মথাউৰিৰ কাম নকৰি বাৰিষাৰ আগে আগে মথাউৰি নিৰ্মাণৰ কাম আৰম্ভ কৰে? কিয় বাৰিষাহে দলং নিৰ্মাণ কৰে জেতুকী বুঢ়ীহঁতৰ দৰে গাঁও অঞ্চলবোৰত। জেতুকী বুঢ়ীৰ মনত অলেখ প্ৰশ্নৰ উদয় হয়। কিন্তু এইবিলাকৰ উত্তৰ কোনে দিব? কেৱল ভোটৰ সময়ত ভোট বিচাৰি অহা জনপ্ৰতিনিধিজনে কেনেকৈ বুজিব জেতুকী বুঢ়ীৰ মনৰ ভিতৰখন? কেনেকৈ বুজিব পানীৰ তলত কক্‌বকাই থকা সপোনবোৰ? কেনেকৈ বুজিব চকুৰ পচাৰতে উটুৱাই লৈ যোৱা আপোন ঘৰখন ভাগি যোৱাৰ হিয়া ভগা আৰ্তনাদ? কেনেকৈ দিব জেতুকী বুঢ়ীয়ে বকুল সৰা চোতালত মেটেকা ফুলাৰ বতৰা। শুনিবই বা কোনে জেতুকী বুঢ়ীৰ জীয়া দুখৰ কাহিনী, দিবই বা কোনে হৃদয়ৰ মাজত লৈ ফুৰা প্ৰশ্নবোৰৰ উত্তৰ। জেতুকী বুঢ়ীৰ বাবে উত্তৰ বিচাৰি নোপোৱাটো এতিয়া এটা ডাঙৰ প্ৰশ্ন!

*ফোন ঃ ৯৭০৭৩-৯০৫৪০*

■ অংশুমান ভূঞা

## গোমৰ ফাঁক

ৰঞ্জিতা দুৱৰাই ৰক্তিম বৰালৈ ফেচবুকত বন্ধুত্বৰ অনুৰোধটো পঠিয়াই এক মিনিটো ৰ'বলগীয়া নহ'ল। বন্ধুত্বৰ প্ৰস্তাৱ গ্ৰহণৰ সংকেত বাজি উঠিলেই।

দুদিন পাৰ হ'ল। মেছেঞ্জাৰত অহৰহ ৰক্তিম বৰাৰ মেছেজৰ বান। কথাৰ সুৰে ইতিমধ্যে সীমা অতিক্ৰম কৰাৰ ইংগিত দিছে।

ৰঞ্জিতাই নাটকখন সমাপ্ত কৰিব বিচাৰিলে। তাই জানিব বিচৰা কথাবোৰৰ উত্তৰ পাই গ'ল। ৰক্তিম তাইৰ ওচৰত স্পষ্ট হৈ পৰিল। লগে লগে ফেচবুকৰ পৰা নিজৰ একাউণ্টটো আঁতৰাই পেলালে।

ৰঞ্জিতাৰূপী চন্দনা দুৱৰাৰ একাউণ্টৰ পৰাও ৰক্তিম বৰাক আঁতৰাই পেলোৱা হ'ল। চন্দনাই ৰক্তিমৰ সৈতে যোগাযোগৰ সকলো ৰাস্তা বন্ধ কৰি দিলে।

*ফোন ঃ ৬০০২৯-৯৪৯৮০*

২০ জুনৰ পৰা ২৬ জুনলৈ চলি থকা বিশ্ব সংযম সপ্তাহ উপলক্ষে



# প্ৰস্ৰাৱৰ অসংযমতা কি?

চিকিৎসক আৰু ইউৰ'লজিষ্টসকলে মানুহক মূত্ৰাশয় বা অন্ত্ৰ থাকিলে পেছাদাৰী সহায় ল'বলৈ আহ্বান জনাইছে। সমস্যাটো লুকুৱাই ৰখা আৰু আওকাণ কৰাৰ পৰিৱৰ্তে অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। প্ৰস্ৰাৱৰ অসংযম হ'ল প্ৰস্ৰাৱ লিক হোৱা, যিটো আমি নিয়ন্ত্ৰণ কৰিব নোৱাৰো। বৃদ্ধসকলৰ ক্ষেত্ৰত বিশেষকৈ নাৰ্ছিংহোমত এই চিকিৎসাজনিত অৱস্থা সাধাৰণতে দেখা যায়, কিন্তু ই কমবয়সীয়া প্ৰাপ্তবয়স্ক মতা আৰু মাইকী মানুহকো আক্ৰান্ত কৰিব পাৰে। প্ৰস্ৰাৱৰ অসংযমতাই দুয়োটাতে প্ৰভাৱ পেলাব পাৰে ৰোগীৰ স্বাস্থ্য আৰু জীৱনৰ মান।

প্ৰস্ৰাৱৰ অসংযমৰ মূল প্ৰকাৰসমূহ হ'ল মানসিক চাপ, urge প্ৰস্ৰাৱৰ অসংযম, মিশ্ৰিত, অভাৰফ্ল' আৰু... কাৰ্যকৰী। আজিৰ চিকিৎসাৰ উন্নতিৰ সহায়ত চিকিৎসকে সকলো ধৰণৰ যত্ন ল'ব পাৰে প্ৰস্ৰাৱৰ অসংযমতা।

**প্ৰস্ৰাৱৰ অসংযমৰ বাবে বিপজ্জনক কাৰকসমূহ—**

■ প্ৰসৱ বা ৰজোনিবৃত্তিৰ ফলত লিংগসদৃশ মহিলাৰ মানসিক চাপৰ অসংযম হোৱাৰ সম্ভাৱনা বেছি।




■ বয়সৰ লগে লগে পৰিৱৰ্তন হ'লে আপোনাৰ মূত্ৰাশয়ে কিমান ধৰি ৰাখিব পাৰে সেয়া হ্ৰাস পায় আৰু অনিয়ন্ত্ৰিত হোৱাৰ সম্ভাৱনা বৃদ্ধি পায় প্ৰস্ৰাৱ নিৰ্গত কৰা।

■ অতিৰিক্ত ওজন হ'লে আপোনাৰ মূত্ৰাশয় আৰু চাৰিওফালৰ পেশীবোৰৰ ওপৰত চাপ বৃদ্ধি পায়, যাৰ ফলত প্ৰস্ৰাৱ লিক হৈ যোৱা।

■ ধঁপাত সেৱন কৰিলে প্ৰস্ৰাৱৰ অসংযমৰ সম্ভাৱনা বৃদ্ধি পাব পাৰে।

■ পাৰিবাৰিক ইতিহাসত প্ৰস্ৰাৱৰ অসংযম হোৱাৰ সম্ভাৱনা বৃদ্ধি পায়।





**অসংযম কেনেকৈ ধৰা পৰে—** আপোনাৰ চিকিৎসকে আপোনাৰ মূত্ৰাশয় নিয়ন্ত্ৰণৰ সমস্যাৰ কাৰণ বিচাৰিবলৈ কিছুমান সহজ পৰীক্ষা কৰিব পাৰে। উদাহৰণস্বৰূপে, আপুনি থিয় হৈ থকাৰ সময়ত চিকিৎসকে আপোনাক কাহ মাৰিবলৈ ক'ব পাৰে, যাতে আপুনি প্ৰস্ৰাৱ লিক হয় নেকি চাব পাৰে। তেওঁ আপোনাৰ প্ৰস্ৰাৱৰ অসংযমৰ ধৰণ আৰু কাৰণ বিচাৰি উলিয়াবলৈ অধিক পৰীক্ষা নিৰ্ধাৰণ কৰিব পাৰে, য'ত প্ৰস্ৰাৱ বিশ্লেষণো অন্তৰ্ভুক্ত, মূত্ৰাশয়ৰ চাপ পৰীক্ষা, পেড পৰীক্ষা আৰু এক্স-ৰে বা আল্ট্ৰাছাউণ্ড কৰি সঠিক চিকিৎসাৰ বিকল্পৰ ব্যৱস্থা কৰিব পাৰি।

# প্ৰেম হয়তো এনেকুৱাই

## সৃষ্টিৰ মৌ-ৰস

■ এন হক (জান)

বাহিৰত তেতিয়াও কিনকিনিয়া বৰষুণ। দিনটো বৰষুণত তিতি-বুৰিয়ে ৰাস্তাৰ কাম কৰি সন্ধিয়া সময়ত যিখিনি পইচা পাইছে তাৰে ঘৰৰ বাবে দুপদমান বস্তু কিনি লৈ ঘৰলৈ যাত্ৰা কৰিলে। আজি তাৰ মনত আনন্দৰ সীমা নাই। আনন্দৰ কথাও। বিয়া হোৱাৰ পিছৰ পৰা তাইক আজিলৈ একো দিব পৰা নাই। আজি তাইৰ বাবে এটা ব্লাউজ কিনিছে। তাইক দিব। সন্মুখত ঈদ। তাই ব্লাউজটো পিন্ধি কিমান সুখী হ'ব, তাইক বাৰু কেনে লাগিব ভাবিয়ে তাৰ মনটো পুলকিত হ'ল। গোটেই দিনৰ কামৰ অৱসাদ যেন তাৰ নোহোৱা হ'ল। সি যেন স্বৰ্গসুখ পালে।

কথাবোৰ ভাবি ভাবি কেতিয়া আহি ঘৰ পালে ক'বই নোৱাৰিলে। বস্তুখিনি তাইৰ হাতত দি হাত-ভৰি ধুবলৈ গ'ল। আস... সি এতিয়াহে গম পালে পাথৰ ভাঙোতে তাৰ হাতৰ ছাল গ'ল। হাত-ভৰি ধুই ভাত খাবলৈ বহিল। সৰু মাছৰ জোল। সি বৰ ভাল পায়।

—'মাছ ক'ত পালা ? -সি সুধিলে

—'ল'ৰা এজনে মাছ বেচিব আনিছিল। কিনি ৰাখিলোঁ।'

— 'পইচা ক'ত পালা?'

—'মহৰিৰ ঘৰৰ কেথাকেইটা ধুই দিয়াত অলপ পইচা দিছিল...

—'ওৱা... থু... এইবোৰ আঞ্জা হ'লনে... কি বনাইছা এইবোৰ... তই খাব লাগিব গোটেইখিনি...'

তাই ভয় খালে। তাই ভাবিছিল এই মাছেদি ভাত খাই ভাল পাব। কিন্তু...

অগত্যা কোনো পথ বিচাৰি নাপালে। সি কোনোপধ্যেই নামানে। উপায়ান্তৰ হৈ খাই গ'ল। দুধাৰি চকুলোৱে তাইৰ দুগাল তিয়াই পেলালে।

খোৱাৰ পিছত দুয়ো বিছনাত উঠিল। তাই তলমূৰ কৰি বহি থাকিল। সি তাইৰ হাতত ব্লাউজটো তুলি দিলে। ব্লাউজটো হাতত তুলি লৈ চালে।

—'ব্লাউজটো কালি ঘূৰাই দিবা।'

— 'কিয়?'

—'এইটো এটা ব্লাউজ হ'লনে?'



তাৰ সকলো আনন্দ মাটি হ'ল। মনৰ মাজত বিষাদে হেঁচি ধৰিলে। দুয়ো শুই পৰিল। কোনো মাত-বোল নাই। কাৰো চকুত টোপনি নাই। মাজ ৰাতি হ'ল।

—'টোপনি যোৱা নাই ?' -সি সুধিলে

—'তুমিওতো যোৱা নাই।' -তাই উত্তৰ দিলে

দুয়ো উঠি বহিল।

--'ব্লাউজটো সঁচাই ভাল লগা নাইনে?'

—'তুমি আনিছা আৰু মোৰ ভাল নালাগিব। এইটো হ'ব পাৰে'?

—'তেন্তে ?'

—'মই বিচাৰিছো ব্লাউজটো ঘূৰাই দি তোমাৰ বাবে কিবা আনা। মই জানো, দিনটো কাম কৰি কৰি তোমাৰ হাতত ঘা হৈ গৈছে। মই ব্লাউজটো পাই কিমান আনন্দ পাইছোঁ বুজাব নোৱাৰিম। এইটো বাদ দিয়া। তুমি মোৰ ওপৰত খং কৰি আছা। মই কিমান আশা কৰি তুমি ভাল পোৱা আঞ্জা বনাইছিলোঁ। তুমি নাখালা। সেয়ে বেয়া লাগিছে।'

—'তুমি মোক ভুল নুবুজিবা। মই জানো সেয়া। কিন্তু মই এইটোও জানো তুমি নিজৰ বাবে একো নাৰাখি সদায় মোক খুৱাই থাকা। সেয়ে মই এই নাটক কৰি তোমাক খুৱালো। তুমিতো কোনোদিনেই ভালবস্তু নোখোৱা। কেৱল মোক খুওৱা। আচলতে আঞ্জাখন বৰ ভাল হৈছে।'

--'মই জানো তুমি এনেকুৱাই কৰিবা। সেয়ে আগতেই তোমাৰ বাবে বেলেগে বাকী ৰাখিছোঁ। ব'লা খাবা...

তাৰ দুচকুত আনন্দৰ লোতক বৈ আহিল।

## আশ্ৰয় শিবিৰৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱাটো সম্ভৱ হ'ব নে?

■ দীপাংকৰ ওজা

এফালে বানপৰিস্থিতিয়ে ৰাজ্যজুৰি সংহাৰী ৰূপ ধাৰণ কৰিছে, আনফালে পৰীক্ষাক লৈ শংকিত হৈছে ছাত্ৰ-ছাত্ৰীসকল। বানপৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ বহু পৰীক্ষা ইতিমধ্যে সাময়িকভাৱে স্থগিত কৰা হৈছে। আনহাতে, সন্মুখত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ পৰীক্ষা। বিজ্ঞান শাখাৰ পৰীক্ষাৰ পূৰ্বে নিৰ্ধাৰিত তাৰিখ আছিল ২৫ জুন। ইতিমধ্যে শেহতীয়াকৈ এক আলোচনাৰ অন্তত বিশ্ববিদ্যালয়ে পৰীক্ষা ২৫ জুনৰ পৰা ২৯ জুন তাৰিখলৈ সলনি কৰাৰ খবৰ অহি পৰিছে। আনহাতে, কলা শাখাৰ পৰীক্ষাও পূৰ্বনিৰ্ধাৰিত ২৯ জুনৰ পৰাই আৰম্ভ হ'ব। কিন্তু ৰাজ্যজুৰি বানপৰিস্থিতিৰ ভয়াৱহতা এতিয়াও শাম কটা নাই। বহু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে আশ্ৰয় শিবিৰত দিন কটাবলগীয়া হৈছে। তেনে পৰিপ্ৰেক্ষিতত অধ্যয়ন আৰু প্ৰস্তুতি অবিহনে পৰীক্ষাত অৱতীৰ্ণ হোৱাটো এক ডাঙৰ প্ৰত্যাহ্বান। তদুপৰি প্ৰশ্ন হয়, আশ্ৰয় শিবিৰত বাস কৰা সেই ছাত্ৰ বা ছাত্ৰীগৰাকী পৰীক্ষাত অৱতীৰ্ণ হ'বলৈ মানসিকভাৱে সাজু হ'ব পাৰিবনে? কাৰোবাৰ যদি ৰোল নং আৰু পঞ্জীয়ন নম্বৰ মনত নাই সেই ছাত্ৰ বা ছাত্ৰীগৰাকীয়ে আশ্ৰয় শিবিৰৰ পৰা পোনে পোনে পৰীক্ষা হলত গৈ পৰীক্ষা বহীত কি তথ্য পূৰণ কৰিব? আশ্ৰয় শিবিৰৰ পৰা সময় মতে গৈ পৰীক্ষা হল পাবনে? মহাবিদ্যালয় এখনত কেৱল নিকটৱৰ্তী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়েই অধ্যয়ন নকৰে, যিসকল ছাত্ৰ-ছাত্ৰী বহু দূৰ অতিক্ৰম কৰি মহাবিদ্যালয়লৈ পৰীক্ষা দিব যাব তেওঁলোকৰ ক্ষেত্ৰত বানপৰিস্থিতিৰ ফলত যাতায়াতৰ সংযোগ বিচ্ছিন্ন হোৱা বিষয়টোও স্পৰ্শকাতৰ। যিখন মহাবিদ্যালয় আজিৰ তাৰিখত হয়তো আশ্ৰয় শিবিৰত পৰিণত হৈছে সেইখন মহাবিদ্যালয়ত পৰীক্ষা অনুষ্ঠিত কৰিব পৰাটো বাস্তৱসন্মত হয় নে?

আনহাতে, যথাসময়ত পৰীক্ষা অনুষ্ঠিত নকৰিলে স্নাতকোত্তৰ নামভৰ্তিৰ সময় উকলি যাব। বহু ছাত্ৰ-ছাত্ৰী দেশৰ আন আন বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পাঠ্যক্ৰমত নামভৰ্তি কৰিব সেই প্ৰসংগও নস্যাৎ কৰিব নোৱাৰি। পৰীক্ষাৰ তাৰিখ যথেষ্ট পিছুৱাই দিয়াৰো থল নাই। তেনে ক্ষেত্ৰত বিশ্ববিদ্যালয়ে কি সিদ্ধান্ত কৰিব? নে পৰীক্ষাৰ বিকল্প পদ্ধতি ব্যৱহাৰ কৰা হ'ব? যদি তেনে হয় সম্ভৱ আৰু ফলপ্ৰসু হ'ব নে পৰীক্ষা প্ৰক্ৰিয়া? বিশ্ববিদ্যালয়ৰ সিদ্ধান্ত যিয়েই নহওক সেয়া ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ প্ৰতি লক্ষ্য কৰি লোৱা সঠিক সিদ্ধান্ত হওক। বানৰ কবলত আশ্ৰয় শিবিৰৰ বা গৃহবন্দী ছাত্ৰ-ছাত্ৰীৰ বাবে বা যাতায়াতৰ সংযোগ বিচ্ছিন্ন অঞ্চলৰ ছাত্ৰ-ছাত্ৰী যাতে পৰীক্ষাৰ পৰা বঞ্চিত নহয় তাৰ বাবে বিশ্ববিদ্যালয়ৰ ওচৰত অনুৰোধ জনাইছোঁ।

# নিৰ্জন কাৰাগাৰলৈ নিক্ষেপ আং ছান ছ্যু কীক

**ৰেংগুন, ২৪ জুন ঃ** ম্যানমাৰৰ শাসনাধীষ্ঠ জুন্টা অপসাৰিত প্ৰাক্তন নেত্ৰী আং ছান ছ্যু কীক গৃহবন্দিত্বৰ পৰা সেনা নিৰ্মিত ৰাজধানী নেপিড'ৰ এটা নিৰ্জন কাৰাগাৰলৈ স্থানান্তৰিত কৰা হৈছে। বৃহস্পতিবাৰে জুন্টাৰ মুখপাত্ৰই এই কথা সদৰী কৰে। এক বিবৃতিত জাও মিন টুনে কয় যে তেওঁক (আং ছান ছ্যু কীক) ফৌজদাৰী আইনৰ অধীনত বুধবাৰৰ পৰা অকলশৰীয়া কাৰাগাৰত ৰখা হৈছে। সূত্ৰসমূহৰ মতে যোৱা বছৰ এক অভ্যুত্থানত অপসাৰিত হোৱাৰ পিছৰে পৰা ছ্যু কীক নেপিড'ৰ এক অজ্ঞাত স্থানত গৃহবন্দী কৰি ৰখা হৈছিল। তেওঁৰ সৈতে কেইবাজনো ঘৰুৱা কৰ্মচাৰী আৰু তেওঁৰ কুকুৰটো আছিল। ৭৭ বছৰীয়া নবেল বঁটা বিজয়ীগৰাকীয়ে কেৱল জুন্টা আদালতত তেওঁৰ বিচাৰৰ শুনানিত উপস্থিত থাকিবলৈ সেই চৌহদ এৰি গৈছিল যি কেৱল তেওঁক ১৫০ বছৰতকৈও অধিক কাৰাদণ্ড বিহাৰ সাক্ষী আছিল। ছ্যু কীৰ উকীলসকলক সংবাদ মাধ্যমৰ সৈতে কথা পতা নিষিদ্ধ কৰা হৈছে আৰু সাংবাদিকসকলক তেওঁৰ বিচাৰ প্ৰক্ৰিয়াৰ পৰা আঁতৰাই ৰখা হৈছে। পূৰ্বৰ জুন্টা শাসনৰ অধীনত তেওঁ ম্যানমাৰৰ সৰ্ববৃহৎ চহৰ য়াংগুনত থকা তেওঁৰ পৰিয়ালৰ গৃহত দীঘলীয়া সময় গৃহবন্দী হৈ অতিবাহিত কৰিছিল। তেওঁ ইতিমধ্যে দুৰ্নীতি, সামৰিক বাহিনীৰ বিৰুদ্ধে উচটনি দিয়া, কোভিড-১৯ৰ নিয়ম উলংঘা কৰা আৰু দূৰসংযোগ আইন ভংগ কৰাৰ বাবে দোষী সাব্যস্ত হৈছে যাৰ বাবে আদালতে তেওঁক এতিয়ালৈকে ১১ বছৰৰ কাৰাদণ্ড বিহিছে।



# জ্যেষ্ঠ আই পি এছ দিনকাৰ গুপ্তা 'নিয়া'ৰ নতুন সঞ্চালক প্ৰধান

**নতুন দিল্লী ২৪ জুন ঃ** ভাৰতৰ শীৰ্ষ স্থানীয় সন্ত্ৰাসবাদ বিৰোধী তদন্ত সংস্থা 'ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা', চমুকৈ নিয়া-ৰ নতুন সঞ্চালক প্ৰধান হিচাপে নিযুক্তি দিয়া হৈছে পঞ্জাৱৰ প্ৰাক্তন আৰক্ষী সঞ্চালক প্ৰধান ডিজিপি দিনকাৰ গুপ্তাক। বৃহস্পতিবাৰে দেশৰ কৰ্মচাৰী মন্ত্ৰালয়ে জাৰি কৰা এক চৰকাৰী নিৰ্দেশ অনুসৰি কেবিনেটৰ নিযুক্তি সমিতিয়ে দিনকাৰ গুপ্তাৰ নাম নিয়াৰ মুৰব্বী হিচাপে অনুমোদন জনায়। অভিজ্ঞ আৰক্ষী বিষয়া গৰাকী পঞ্জাৱৰ চোৰাংচোৱা বিভাগৰ আৰক্ষী সঞ্চালক প্ৰধানৰ পদতো অধিষ্ঠিত হৈছিল। পঞ্জাৱ ৰাজ্যিক চোৰাংচোৱা শাখা, ৰাজ্যিক সন্ত্ৰাসবাদী বিৰোধী দল (এটিএছ) আৰু সংগঠিত অপৰাধ নিয়ন্ত্ৰণ গোট (অ'চিচিইউ)- এই সকলো গোট পঞ্জাৱৰ চোৰাংচোৱা বিভাগৰ অন্তৰ্গত আছিল। তদুপৰি তেওঁ ২০০৪ চনৰ পৰা ২০১২ চনলৈ ভিভিআইপিৰ নিৰাপত্তাৰ তত্ত্বাৱধান কৰা ইণ্টেলিজেঞ্চ ব্যুৰো গোটৰ মুৰব্বী হিচাপে আঠ বছৰ কাৰ্যকাল অতিবাহিত কৰিছিল। আৰক্ষী প্ৰশাসনত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা দিনকৰ গুপ্তা ক্ৰমে ১৯৯২ আৰু ১৯৯৪ চনত দুটাকৈ আৰক্ষী বীৰত্ব পদকৰে সন্মানিত হৈছিল। ইয়াৰোপৰি তেওঁক গুণগত সেৱাৰ বাবে ৰাষ্ট্ৰপতিৰ দ্বাৰা পুলিচ মেডেল আৰু বিশিষ্ট সেৱাৰ বাবে ২০১০ চনত ৰাষ্ট্ৰপতি আৰক্ষী পদকৰ দ্বাৰাও সন্মানিত কৰা হৈছিল। উল্লেখ্য যে, নিয়াৰ সঞ্চালক প্ৰধান পদৰ পৰা ৱাই চি মোডীৰ অৱসৰৰ পিছত যোৱা বৰ্ষৰ মে' মাহত চেণ্ট্ৰেল ৰিজাৰ্ভড পুলিচ ফ'ৰ্চ(চিআৰপিএফ)- ৰ সঞ্চালক প্ৰধান কুলদ্বীপ সিঙক নিয়াৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছিল। এতিয়া দিনকাৰ গুপ্তাক কুলদ্বীপ সিঙৰ স্থানত নিয়াৰ সঞ্চালক প্ৰধান হিচাপে স্থায়ী নিযুক্তি দিয়া হৈছে। কোনো আগতীয়া নিৰ্দেশনা নাহিলে তেওঁৰ অৱসৰ গ্ৰহণৰ সময় পৰ্যন্ত, ২০২৪ চনৰ ৩১ মাৰ্চলৈকে গুপ্তা নিয়াৰ মুৰব্বীৰ পদত অধিষ্ঠিত থাকিব। স্মৰ্তব্য যে পাকিস্তানী সন্ত্ৰাসবাদী গোটৰ দ্বাৰা সংঘটিত ভয়াৱহ ২৬/১১ৰ মুম্বাই আক্ৰমণৰ পিছতে দেশৰ নিৰাপত্তাজনিত বিষয়ৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰীয় স্বতন্ত্ৰ সংস্থা 'নেচনেল ইনভেষ্টিগেচন এজেন্সি' (NIA) গঠন কৰা হৈছিল।




# ভূঁইকঁপ বিধ্বস্ত আফগানিস্তানলৈ ভাৰতৰ সাহায্য প্ৰেৰণ




**নতুন দিল্লী, ২৪ জুন ঃ** দুদিনৰ পূৰ্বে আফগানিস্তানৰ পাহাৰীয়া দুখন জিলাত বিধ্বংসী ভূমিকম্পই হাজাৰোধিক নিৰীহ লোকৰ প্ৰাণ কাঢ়ি নিছিল। ইয়াৰ উপৰিও অন্য কেবাশ লোক গুৰুতৰভাৱে জখম হৈছিল। যোৱা এবছৰে গৃহযুদ্ধ আৰু অৰ্থনৈতিক বিপৰ্যয়ত জুৰুলা হৈ থকা দেশখনত প্ৰাকৃতিক দুৰ্যোগে এতিয়া অধিক অৱনমিত কৰিছে পৰিস্থিতি। সেয়েহে শাসকীয় তালিবানে বিশ্ববাসীৰ পৰা সহায়ৰ আহ্বান কৰাৰ পিছতে ভাৰত চৰকাৰে মানৱীয়তাৰ কাৰণত ইতিমধ্যে সাহায্য সামগ্ৰী প্ৰেৰণ কৰা বুলি প্ৰকাশ পাইছে। এই সামগ্ৰীসমূহ দুৰ্গত লোকসকলৰ জীৱন ধাৰণৰ বাবে সহায়ক হ'ব বুলি স্পষ্ট কৰি দিয়া হৈছে। ইফালে উদ্ধাৰ অভিযানত সহায় কৰিবৰ বাবেও শুকুৰবাৰে ভাৰতৰ এটা কাৰিকৰী বিশেষজ্ঞ দল কাবুলত উপস্থিত হোৱা বুলি প্ৰকাশ পাইছে। কাবুলত অৱস্থিত ভাৰতীয় দূতাবাসৰ মাধ্যমেৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে চুবুৰীয়া ৰাষ্ট্ৰখনৰ প্ৰাকৃতিক বিপৰ্যয়ৰ সময়ত সহায়ৰ হাত আগবঢ়াবলৈ কাষত ঠিয় দিয়া দেখা গৈছে. ইতিমধ্যে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে টুইটাৰৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে। তেওঁ কয় যে ঐতিহাসিক আৰু সভ্যতাৰ বিকাশৰ বুৰঞ্জীত ভাৰত আৰু আফগানিস্তানৰ নিকটসম্পৰ্ক স্পষ্ট হৈ আছে। সেয়েহে দেশ দুখনৰ জনতাই পাৰস্পৰিক বন্ধুত্বৰ মাজেৰে জীৱন যাপন কৰাত আগ্ৰহী। সম্প্ৰতি প্ৰাকৃতিক দুৰ্যোগত চুবুৰীয়া ৰাষ্ট্ৰখন বিপৰ্যস্ত হৈছে। ইয়াৰ বাবে ভাৰত চৰকাৰে নিজৰ সহোদৰ সদৃশ আফগান নাগৰিকৰ বাবে পাৰ্যমানে সহায় কৰিবলৈ সাজু আছে। প্ৰণিধানযোগ্য এয়ে যে বিগত বৰ্ষৰ আগষ্ট মাহত আফগানিস্তানৰ পূৰ্বৰ শাসকীয় পক্ষক বিতাৰিত কৰি তালিবানে দেশখনৰ ক্ষমতা হস্তগত কৰিছিল। লগতে আফগানিস্তানৰ নতুন নাম ৰাখিছিল ইছলামিক এমিৰেটছ অব আফগানিস্তান। ইয়াৰ পিছৰ পৰা ভাৰতকে ধৰি বিশ্বৰ বহু দেশৰ সৈতে আফগানিস্তানৰ সু-সম্পৰ্ক বিঘ্নিত হৈছে। কুৰি বছৰ ধৰি তালিবানক বিতাৰিত কৰি থোৱা হৈছিল যদিও কূটনৈতিকভাৱে সক্ৰিয় হৈ থাকি অৱশেষত দ্বিতীয়বাৰলৈ আফগানিস্তানৰ শাসনভাৰ নিজৰ হাতলৈ আনিবলৈ সক্ষম হোৱা দেখা গ'ল। ফলত দেশখনৰ অৰ্থনীতি বিধ্বস্ত পৰিছে আৰু সাধাৰণ ৰাইজৰ মাজতো আতংক, শাৰীৰিক আৰু মানসিক নিৰ্যাতনৰ প্ৰকোপ বৃদ্ধি পোৱা বুলি চৰ্চিত হৈছে। ইয়াৰ মাজতে ভয়ানক ভূমিকম্পই দেশখনৰ পাহাৰীয়া দুখন জিলা ধ্বংসস্তুপত পৰিণত কৰিছে।



ৰাষ্ট্ৰপতি পদৰ বাবে মনোনয়ন দাখিলৰ পূৰ্বে এন ডি এ মৰ্চাৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৱে সমৰ্থকসহ মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰাৰ দৃশ্য, শুকুৰবাৰে নতুন দিল্লীৰ সংসদ ভৱনৰ চৌহদত

# দ্ৰৌপদী মুৰ্মুৰ মনোনয়ন দাখিলৰ সময়ত ওড়িশাৰ বিজু জনতা দলৰ দুই মন্ত্ৰী উপস্থিত

**নতুন দিল্লী, ২৪ জুন ঃ** ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এ মৰ্চাৰ অংশীদাৰ নহ'লেও উৰিষ্যাৰ বিজু জনতা দলে দ্ৰৌপদী মুৰ্মুক ভোটদান কৰিব। কাৰণ দ্ৰৌপদী হ'ল উৰিষ্যাৰ নাগৰিক। জনজাতি সম্প্ৰদায়ৰ হোৱাৰ লগতে আদিবাসী আৰু মহিলা প্ৰাৰ্থী দ্ৰৌপদীয়ে ইতিমধ্যে ঝাৰখণ্ডৰ ৰাজ্যপাল হিচাপে সফলতাৰে কাৰ্যনিৰ্বাহ কৰিছিল। নিজৰ ৰাজ্যৰ পৰা দেশৰ সাংবিধানিক মুৰব্বী পদত এগৰাকী মহিলাক কেন্দ্ৰীয় চৰকাৰে সহযোগী দলসমূহৰ সমৰ্থনত অধিষ্ঠিত কৰিব খোজা কাৰ্যৰ বাবে বিজু জনতা দলে অকুণ্ঠ চিত্তে সমৰ্থন জনাইছে। তাৰ বাবেই মুখ্যমন্ত্ৰী নবীন পাটনায়কে আজি মনোনয়ন দাখিল পৰ্বত উপস্থিত থাকিবলৈ উৰিষ্যা চৰকাৰৰ দুজন মন্ত্ৰীক প্ৰেৰণ কৰিছে। লগে লগে বিৰোধীয়ে উৰিষ্যাৰ চৰকাৰী পক্ষৰ পৰা ভোট লাভ কৰিব বুলি ইমানদিনে আশা পালি থকা কাৰ্যত চেঁচাপানী পৰা বুলিব পাৰি। বৰ্তমান ৰাজ্যখনৰ মুখ্যমন্ত্ৰী নবীন পাটনায়ক বিদেশ ভ্ৰমণত আছে। সেয়েহে তেওঁৰ চৰকাৰৰ আইন, এছ টি আৰু এছ চি দপ্তৰৰ লগতে সংখ্যালঘু আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী জগন্নাথ ছাৰাক্কা, জলসম্পদ আৰু উদ্যোগ-বাণিজ্য বিভাগৰ মন্ত্ৰী টুকুনী চাহুক প্ৰেৰণ কৰিছে। ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই টেলিফোনৰ জৰিয়তে নবীন পাটনায়কৰ সৈতে আলোচনা কৰিছিল। তেওঁৰ সমৰ্থন বিচাৰিছিল বিজেপিৰ সভাপতিজনে। নাড্ডাৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই পাটনায়কে আজি দুজনকৈ মন্ত্ৰীক প্ৰেৰণ কৰিছে। ইফালে উৰিষ্যাৰ দহজন বিজেপি বিধায়কে মনোনয়ন দাখিলৰ সময়ত উপস্থিত থকা দেখা গ'ল। প্ৰণিধানযোগ্য এয়ে যে বিজু জনতা দল হ'ল একমাত্ৰ এন ডি এ মৰ্চাৰ বহিৰ্ভূত দল যিয়ে সৰ্বপ্ৰথমে এন ডি এ প্ৰাৰ্থী গৰাকীলৈ সমৰ্থন জ্ঞাপন কৰিছে। ইফালে অন্ধ্ৰপ্ৰদেশৰ শাসকীয় ৱাই এছ আৰ দলৰ মুৰব্বী তথা মুখ্যমন্ত্ৰী জগনমোহনে দ্ৰৌপদী মুৰ্মুক অভিনন্দন জ্ঞাপন কৰিছে। এন ডি এ মৰ্চাৰ বাহিৰত থাকিলেও নবীন পাটনায়কৰ দৰে জগনমোহনেও দ্ৰৌপদী মুৰ্মুৰ প্ৰতি সমৰ্থন জ্ঞাপনৰ মুকলি ইংগিত দিছে। আনহাতে উৰিষ্যাৰ কংগ্ৰেছ বিধায়িনী দলৰ নেতা নৰসিংহ মিশ্ৰই কয় যে দ্ৰৌপদী মুৰ্মু কিমান ভাল বা বেয়া ব্যক্তি সেয়া বিচাৰ্য নহয়। কিন্তু কংগ্ৰেছ দলে এন ডি এ মৰ্চাৰ প্ৰাৰ্থীক সমৰ্থন কৰাৰ বিষয়টো বিবেচনালৈ আহিবই নোৱাৰে। আৰ এছ এছ বা বিজেপিৰ নীতি আদৰ্শ কংগ্ৰেছে কেতিয়াও সমৰ্থন নকৰে বুলি স্পষ্ট কৰি দিছে। কিয়নো এই দলটোৱে মহাত্মা গান্ধীৰ হত্যাকাৰীক সমৰ্থন কৰি আহিছে। গতিকে জাতিৰ পিতাক হত্যা কৰা ব্যক্তিৰ সমৰ্থকৰ প্ৰতি কংগ্ৰেছে কেতিয়াও সহায়ৰ হাত আগবঢ়াবলৈ আগুৱাই নাযায় বুলি স্পষ্ট ভাষাৰে ব্যক্ত কৰিছে।



# যশৱন্ত সিন্‌হালৈ জেড কেটেগৰী নিৰাপত্তা প্ৰদান

## ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী দলসমূহৰ উমৈহতীয়া প্ৰাৰ্থী

**নতুন দিল্লী, ২৪ জুন ঃ** আগন্তুক ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধী ৰাজনৈতিক দলসমূহৰ উমৈহতীয়া প্ৰাৰ্থী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী যশৱন্ত সিনহালৈ কেন্দ্ৰীয় চৰকাৰে জেড কেটেগৰী নিৰাপত্তা প্ৰদান কৰিছে। উল্লেখ্য যে দেশত গুৰুত্বপূৰ্ণ ব্যক্তিসকলক প্ৰদান কৰা সৰ্বোচ্চ নিৰাপত্তাৰ ক্ষেত্ৰত এই পৰ্যায় হ'ল দ্বিতীয়। প্ৰথম পৰ্যায় হ'ল জেডপ্লাছ কেটেগৰী। ইফালে ৮৪ বছৰীয়া সিনহাই সমগ্ৰ দেশ ভ্ৰমণৰ সময়ত এই বিশেষ নিৰাপত্তা লাভ কৰিব। উল্লেখ্য যে অহা ২৭ জুনত তেওঁ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিল কৰিব। শুকুৰবাৰে অৰ্থাৎ আজি এন ডি এ মৰ্চাৰ প্ৰাৰ্থী তথা প্ৰাক্তন ৰাজ্যপাল দ্ৰৌপদী মুৰ্মুৱে মনোনয়নপত্ৰ দাখিল কৰিছে। অটল বিহাৰী বাজপেয়ী চৰকাৰৰ কেবিনেট মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰা যশৱন্ত সিনহাই কিছুদিনৰ পূৰ্বে তৃণমূল কংগ্ৰেছ দলত যোগদান কৰিছিল। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে বিৰোধী দলসমূহৰ প্ৰাৰ্থী হোৱাৰ পিছত স্বাভাৱিকতে সিনহাৰ নিৰাপত্তা অধিক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। অহা ১৮ জুলাই তাৰিখে এই নিৰ্বাচনৰ ভোটগ্ৰহণ আৰু ২১ জুলাইত ভোট গণনা কৰা হ'ব। বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ কাৰ্যকাল অহা ২৪ জুলাই তাৰিখে সমাপ্ত হ'ব। তাৰ পূৰ্বেই এগৰাকী নতুন ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে ইতিমধ্যে নিৰ্বাচনী অধিসূচনা জাৰি কৰা হৈছে।



# ক'ভিডত নতুনকৈ ১৭,৩৩৬জন আক্ৰান্ত, দেশত ঊৰ্ধ্বমুখী হৈছে সংক্ৰমণ

**নতুন দিল্লী, ২৪ জুন ঃ** দেশত ক'ভিড ভাইৰাছৰ সংক্ৰমণ বিগত চাৰি মাহৰ তুলনাত অধিক উৰ্ধমুখী হোৱা দেখা গৈছে। যোৱা ২৪ ঘণ্টাত নতুনকৈ ১৭,৩৩৬জন আক্ৰান্ত হৈছে। যাৰ বাবে উৰ্ধমুখী সংক্ৰমণৰ ফলত দেশৰ জনতা পুনৰবাৰ জটিল অৱস্থালৈ গতি কৰাৰ আশংকা ঘনীভূত হৈছে। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে শুকুৰবাৰে পুৱা প্ৰকাশ কৰা তথ্যত এই উৰ্ধমুখী সংক্ৰমণৰ বিষয়টো উল্লেখ কৰিছে। এই সংক্ৰমণ যোৱা চাৰি মাহৰ তুলনাত সৰ্বাধিক হোৱা বুলিও কোৱা হৈছে। এই সময়ছোৱাত ১৩ জন লোকৰ নতুনকৈ ক'ভিডত মৃত্যু হৈছে। যাৰ বাবে মুঠ মৃতকৰ সংখ্যা ৫,২৪,৯৫৪জনলৈ বৃদ্ধি পাইছে। আনহাতে যোৱা এদিনত ক'ভিডত আক্ৰান্তই আৰোগ্য লাভ কৰিছে ৯৮.৬০ শতাংশ হাৰত। পৰিসংখ্যা হ'ল ১৩,০২৯ জন। দেশৰ ভিতৰত মহাৰাষ্ট্ৰত নতুনকৈ এদিনতে ৫২১৮ জন আক্ৰান্ত হৈছে। ইফালে মহানগৰসমূহৰ ভিতৰত মুম্বাইত সৰ্বাধিক ২৪৭৯ জন নতুনকৈ সংক্ৰমিত হৈছে। ইয়াৰ পিছত দিল্লীত ১৯০০ আৰু কৰ্ণাটকত ৮৫৮ জন আক্ৰান্ত হৈছে। পশ্চিমবংগত ৭৪৫ আৰু তেলেংগানাত ৪৯৪ জন আক্ৰান্ত হোৱা বুলি কোৱা হৈছে। ইফালে বৃহস্পতিবাৰৰ দিনটোত ১৩ লক্ষাধিক লোকক ক'ভিড ভেকচিন প্ৰদান কৰা হৈছে। ইয়াৰে ৩.৭৭ লাখ ড'জ হ'ল প্ৰতিৰক্ষামূলক ভেকচিন অৰ্থাৎ বুষ্টাৰ ড'জ। কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰা তথ্যত উল্লেখ আছে যে সক্ৰিয় সংক্ৰমিত ৮৮,২৮৪ জনলৈ বৃদ্ধি পাইছে। যোৱা এদিনতে ৪২০০ জন অধিক বৃদ্ধি হোৱা বুলি কোৱা হৈছে। চলিত সপ্তাহত দেশত ৪৮,২০০ জন ক'ভিডত নতুনকৈ আক্ৰান্ত হৈছে। এই পৰিসংখ্যা অতিশয় চিন্তনীয় আৰু দেশবাসীয়ে ক'ভিড ভাইৰাছ প্ৰতিৰোধৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণৰ অবিহনে ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধ কৰাটো সম্ভৱ নহ'ব বুলি ব্যক্ত কৰা হৈছে।



## হাৰিয়ানা খাপ পঞ্চায়তৰ কঠোৰ সকীয়নি

# অগ্নিবীৰক সামাজিকভাৱে বৰ্জন কৰাৰ হুংকাৰ, বিমোৰত কেন্দ্ৰীয় চৰকাৰ

**নতুন দিল্লী২৪ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ নতুন নিযুক্তি আঁচনি অগ্নিপথৰ বিৰুদ্ধে দেশজুৰি চলি থকা আন্দোলনৰ মাজতে কৃষক সংঘৰ প্ৰতিপত্তি থকা কেইবাখনো ৰাজ্যৰ খাপ পঞ্চায়তে অগ্নিপথ আঁচনিৰ অধীনত নিযুক্তিৰ বাবে আবেদন কৰিব খোজা যুৱক-যুৱতীসকলক এক কঠোৰ সকীয়নি প্ৰদান কৰিছে। খাপ পঞ্চায়তৰ মুৰব্বী তথা কৃষক সংঘৰ নেতা সকলে কেন্দ্ৰীয় চৰকাৰৰ অগ্নিপথ আঁচনিৰ অধীনত অগ্নিবীৰ হ'ব খোজা যুৱক-যুৱতীসকলক সামাজিকভাৱে পৃথক কৰা হ'ব বুলি ঘোষণা কৰিছে। বুধবাৰে হাৰিয়ানাৰ ৰোহতক জিলাৰ চাম্পলা চহৰত খাপ পঞ্চায়তৰ এখন সমূহীয়া বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত হাৰিয়ানা, ৰাজস্থান, হিমাচল প্ৰদেশ আৰু পঞ্জাৱৰ বিভিন্ন খাপৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিছিল। খাপ পঞ্চায়তৰ প্ৰতিনিধিসকলৰ লগতে এই ৰাজ্যকেইখনৰ ছাত্ৰ সংগঠনসমূহৰ একাংশ সদস্যয়ো বৈঠকখনত উপস্থিত থাকে। এই বৈঠকতে অগ্নিপথৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰি খাপ মুৰব্বী তথা কৃষক নেতাসকলে অগ্নিপথৰ অধীনত নিযুক্তিৰ বাবে আবেদন কৰা যুৱক-যুৱতীসকলক সামাজিকভাৱে পৃথক কৰিব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। 'অগ্নিবীৰ'ৰ আঁচনিৰ জৰিয়তে দেশৰ যুৱ প্ৰজন্মক শ্ৰমিক হিচাপে নিয়োগ কৰাৰ পৰ্ব আৰম্ভ কৰা হৈছে বুলি অভিযোগ কৰি কৃষক সংঘ আৰু খাপ পঞ্চায়তে এই আঁচনিখন বৰ্জন কৰিছে বুলি ঘোষণা কৰে। সেয়েহে খাপ পঞ্চায়তৰ অন্তৰ্গত কোনো যুৱক-যুৱতীয়ে এই আঁচনিৰ অধীনত নিযুক্তিৰ বাবে আবেদন কৰিলে তেওঁলোককো সামাজিকভাৱে পৃথক কৰা হ'ব বুলি খাপ পঞ্চায়তে স্পষ্ট কৰি দিয়ে অৱশ্যে যুৱক-যুৱতীসকলক সামাজিকভাৱে পৃথক কৰিলেও বৰ্জন কৰা নহয় বুলিয়ো খাপৰ নেতৃত্বই উল্লেখ কৰে। বৰ্জন আৰু পৃথক কৰাৰ মাজত পাৰ্থক্য আছে বুলি উল্লেখ কৰি খাপৰ নেতা সকলে কয় যে যদিও অগ্নবীৰসকলক বৰ্জন কৰা নহয়, তথাপি খাপ পঞ্চায়তৰ অন্তৰ্গত সম্প্ৰদায় সমূহে এনে লোকসকলৰ পৰা দূৰত্বত অৱস্থান কৰিব। তদুপৰি অগ্নিপথ আঁচনিক কৃষক আৰু যুৱ বিৰোধী বুলি অভিহিত কৰি অগ্নিপথক সমৰ্থন কৰা কৰ্পোৰেট হাউচ আৰু ৰাজনীতিবিদসকলক সম্পূৰ্ণৰূপে বৰ্জন কৰাৰ আহ্বান জনায় খাপ পঞ্চায়তে। লগতে অগ্নিপথ আঁচনিৰ বিৰুদ্ধে আন্দোলনৰ সময়ত প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে ৰুজু হোৱা গোচৰ তাৎক্ষণিকভাৱে প্ৰত্যাহাৰ কৰিবলৈও সমবেত সকলোৱে দাবী জনায়। স্মৰ্তব্য যে প্ৰতিৰক্ষা বিভাগত ঠিকাভিত্তিক নিযুক্তিৰ বিৰোধিতা কৰি অগ্নিপথ বাতিলৰ দাবীত সমগ্ৰ দেশতে ৰাজপথত নামি পৰিছে সামৰিক বিভাগত নিযুক্তি প্ৰত্যাশী যুৱক-যুৱতীসকল। যুৱ প্ৰজন্মৰ এই ন্যায্য আন্দোলনৰ প্ৰতি সমৰ্থন আগবঢ়াই আন্দোলন ঘোষণা কৰিছে কৃষক সংগঠন সমূহেও। ইতিমধ্যে ঐতিহাসিক কৃষক আন্দোলনৰ সফল নেতৃত্ব দিয়া সংযুক্ত কিষাণ মৰ্চাই অগ্নিপথৰ বিৰুদ্ধে দেশব্যাপী প্ৰতিৰোধ গঢ়ি তোলা হ'ব বুলি ঘোষণা কৰিছে। অৱশ্যে ইয়াৰ পিছতো কেন্দ্ৰীয় চৰকাৰে কোনোপধ্যেই অগ্নিপথ বাতিল নহয় বুলি ঘোষণা কৰিছে আৰু আন্দোলনটো ব্যৰ্থ কৰিবৰ বাবে একাধিক ব্যৱস্থা নতুনকৈ সংযোজন কৰিছে। কিন্তু চৰকাৰৰ এই সকলো টোপ অস্বীকাৰ কৰি একমাত্ৰ আঁচনি বাতিলৰ দাবীত আন্দোলন অব্যাহত ৰাখিছে সেনাত নিযুক্তি প্ৰত্যাশী যুৱক-যুৱতীসকলে।



# নাবালিকাক যৌন আতিশয্যৰ অভিযোগত মেঘালয়ৰ আৰক্ষী জোৱানক পাঁচ বছৰ কাৰাদণ্ড

**শ্বিলং, ২৪ জুন ঃ** মেঘালয়ৰ পুব গাৰো পাহাৰীয়া জিলাৰ এগৰাকী আৰক্ষী জোৱানক পাঁচ বছৰৰ বাবে সশ্ৰম কাৰাদণ্ড বিহিছে। ২০১৩ চনতে উক্ত আৰক্ষীজনে এগৰাকী নাবালিকাক যৌন আতিশয্য চলাইছিল। পুব গাৰো পাহাৰীয়া জিলাৰ চেচন আদালতে পকছু আইনৰ আধাৰত এই কাৰাদণ্ডৰ নিৰ্দেশ প্ৰদান কৰিছে। অভিযুক্ত আৰক্ষী জোৱানজনৰ নাম অজয় মাৰাক। তেওঁ মেঘালয় আৰক্ষীৰ এগৰাকী কনিষ্টবল। ২০১৩ বৰ্ষৰ ২৪ জানুৱাৰী তাৰিখে মাৰাকে আঠ বছৰীয়া এগৰাকী নাবালিকাক নিজৰ ঘৰতে যৌন আতিশয্য চলাইছিল। পিছত নাবালিকাগৰাকীৰ পৰিয়ালে স্থানীয় আৰক্ষীত গোচৰ ৰুজু কৰিছিল। অভিযুক্ত অজয় মাৰাক ইতিমধ্যে মেঘালয়ৰ উইলিয়াম নগৰ কাৰাগাৰত আছে। পুব গাৰো পাহাৰীয়া জিলাৰ চেচন আদালতে শিশু যৌন নিৰ্যাতন প্ৰতিৰোধ আইনৰ জৰিয়তে এই নিৰ্দেশনা ঘোষণা কৰিছে। উল্লেখ্য যে একেধৰণৰ অভিযোগত শ্বিলঙৰ এখন বিশেষ আদালতে ফাৰদিনাছ মাৰ্বানিয়াং নামৰ এজন ব্যক্তিকো পাঁচ বছৰ তিনিমাহৰ কাৰাদণ্ড বিহিছে। এগৰাকী ১৪ বছৰীয়া নাবালিকাক যৌন আতিশয্য চলোৱাৰ অভিযোগত এই কাৰাদণ্ডৰ নিৰ্দেশ দিয়া বুলি কোৱা হৈছে।



২৫ জুনত বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই উদ্বোধন কৰিব পদ্মা নদীৰ ওপৰত নিৰ্মিত ব্যয়বহুল আৰু বহুমাত্ৰিক ব্যৱহাৰৰ উদ্দেশ্যৰে নিৰ্মাণ সম্পূৰ্ণ কৰা এক সুদীৰ্ঘ আৰু যাতায়াতৰ উপযোগী এইখন দলং

# নিৰাপত্তা বাহিনীৰ কবলত এন এছ চি এনৰ দুই কেডাৰ, অৰুণাচলত ধন দাবীৰে চলাইছিল সন্ত্ৰাস

**ছাংলাং, ২৪ জুন ঃ** অৰুণাচল প্ৰদেশৰ ছাংলাং আৰক্ষীৰ সহযোগত অসম ৰাইফলছ আৰু অৰ্ধসামৰিক বাহিনীয়ে অভিযান চলাই এন এছ চি এন আই এমৰ দুই কেডাৰক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। জিলাখনৰ খংছা গাঁৱত বাহৰ পাতি স্থানীয় বাসিন্দাৰ মাজত সন্ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। হাতত উদ্যত মাৰণাস্ত্ৰ লৈ ধনদাবী আৰু ভাবুকিৰে বাসিন্দাসকলক সন্ত্ৰাসিত কৰিছিল। কিন্তু এই দুই জোৱান আলোচনা গোটৰ বুলি প্ৰকাশ পালেও তেওঁলোকে মাৰণাস্ত্ৰ কেনেকৈ অবৈধবাৰে ব্যৱহাৰ কৰাৰ সুযোগ পাইছে তাক লৈ ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।



# মিজোৰামত এক কোটি টকা মূল্যৰ নিচাজাতীয় সামগ্ৰী আৰু ড্ৰাগ্‌ছ জব্দ

**আইজল, ২৪ জুন ঃ** অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ অন্যান্য ৰাজ্যত বহিঃদেশৰ নিচাজাতীয় সামগ্ৰীৰ সৰবৰাহৰ মূল ঘাটি হৈ পৰা বুলি উঠা অভিযোগৰ মাজতে অঞ্চলটোত নিতৌ ড্ৰাগছ আদিৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা হৈছে। আৰক্ষী, অৰ্ধসামৰিক বাহিনী, আৱকাৰী বিভাগ আদিৰ লগতে সচেতন ৰাইজেও এই অভিযানত সহযোগ কৰা দেখা গৈছে। শেহতীয়াকৈ নিৰাপত্তা বাহিনী মিজোৰামত তালাচী চলোৱা সময়ত এক কোটি টকা মূল্যৰ মেথামফেটামাইন নামৰ নিচাজাতীয় টেবলেট উদ্ধাৰ কৰিছে। এই সামগ্ৰীখিনি অসম ৰাইফলছৰ ছামফাই জিলাত কৰ্মৰত জোৱানসকলে নিয়মীয়া তালাচীৰ সময়ত সৰবৰাহকাৰীৰ হাতৰ পৰা জব্দ কৰিবলৈ সক্ষম হৈছে। সামগ্ৰীখিনিৰ ওজন প্ৰায় পাঁচ কিলোগ্ৰাম বুলি কোৱা হৈছে। ইফালে ৫১ হাজাৰটা টেবলেট আছিল সামগ্ৰীখিনিৰ মাজত। এনেদৰে ২৩ নং খণ্ডৰ অসম ৰাইফলছৰ জোৱানে অনুসন্ধানৰ সময়ত সামগ্ৰীখিনি জব্দ কৰিবলৈ সক্ষম হৈছে। অসম ৰাইফলছৰ আই জি পিয়ে এই কথা প্ৰকাশ কৰিছে। সংগঠনটোৱে প্ৰেছ বাৰ্তাৰ জৰিয়তে কোৱা হৈছে যে সামগ্ৰী সৰবৰাহ কৰা তিনিজন ব্যক্তিকো গ্ৰেপ্তাৰ কৰা হৈছে।





*১৭ বছৰ অনুৰ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ কেৰালা আৰু নাগালেণ্ডৰ মাজত গুৱাহাটীৰ ছাই ফিল্ডত অনুষ্ঠিত খেলৰ কেইটামান মুহূৰ্ত, শুকুৰবাৰে*

### ১৭ বছৰ অনুৰ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

## ৰাজস্থান আৰু পশ্চিমবঙ্গ বিজয়ী

# কাইলৈ ডিমাকুছিত নিৰ্ধাৰণ হ'ব অসম দলৰ ভৱিষ্যৎ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ভেৰগাঁও, ২৪ জুন ঃ** ১৭বছৰ অনুৰ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবলৰ ডিমাকুছিত আজি পুৱা অনুষ্ঠিত প্ৰতিযোগিতাৰ জি গ্ৰুপৰ খেলত ৰাজস্থানে জম্মু-কাশ্মীৰ দলক ২-০গলত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে।দীক্ষা কুমাৰী আৰু খুচি চান্দেলে এটাকৈ গ'ল দি ৰাজস্থানক জয়ী কৰে। আনহাতে আবেলি অনুষ্ঠিত আনখন খেলত পশ্চিমবঙ্গই তামিলনাডুক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। বিজয়ী দলৰ সোণালী চোৰেনে দুটা আৰু ৰিমা হালদাৰে এটা গ'ল দিয়ে। কাইলৈ অসম দলৰ ভাগ্য নিৰ্ণয় হ'ব হাৰিয়ানা দলৰ সন্মুখত। অসম দলে ইতিমধ্যে প্ৰথমখন খেলত পুডুচেৰীক হৰুৱাই ৰাজ্যবাসীক আশাৰ ৰেঙণি দেখুৱাইছিল যদিও গ্ৰুপৰ দ্বিতীয়খন মেচত গুজৰাটৰ বিৰুদ্ধে পৰাস্ত হৈ অগ্নি পৰীক্ষাৰ উপক্ৰম হৈছে। কাইলৈ হাৰিয়ানাৰ বিৰুদ্ধে অসম দল মুখামুখি হ'ব। আৰু এই খেলখনে নিশ্চিত কৰিব অসম দলৰ ভৱিষ্যত। কাইলৈ যদি অসম দলে হাৰিয়ানাৰ বিৰুদ্ধে যুঁজি পৰাস্ত হয় তেন্তে প্ৰতিযোগিতাৰ পৰাই বিদায় ল'ব লাগিব।




*শ্ৰীলংকাৰ বিৰুদ্ধে অনুষ্ঠিত পঞ্চম এদিনীয়াত অষ্ট্ৰেলিয়ান খেলুৱৈৰ শ্বট*

# আজি আই এছ কাপ ফুটবল প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, নাজিৰা, ২৪ জুন ঃ** শিৱসাগৰ জিলাত প্ৰথমবাৰৰ বাবে জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈৰ উদ্যোগত শিৱসাগৰ ক্ৰীড়া সন্থা আৰু শিৱসাগৰ জিলা অধিবিদ্যা পৰিষদৰ সহযোগত শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ল'ৰা-ছোৱালী উভয় শাখৰে আই এছ কাপ ফুটবল প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। শিৱসাগৰ বৰ্ডিং খেলপথাৰত দিনৰ ১২বজাত আৰম্ভ হ'ব লগা খেলখনৰ উদ্বোধনী অনুষ্ঠানত অবিভক্ত শিৱসাগৰ জিলা প্ৰতিখন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান সকলৰ উপৰি সকলো শিক্ষক-শিক্ষয়িত্ৰীক উপস্থিত থাকিবলৈ বিদ্যালয় পৰিদৰ্শক কমলজ্যোতি গগৈয়ে অনুৰোধ জনাইছে।

# মহাৰাষ্ট্ৰক হৰুৱালে দাদৰা আৰু নগৰ হাভেলি মহিলা দলে

**গুৱাহাটী, ২৪ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি সোণাপুৰত হোৱা গ্ৰুপ 'এফ'ৰ মেচত মহাৰাষ্ট্ৰক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰিছে দাদৰা আৰু নগৰ হাভেলি দলে। ইফালে, এই গ্ৰুপৰ আন এখন মেচত ওড়িছাই ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ত্ৰিপুৰাক। উল্লেখ্য যে চত্তিছগড়ৰ বিৰুদ্ধে ২-০ গ'লৰ ব্যৱধানত জয়ী হৈ দ্বিতীয় সফলতা লাভ কৰা মহাৰাষ্ট্ৰই আজি ব্যৰ্থ হয়। ইয়াৰপূৰ্বে সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰত অনুষ্ঠিত হোৱা গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ত্ৰিপুৰাক। সেই মেচত দলৰ হৈ তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰিছিল ছুমায়াই। ইফালে, প্ৰথম মেচত মহাৰাষ্ট্ৰৰ হাতত ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা ত্ৰিপুৰাই আজিও ব্যৰ্থতাৰ সন্মুখীন হয়। ইয়াৰপূৰ্বে এখন একপক্ষীয় মেচত দাদৰা আৰু নগৰ হাভেলি মহিলা দলে ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ত্ৰিপুৰাক। বিপৰীতে ওড়িছাৰ বিৰুদ্ধে দ্বিতীয় মেচত ১-১ গ'লৰ ব্যৱধানত ড্ৰ খেলিছিল দাদৰা আৰু নগৰ হাভেলিয়ে। আনহাতে, ত্ৰিপুৰাই ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল চণ্ডিগড়ক। ক্ৰমাগত তিনিখন মেচত পৰাস্ত হোৱাৰ পাছত চণ্ডিগড়ৰ বিদায় নিশ্চিত হৈছে। উল্লেখ্য যে ওড়িছাৰ হাততো ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল চণ্ডিগড়।

### ত্ৰিপুৰাৰ বিৰুদ্ধে ওড়িছাৰ জয়লাভ

### ১৭ বছৰ অনূৰ্ধ্ব মহিলা ফুটবল প্ৰতিযোগিতাৰ মেচৰ সূচী ঘোষণা

# ভাৰতৰ সৈতে গ্ৰুপত ব্ৰাজিল, মৰক্কো, আমেৰিকা

**নতুন দিল্লী, ২৪ জুন ঃ** চলিত বছৰতে ভাৰতত অনুষ্ঠিত হ'বলগা ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ মেচৰ সূচী আজি ঘোষণা কৰা হৈছে। সেই অনুসৰি গ্ৰুপ 'এ'ত স্থান লাভ কৰা ভাৰতে খেলিব ব্ৰাজিল, মৰক্কো আৰু আমেৰিকাৰ বিৰুদ্ধে। উল্লেখ্য যে ভাৰতত হ'বলগা ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নতুন দিন ইতিমধ্যে ঘোষণা কৰিছে আন্তৰ্জাতিক ফুটবল সন্থাই। সেই অনুসৰি অহা ১১-৩০ অক্টোবৰলৈ ভাৰতত অনুষ্ঠিত হ'ব ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। প্ৰতিযোগিতাত অংশ ল'ব ১৬ টা দলে। উল্লেখ্য যে ভাৰতৰ মুঠ ছটা স্থানত ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ মেচ অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও এতিয়া ফিফাই সিদ্ধান্ত সলনি কৰি মাত্ৰ তিনিখন চহৰতহে খেল অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। ফিফাই পূৰ্বে ঘোষণা কৰা অনুসৰি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামো আছিল ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ অন্যতম স্থান। কিন্তু এতিয়া কৰ্তন কৰা হৈছে গুৱাহাটীৰ নাম। ইফালে, গুৱাহাটীৰ লগতে নতুন দিল্লী আৰু কলকাতাৰ নামো কৰ্তন কৰিছে ফিফাই। কৰ'নাৰ বাবেই ছয়খন চহৰৰ পৰিবৰ্তে মাত্ৰ তিনিখন চহৰতহে এতিয়া ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে ফিফাই। সেই অনুসৰি এতিয়া ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ খেল অনুষ্ঠিত হ'ব ভূৱনেশ্বৰ, গোৱা আৰু নবী মুম্বাইত। উল্লেখ্য যে কৰ'নাৰ বাবে তিনিবাৰ পিছুৱাই গৈছে ভাৰতত অনুষ্ঠিত হ'বলগা ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। পূৰ্বৰ সূচী অনুসৰি ২০২০ ৰ দুইৰ পৰা ২১ নবেম্বৰলৈ ভাৰতত অনুষ্ঠিত হোৱাৰ কথা আছিল ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু কৰ'নাৰ বাবে সেয়া পিছুৱাই নতুন দিন নিৰ্ধাৰণ কৰিছিল ফিফাই। আন্তৰ্জাতিক ফুটবল ফেডাৰেছনে ২০২১ ত অনুষ্ঠিত কৰিব বিচাৰিছিল প্ৰতিযোগিতাখন। ফিফাই তেতিয়া ২০২১ ৰ ১৭ ফেব্ৰুৱাৰীৰ পৰা সাত মাৰ্চলৈ অনুষ্ঠিত কৰাৰ কথা আছিল ১৭ বছৰ অনূৰ্ধ্ব মহিলা বিশ্বকাপ ফুটবল প্ৰতিযোগিতা। কিন্তু পুনৰ কৰ'নাৰ বাবে সেয়া আকৌ এবাৰ পিছুৱাই দিয়া হয়।






*নিউজিলেণ্ডৰ বিৰুদ্ধে অনুষ্ঠিত তৃতীয় টেষ্টত অৰ্ধশতক সম্পূৰ্ণ কৰি দৰ্শকৰ অভিবাদন গ্ৰহণ ইংলেণ্ডৰ জনী বেষ্ট'ৰ*

### তামিলনাডুক হৰুৱাই বংগৰ দ্বিতীয় জয়

# জম্মু আৰু কাশ্মীৰক পৰাস্ত কৰি ৰাজস্থানৰ প্ৰত্যাৱৰ্তন

**গুৱাহাটী, ২৪ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হোৱা গ্ৰুপ 'এইছ'ৰ মেচত ৰাজস্থানে ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে জম্মু আৰু কাশ্মীৰক। আনহাতে, বংগই ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তামিলনাডুক। উল্লেখ্য যে প্ৰতিযোগিতাত বৃহৎ জয়ৰে নিজৰ অভিযান আৰম্ভ কৰিছিল তামিলনাডু আৰু বংগই। প্ৰথম খেলখনত তামিলনাডুই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল জম্মু আৰু কাশ্মীৰক। দলৰ হৈ দুটা গ'ল কৰে গায়ত্ৰীদেৱীয়ে। ইফালে, গ্ৰুপৰ প্ৰথম খেলখনত বংগই ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল ৰাজস্থানক। ক্ৰমাগত দুখন মেচত পৰাস্ত হৈ জম্মু আৰু কাশ্মীৰৰ বিদায় নিশ্চিত হৈছে।

# প্ৰাইজমানি দৌৰত পুৰুষৰ শ্ৰেষ্ঠ বিজয় ডেকা, মহিলাৰ শ্ৰেষ্ঠ ৰেখামণি শইকীয়া

**গুৱাহাটী, ২৪ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অসম এথলেটিকছ সন্থা আৰু গুৱাহাটী ক্ৰীড়া সন্থাই যুটীয়াভাবে মহানগৰীত আয়োজন কৰে প্ৰাইজমানি ১০ কিলোমিটাৰ দৌৰ প্ৰতিযোগিতা। উল্লেখ্য যে পাঁচ বজাত খানাপাৰা খেলপথাৰৰ পৰা আৰম্ভ হৈ নেহৰু ষ্টেডিয়ামত সামৰণি পৰা এই ১০ কিলোমিটাৰ দূৰত্বৰ দৌৰ প্ৰতিযোগিতাৰ ফ্লেগ অফ কৰে অসম গৌৰৱ এথলীট অম্লান বৰগোঁহাই, অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ, অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ, হকী ইণ্ডিয়াৰ কোষাধ্যক্ষ তপন দাস আৰু জনপ্ৰিয় কণ্ঠশিল্পী ভৃগু কাশ্যপে। খানাপাৰাৰ পৰা আৰম্ভ হৈ নেহেৰু ষ্টেডিয়ামত সামৰণি পৰা প্ৰতিযোগিতাৰ পুৰুষৰ শাখাত প্ৰথম বিজয় ডেকা, দ্বিতীয় বিপিন মুণ্ডা, তৃতীয় হান্নান আলী, চতুৰ্থ তপোজ্জল ফুকন,পঞ্চম স্থান লাভ কৰে দেৱজিৎ ৰজকে। আনহাতে মহিলাৰ শাখাত প্ৰথম ৰেখামণি শইকীয়া, দ্বিতীয় মোতোৱাৰা আহমেদ, তৃতীয় ধৃতিমা উজীৰ, চতুৰ্থ সবিতা কুমাৰী আৰু পঞ্চম পুৰস্কাৰ ৰেজিনা পাৰ্বীনে লাভ কৰে। প্ৰতিযোগিতাৰ শেষত নেহেৰু ষ্টেডিয়ামত বিজয়ী প্ৰতিযোগীসকলক আমন্ত্ৰিত অতিথিসকলে নগদ ধনৰ পুৰস্কাৰ আগবঢ়ায়। উল্লেখ্য যে ৰাজ্যৰ সকলো প্ৰান্তৰে প্ৰতিযোগীয়ে অংশগ্ৰহন কৰা তথা পুৰুষ আৰু মহিলাৰ উভয় শাখা প্ৰতিযোগিতাত প্ৰথমৰ পৰা পঞ্চম স্থান প্ৰাপ্ত বিজয়ী প্ৰতিযোগীসকলক ক্ৰমে পাঁচ, চাৰি, তিনি, দুই আৰু এহেজাৰকৈ টকা দি পুৰস্কৃত কৰা হয়।

# সমৰকলাৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি

**গুৱাহাটী, ২৪ জুন ঃ** বৰ্তমান সময়ত আনুষ্ঠানিক শিক্ষা গ্ৰহণৰ লগে লগে ছাত্ৰ-ছাত্ৰীৰ মাজত ক্ৰীড়াৰ প্ৰতিও আগ্ৰহ পৰিলক্ষিত হৈছে। সমান্তৰালকৈ গঢ়ি উঠিছে এনে শিক্ষা গ্ৰহণৰ নতুন নতুন শিক্ষা প্ৰতিষ্ঠান। একেদৰেই জাগীৰোডৰ জাগীভকত গাঁৱত ৰাইজিং মাৰ্চিয়েল আৰ্ট একাডেমী নগাঁৱৰ তত্বাৱধানত অসম চৰকাৰৰ স্বীকৃতি প্ৰাপ্ত সমৰ কলাৰ বিভিন্ন বিষয়ৰ এটা শিক্ষণ কেন্দ্ৰ জাগী উচ্চতৰ মাধ্যমিকৰ বিদ্যালয় প্ৰাঙ্গণত শুভাৰম্ভ কৰা হয়। উক্ত কেন্দ্ৰৰ মুকলি অনুষ্ঠানত মুখ্য প্ৰশিক্ষক মিণ্টু গোস্বামীয়ে প্ৰশিক্ষাৰ্থী আৰু অভিভাৱকসকলৰ সৈতে মত বিনিময় কৰি শিক্ষাৰ সমান্তৰালকৈ শাৰীৰিক শিক্ষাৰ জড়িয়তে আত্মৰক্ষাৰ লগতে কেৰিয়াৰ হিছাপেও ইয়াৰ উপযোগিতা আৰু সম্ভাৱনাৰ ওপৰত বিশেষ ভাৱে আলোকপাত কৰে । অনুষ্ঠানত সহযোগী প্ৰশিক্ষক মিছ আফচানা বেগম, যোগ প্ৰশিক্ষক অনন্ত বৰা, জয়ন্ত সাগৰ শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ মৰিগাঁও জিলাৰ সভাপতি জ্যোতিৰ্ময় গোস্বামী আৰু সাংবাদিক হিমু বৰা উপস্থিত থাকে । উল্লেখ্য যে জাগী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সপ্তাহৰ প্ৰতি শনিবাৰ আৰু দেওবাৰে বিয়লি তিনি বজাৰ পৰা প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। প্ৰশিক্ষাৰ্থীসকলক যোগাযোগ কৰিবলৈ পৰিচালনা সমিতিয়ে আহ্বান জনাইছে।



*ইংলেণ্ড আৰু নিউজিলেণ্ডৰ মাজত অনুষ্ঠিত তৃতীয় টেষ্টৰ সময়ত নিউজিলেণ্ডৰ টীম ছাউদী আৰু ট্ৰেণ্ট বল্টৰ মন্ত্ৰণা*

# ক্ৰমাগত দ্বিতীয় মেচত জয়লাভ কেৰালাৰ

### পৰাজয়ৰ পাছত সফল প্ৰত্যাৱৰ্তন পঞ্জাৱৰ

**গুৱাহাটী, ২৪ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত হোৱা গ্ৰুপ 'ই'ৰ মেচত কেৰালাই ৭-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে নগালেণ্ডক। আনহাতে, গ্ৰুপ 'ই'ৰে আন এখন মেচত পঞ্জাৱে ৯-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লাডাখক। উল্লেখ্য যে প্ৰতিযোগিতাত জয়ী হৈ অভিযান আৰম্ভ কৰিছিল গ্ৰুপ 'ই'ৰ দল নগালেণ্ড আৰু কেৰালাই। প্ৰথম মেচত নগালেণ্ডে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে লাডাখক। আনহাতে, পঞ্জাৱক ১-৬ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল কেৰালাই। উল্লেখ্য যে চলিত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ অংশগ্ৰহণকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ পৰা চেম্পিয়ন দলটো যোগ্যতা অৰ্জন কৰিব কোৱাৰ্টাৰ ফাইনেললৈ। অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন সুচাৰুৰূপত অনুষ্ঠিত কৰাত কাৰ্যতঃ ব্যৰ্থ হৈছে অসম ফুটবল সন্থা। আচলতে ৰাষ্ট্ৰীয় স্তৰৰ প্ৰতিযোগিতা কিদৰে আয়োজন কৰিব লাগে সেয়া অসম ফুটবল সন্থাই নাজানে আৰু আন সন্থাৰ পৰা শিকিবও বচৰা নাই।

# জুনিয়ৰ মহিলা ফুটবলত মেঘালয়-দিল্লীৰ জয়

**গুৱাহাটী, ২৪ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাৰ আজি গুৱাহাটীৰ পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা গ্ৰুপ 'চি'ৰ মেচত মেঘালয়ে ৬-৫ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। আনহাতে, এই গ্ৰুপৰে আন এখন মেচত দিল্লীয়ে ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মধ্য প্ৰদেশক। উল্লেখ্য যে ইয়াৰপূৰ্বে বিহাৰে ৫-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল দিল্লীক। আনহাতে, বিহাৰৰ বিৰুদ্ধেই ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত হৈছিল মেঘালয়। ক্ৰমাগত চাৰিখন মেচত পৰাস্ত হৈছে তেলেংগনা। দ্বিতীয় মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। আনহাতে, মধ্য প্ৰদেশে ৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। তদুপৰি প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত আৰু দ্বিতীয় মেচত বিহাৰে ৮-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল তেলেংগনাক। ইফালে, মেঘালয়ৰ বিৰুদ্ধে প্ৰথম মেচত ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত হোৱা মধ্য প্ৰদেশে দ্বিতীয় মেচত সফল হৈ প্ৰথম জয়ৰ সফলতা লাভ কৰে যদিও আজি পুনৰ ব্যৰ্থ হয়।

### ডন বস্ক'ত দুখন ৰাজ্যিক প্ৰতিযোগিতা

# ১ জুলাইৰ পৰা বেডমিণ্টন, ৬ জুলাইৰ পৰা টেবুল টেনিছ

**গুৱাহাটী, ২৪ জুন ঃ** ডন বস্ক', গুৱাহাটীৰ প্ৰাক্তন ছাত্ৰ সমাজে অহা পহিলা জুলাইৰ পৰা ন জুলাইলৈ ডন বস্ক' বিদ্যালয়ত দুখনকৈ ৰাজ্যিক প্ৰতিযোগিতা আয়োজন কৰিব। উল্লেখ্য যে নৱম সদৌ অসম মেজৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা আৰু দ্বাদশ সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতা আয়োজন কৰিব ডন বস্ক', গুৱাহাটীৰ প্ৰাক্তন ছাত্ৰ সমাজে। গুৱাহাটীৰ ডন বস্ক'ত অসম বেডমিণ্টন সন্থাৰ সহযোগত অহা একৰ পৰা পাঁচ জুলাইলৈ অনুষ্ঠিত হ'ব নৱম সদৌ অসম মেজৰ ৰেংকিং বেডমিণ্টন প্ৰতিযোগিতা। আনহাতে, অসম টেবুল টেনিছ সন্থাৰ সহযোগত অহা ছয়ৰ পৰা ন জুলাইলৈ অনুষ্ঠিত হ'ব দ্বাদশ সদৌ অসম মেজৰ ৰেংকিং টেবুল টেনিছ প্ৰতিযোগিতা। গুৱাহাটী ক্ৰীড়া সন্থাৰ অধীনত উক্ত ৰাজ্যিক প্ৰতিযোগিতা দুখন ডন বস্ক', গুৱাহাটীৰ প্ৰাক্তন ছাত্ৰ সমাজে ডন বস্ক' ইনড'ৰ ষ্টেডিয়ামত আয়োজন কৰিব বুলি জনাইছে।




*শ্ৰীলংকা আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত পঞ্চম এদিনীয়াত শ্ৰীলংকাৰ বেটছমেনৰ উইকেট দখল কৰি অষ্ট্ৰেলিয়ান খেলুৱৈৰ উল্লাস*

### ১৭ বছৰ অনুৰ্ধ জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা

# অন্ধ্ৰপ্ৰদেশৰ বিৰুদ্ধে ১৭-০ গ'লত জয়ী মণিপুৰৰ

### উত্তৰাখণ্ডক হৰুৱালে ঝাৰখণ্ডে

**গুৱাহাটী, ২৪ জুন ঃ** চলিত ১৭ বছৰ অনূৰ্ধ্ব জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাত চমকপ্ৰদ অভিযান আৰম্ভ কৰা মনিপুৰ দলে আজি ১৭-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে অন্ধ্ৰপ্ৰদেশক। উল্লেখ্য যে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হোৱাৰ গ্ৰুপ 'এ' ৰ প্ৰথম মেচত মণিপুৰে ১৪-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল উত্তৰাখণ্ডক। মনিপুৰৰ হৈ তিনিগৰাকী খেলুৱৈয়ে হেট্ৰিক অৰ্জন কৰিবলৈ সক্ষম হয়। সঞ্জনা চানুই (৫১, ৫৯, ৬৫, ৭৮ মিনিট) চাৰিটা তথা ববীতা দেৱী (৩, ৩৩, ৩৯ মিনিট) আৰু ভূমিকা দেৱীয়ে (৬৪, ৭৭, ৯০ মিনিট) তিনিটাকৈ গ'ল কৰে। ইফালে, আজি গ্ৰুপ 'এ' ৰ অন্য এখন মেচত ঝাৰখাণ্ডে একমাত্ৰ গ'লত পৰাস্ত কৰে উত্তৰাখণ্ডক। পূৰ্বৰ মেচত ঝাৰখণ্ডে ১১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল অন্ধ্ৰপ্ৰদেশক। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হৈছে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।



# মৰাণ প্ৰেছ ক্লাবৰ এই মাহৰ অতিথি সমাজ সংগঠক, ক্ৰীড়াবিদ, সাহিত্যিক বুৰঞ্জীবিদ অঞ্জলি চেতিয়া



**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ২৪ জুন ঃ** 'অসম চৰকাৰে প্ৰথম অভিধান প্ৰণেতা টেঙাই মহনৰ মৈদাম সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন লগতে টেঙাই মহনৰ জীৱন কৰ্ম আৰু সাংস্কৃতিক অনুষ্ঠান ঐতিহ্যপূৰ্ণ তৰা চিঙা বিহু আদি অসমৰ পৌৰাণিক সম্পদসমূহ সমাজৰ আগত দাঙি ধৰি নৱ প্ৰজন্মক অৱগত কৰিলে প্ৰকৃত অসমৰ কলা-কৃষ্টি, সংস্কৃতিৰ, সাহিত্য, বুৰঞ্জী জীয়াই থাকিব আৰু পশ্চিমীয়া সংস্কৃতিৰে অসমক গ্ৰাস কৰিব নোৱাৰিব'। এই মন্তব্য মৰাণ প্ৰেছ ক্লাবৰ এই মাহৰ অতিথি মাননাং অঞ্জলি চেতিয়া।১৯৯২ চনতে প্ৰতিষ্ঠা হোৱা উজনি অসমৰ অন্যতম সক্ৰিয় সাংবাদিক মঞ্চ মৰাণ প্ৰেছ ক্লাৱৰ 'এই মাহৰ অতিথি' মাননাং অঞ্জলি চেতিয়াক ২২ জুনৰ নিশা বিপুল সম্বৰ্ধনা জনোৱাৰ লগতে বিশিষ্ট সমাজ কৰ্মী,বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠাপক, বুৰঞ্জীৰ শিপা উদ্ভাৱক, ভেৰ্টান ৰাষ্ট্ৰীয় খেলুৱৈ গৰাকীৰ জীৱন কৰ্ম ওপৰত মত-বিনিময়ৰ কৰোতে এই মন্তব্য কৰে। মৰাণ প্ৰেছ ক্লাবৰ সম্পাদক কৰুণা ফুকনে আঁতধৰা অনুষ্ঠানটোত সমাজকৰ্মী গৰাকীয়ে তেওঁৰ সমাজ তথা অসমৰ কাৰণে কৰা ত্যাগক অসম চৰকাৰে স্বীকৃতি প্ৰদান কৰিলে নৱ প্ৰজন্ম উপকৃত হ'ব বুলি কয়। বিশেষকৈ অসম চৰকাৰে প্ৰথম অভিধান প্ৰণেতা টেঙাই মহনৰ মৈদাম সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধন লগতে টেঙাই মহনৰ জীৱন কৰ্ম আৰু সাংস্কৃতিক অনুষ্ঠান ঐতিহ্যপূৰ্ণ তৰা চিঙা বিহুক সমাজৰ আগত দাঙি ধৰিবলৈ আহ্বান জনায়। মৰাণ প্ৰেছ ক্লাৱৰ মুখ্য উপদেষ্টা শোভিত কুমাৰ ছেত্ৰীয়ে অতিথি গৰাকীৰ জীৱন কৰ্মৰ ওপৰত আলোকপাত কৰি আৰম্ভ কৰা মত বিনিময় অনুষ্ঠানত মৰাণ প্ৰেছ ক্লাৱৰ সভাপতি দয়ানন্দ সিং,সম্পাদক কৰুণা ফুকন, পত্ৰিকা সম্পাদক যদুনাথ পুৰী,অসম লেখিকা সন্থাৰ সদস্যা তথা জ্যেষ্ঠা সাংবাদিক অনিমা চেতিয়া, লেঙেৰী কনিষ্ঠ মহাবিদ্যালয়ৰ অধ্যক্ষ নীলকান্ত গগৈ, টাই আহোম যুৱ পৰিষদ, অসমৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মানচাও বিজয় ৰাজকোঁৱৰ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ক্ষীৰোদ শইকীয়া,অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা ৰঞ্জিত চাংমাই, সদৌ অসম ছাত্ৰ সন্থাৰ চৰাইদেউ জিলা সমিতিৰ সম্পাদক অনুপজ্যোতি ভুঞা, মৌহ কোঁহৰ সম্পাদক সুনীল গগৈ, সমাজকৰ্মী অসীম বৰুৱা, মৰাণৰ ভেৰ্টান খেলুৱৈ ৰাস্না ফুকন, দিপালী চেতিয়া ফুকন আদিকৈ প্ৰমুখ্য কৰি বিভিন্ন জন ব্যক্তিয়ে অতিথি অঞ্জলি চেতিয়াক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে মত বিনিময় কৰে। ভেৰ্টান খেলুৱৈ গৰাকীয়ে দেশক প্ৰতিনিধিত্ব কৰি দেশৰ লগতে চীন থাইলেণ্ড, জাপান উত্তৰমেৰু, মালায়াছিয়া আদি দেশত অনুষ্ঠিত ভেৰ্টান গ্ৰেমছত অংশ গ্ৰহণ কৰি পদক আজুৰি আনিবলৈ সক্ষম হয়। আজীৱন সাহিত্য সভাৰ সদস্যা গৰাকীয়ে, অইল ইণ্ডিয়াৰ লিমিটেডত চাকৰি পৰা অৱসৰ লোৱাৰ পাছতো খেলৰ লগতে সমাজসেৱা ক্ষেত্ৰত নিজকে আত্মনিয়োগ কৰে। অঞ্জলি চেতিয়াই মৰাণত অঞ্জলি ডেন্স একাডেমী প্ৰতিষ্ঠা কৰি নৱ প্ৰজন্মক সংস্কৃতিৰ শিক্ষা প্ৰদান কৰে। মাননাং চেতিয়াই মৰাণৰ খোৱাঙত স্ত্ৰীৰ খেলৰ শিক্ষানুষ্ঠান 'চিৰঞ্জীতা' নামৰ ক্ৰীড়া অনুষ্ঠান প্ৰতিষ্ঠা কৰে। এই ক্ৰীড়া শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণ কৰি অসমৰ লগতে ভাৰতক প্ৰতিনিধিত্ব কৰিছে ফুটবল আৰু ক্ৰিকেট খেলত। ইয়াৰ উপৰিও তেওঁৰ অসমৰ প্ৰথম অভিধান প্ৰণেতা টেঙাই মহনৰ মৈদাম বৰথাৰ দেওঁধাই গাঁৱত উদ্ধাৰ কৰাৰ লগতে তেওঁৰ ৰচিত অভিধান আৰু বিভিন্ন বুৰঞ্জীমূলক গ্ৰন্থ সমূহৰ সমাজৰ আগত দাঙি ধৰিবলৈ সক্ষম হয়। মৰাণ প্ৰেছ ক্লাৱৰ এই মাহৰ অতিথি গৰাকীক মৰাণ প্ৰেছ ক্লাৱৰ লগতে যোৱা নিশা মৰাণ উষাপুৰস্থিত মহান ব্যক্তিৰ গৰাকীৰ বাসগৃহত সদৌ অসম ছাত্ৰ সন্থাৰ মৰাণ আঞ্চলিক সমিতি, টাই আহোম যুৱ পৰিষদ, অসম ডিব্ৰুগড় জিলা আৰু মৰাণ মহকুমা সমিতি, সদৌ অসম তাই আহোম ছাত্ৰ সন্থাৰ ডিব্ৰুগড় জিলা সমিতি, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ অসম চুতীয়া ছাত্ৰ সন্থা মৰাণ আঞ্চলিক সমিতি, চুতীয়া জাতি যুৱ সন্মিলন চৰাইদেউ জিলা সমিতি, মৰাণৰ সাংস্কৃতিক অনুষ্ঠান সুৰপিয়াসি, সদৌ অসম লেখিকা সন্থা, অসম সাহিত্য সভাকে,মৰাণ ৰমেন এন্টাৰপ্ৰাইজ, মাহমৰা যুৱ কংগ্ৰেজ ধৰি বিভিন্ন দল-সংগঠনে সম্বৰ্ধনা জ্ঞাপন কৰে। তিনি ঘন্টাৰোধিক সময় মত বিনিময়ৰ কৰা অনুষ্ঠানৰ শেষত অনুষ্ঠানত অংশ গ্ৰহণ কৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান প্ৰতিষ্ঠান, দল-সংগঠনৰ নেতাসকলকৰ লগতে শতাধিক লোকক শলাগৰ শৰাই আগবঢ়াই সম্পাদক কৰুণা ফুকনে।

# চিৰাখাতি নৈৰ সোঁতে উটুৱাই নিলে নিউ সোণোৱাল-গাহৰিচোৱা সংযোগী পথৰ অংশ, যাতায়াত ব্যাহত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নী, ২৪ জুন ঃ** নিশা নগা পাহাৰত হোৱা প্ৰবল বৰষুণৰ ফলত নগা পাহাৰৰ পৰা নামি অহা চিৰাখাতি নৈৰ বাঢ়নি পানীয়ে মৰিয়নিৰ অসম-নাগালেণ্ডৰ সীমান্তৱৰ্তী নিউ সোনোৱাল গাহৰিচোৱা সংযোগী গড়কাপ্তানী পথৰ ওপৰত থকা এটি পকী দলঙৰ এটা অংশ খহাই নিয়ে। ফলত অঞ্চলটোৰ যোগাযোগ এক প্ৰকাৰ বিচ্ছিন্ন হৈছে। উজনি বন গাঁৱৰ সমীপৰ গড়কাপ্তানী পথটোৰ ওপৰত থকা চিৰাখাটি নৈৰ পকী দলঙৰ এটা অংশ আজি নিশা উটুৱাই নিয়াত সীমান্তৰ্বতী নিউ সোণোৱাল-গাহৰিচোৱা সংযোগী পথৰ যোগাযোগ সম্পূৰ্ণ বিচ্ছিন্ন হৈ পৰিছে। মৰিয়নি-মোককচাং পথক সংযোগ কৰা গড়কাপ্তানী পথটোৰে যাতায়াত বন্ধ হৈ পৰাত সীমান্তৱৰ্ত্তী কেইবাখনো গাঁও আৰু বাগিচাৰ ৰাইজে যাতায়াত কৰাত সমস্যাৰ সন্মুখীন হ'ব লগা হৈছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে সকলোৰ বাবে এতিয়া যোগাযোগ বিছিন্ন হোৱাৰ বাবে বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হ'বলগীয়া পৰিস্থিতিৰ উদ্ভৱ হৈছে। ইফালে নিউ সোনোৱাল, খেৰেমীয়া আৰু গাহৰিচোৱাৰ অসম আৰক্ষীৰ সীমান্ত নিৰীক্ষণ শিবিৰৰ লগতো যোগাযোগো ব্যাহত হৈ পৰিছে। উল্লেখ্য যে দিচৈ ভেলি সংৰক্ষিত বনাঞ্চলৰ কাষৰ গ্ৰাম্য অঞ্চলৰ উন্নয়ন আৰু নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈৰ প্ৰচেষ্টাত নিৰ্মান কৰা নিউ সোনোৱাল - গাহৰিচোৱা গড়কাপ্তানী পথটো সীমান্তৱৰ্তী অঞ্চলটো যোগাযোগৰ একমাত্ৰ গুৰুত্ব পূৰ্ণ পথ। যোৱা কালি এই পকী দলং খনৰ এটা ভাগ পানীৰ কোবাল সোঁতে খহাই নিয়াৰ বাবে সীমান্তৱৰ্তী ৰাইজৰ যথেষ্ট অসুবিধা হোৱা পৰিলক্ষিত হৈছে।



# কবি-নাট্যকাৰ-সাংবাদিক অমৰ শৰ্মালৈ ঐক্য মঞ্চৰ 'নাট্য-কাব্য সৌৰভ' বঁটা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বোকাখাত, ২৪ জুন ঃ** আঁশীৰ দশকত আৰম্ভ কৰা কাব্য চৰ্চা সাম্প্ৰতিক সময়তো অটুট ৰখা বোকাখতীয়া শিপাৰ কবি-নাট্যকাৰ-সাংবাদিক অমৰ শৰ্মালৈ জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ, অসমে ২০ জুনত বোকাখাত নাট্যমন্দিৰত প্ৰদান কৰে 'নাট্য-কাব্য সৌৰভ' বঁটা ২০২১-২২। কবি-নাট্যকাৰ অমৰ শৰ্মাৰ নিৰলস কাব্য আৰু নাট্য সাধনা আৰু সাম্প্ৰতিক অসমীয়া এমেচাৰ নাট জগতলৈ শৰ্মাই আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে যোৱা ২০ জুনত বোকাখাত নাট্যমন্দিৰত বোকাখাত নাট্যমন্দিৰ আৰু জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ অসমৰ বোকাখাত মহকুমা সমিতিৰ যৌথ উদ্যোগত বিষ্ণু ৰাভা দিৱস উপলক্ষ্যে অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত শৰ্মালৈ প্ৰদান কৰা হয় এই বঁটা। উল্লেখ্য যে ঐক্য মঞ্চ, অসমৰ কামৰূপ মহানগৰ জিলাৰ (গুৱাহাটী)ৰ জনগোষ্ঠীয় সাংস্কৃতিক ঐক্য মঞ্চ অসম উদ্যোগত অনুষ্ঠিত হোৱা যোৱা ৭ মেৰ পৰা ১৫ মে লৈ ক্ষেত্ৰীত অনুষ্ঠিত সপ্তাহযোৰা জনগোষ্ঠীয় বিহু সমাৰোহত বঁটা ঘোষণা হৈছিল। সৰল প্ৰকাশভংগী, শক্তিশালী প্ৰতীক, গভীৰ মননশীলতা আৰু উজ্জ্বল চিত্ৰকল্পৰ প্ৰয়োগেৰে সাম্প্ৰতিক সময়ত ন কাব্যধাৰাৰ প্ৰচলন ঘটোৱা কবি অমৰ শৰ্মা সাম্প্ৰতিক সময়ৰ অসমৰ এমেচাৰ নাট জগতৰো এটি পৰিচিত নাম। 'মায়ংজকা', 'একুৱাৰিয়াম', 'অন্তেষপুৰৰ সাধু', 'ডেম পেহাৰ দূৰবীণ' আদি পূৰ্ণাংগ, 'দ্যা ট্ৰেপিজিয়ম', 'বনচাই', 'দ্যা আল্টিমেট ব্যুমেৰাং', 'পেণ্ডুলাম', 'দ্যা কেজ', 'দ্যা ফ্লায়িং চুইং', 'পাপেট', 'অজগৰ', 'ৰূপান্তৰৰ সেউজীয়া বাট' আদি একাংকিকা, 'চিলনীৰ জীয়েকৰ সাধু', 'দাপোন', 'জোনাকী চোতাল', 'তেজীমলা' আদি শিশু নাটককে ধৰি শৰ্মাই কুৰিৰো অধিক নাট ৰচনা কৰাৰ লগতে অৰ্দ্ধ শতাধিক বাটৰ নাট ৰচনা কৰিছে শৰ্মাই। শৰ্মাৰ নাট্যচৰ্চাৰ খ্যাতি বোকাখাতৰ বাবে গৌৰৱৰ বিষয় বুলিও প্ৰাসংগিকভাৱে উল্লেখ কৰিছে বিশিষ্ট কবি-নাট্যকাৰ-পৰিচালক ৰফিকুল হোছেইনে। প্ৰয়াত জীৱন শৰ্মা আৰু প্ৰয়াত মাধৱীলতা দেৱীৰ চতুৰ্থ তথা কনিষ্ঠ সন্তান বোকাখাতৰ লখৌজান নিবাসী অমৰ শৰ্মাই শৈশৱৰ পৰাই অভিনয়ৰ সৈতে জড়িত। শতাধিক মঞ্চ আৰু বাটৰ নাটত সফল অভিনয় প্ৰদৰ্শনেৰে শৰ্মা এগৰাকী সুদক্ষ নাট্যকৰ্মী। উল্লেখ্য যে সাম্প্ৰতিক সময়ত শৰ্মাৰ পূৰ্ণাংগ আৰু একাংকিকা নাটসমূহ নাটক অসমৰ বিভিন্ন মঞ্চত প্ৰদৰ্শিত হোৱাৰ ওপৰিও শৰ্মাৰ লিখিত একাংকিকা নাটে বিগত কেইবা দশক ধৰি অসমৰ বিভিন্ন মঞ্চত অনুষ্ঠিত একাংকিকা নাট প্ৰতিযোগিতা বিভিন্ন শিতানত শ্ৰেষ্ঠত্বৰ পুৰস্কাৰেৰে পুৰস্কৃত হৈ নাট্যনগৰী বোকাখাতলৈ গৌৰৱ কঢ়িয়াই আনিছে। নাট্যকৰ্মী হিচাপে শৰ্মাই ২০১৫ ৰ গণৰাজ্য দিৱসত বোকাখাত মহকুমা প্ৰশাসনৰ পৰা সম্বৰ্দ্ধিত হোৱাৰ লগতে আৰু ২০২১ত অসম সাংস্কৃতিক সঞ্চালকালয়ৰ পৰাও শিল্পী সম্বৰ্দ্ধনা লাভ কৰিছে। অসমৰ নাট্যক্ষেত্ৰখনলৈ আগবঢ়োৱা বৰঙনিৰ বাবে বোকাখাতৰ বহু সংখ্যক ব্যক্তি, দল-সংগঠনে সময়ে সময়ে সম্বৰ্দ্ধনা জনাই আহিছে শৰ্মাক। উল্লেখ্য যে নাট্যকাৰ অমৰ শৰ্মা সাম্প্ৰতিক সময়ৰ এগৰাকী সুকবি। পেচাত এগৰাকী সফল ব্যৱসায়ী আৰু 'নিয়মীয়া বাৰ্তা' কাকতৰ বোকাখাতৰ বিশেষ প্ৰতিবেদক। কবি অমৰ শৰ্মাৰ প্ৰথমখন কাব্য সংকলন 'সোণাৰু দুপৰ'। বিগত কেইবা দশক জুৰি কাব্য চৰ্চা কৰি আহিছে শৰ্মাই। আঁশীৰ দশকত গুৱাহাটীৰ 'ত্ৰিবেণী সংঘ'ৰ উদ্যোগত সদৌ অসম ভিত্তিত অনুষ্ঠিত কবিতা প্ৰতিযোগিতাত শৰ্মাই প্ৰথম পুৰস্কাৰ লাভ কৰি প্ৰতিশ্ৰুতিসম্পন্ন যুৱ কবি হিচাপে অসমীয়া কাব্য জগতত প্ৰতিষ্ঠিত হৈছিল। কবি শৰ্মা সদৌ অসম কবি সন্মিলনৰ অন্তৰ্ভুক্ত ক্ৰমে বোকাখাত মহকুমা কবি সন্মিলনৰ প্ৰতিষ্ঠাপক আৰু বৰ্তমানৰ সভাপতি আৰু গোলাঘাট জিলা কবি সন্মিলনৰ প্ৰাক্তন উপ-সভাপতি আৰু বৰ্তমানৰ উপদেষ্টা। লগতে অসম সাহিত্য সভা আৰু সদৌ অসম কবি সন্মিলনৰ আজীৱন সদস্য। 'সোণাৰু দুপৰ' কাব্য সংকলনত সন্নিৱিষ্ট 'দেওপাহাৰ', 'বিশ্বায়ন', 'নৈৰ দৰে', 'তোমাৰ বাবেই', 'বাঁহী', 'সহজাত' আদি কবি শৰ্মাৰ সাম্প্ৰতিক অসমীয়া কাব্যিক সমাজত বিশেষভাৱে সমাদৃত কবিতা।

## বিশ্বনাথত জঘন্য কাণ্ড

# ১৪ বছৰীয়া কিশোৰীক ধৰ্ষণ, ৰঙা ঘৰৰ আলহী হ'ল ৫০ উৰ্ধৰ ব্যক্তি

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, বিশ্বনাথ চাৰিআলি, ২৪ জুন ঃ** বিশ্বনাথৰ ছোৱাগুৱীত সংঘটিত হৈছে এক জঘন্য কাণ্ড। ৫০ বছৰীয়া ব্যক্তিৰ কামনাৰ বলি হ'ল এগৰাকী ১৪ বছৰীয়া কিশোৰী। প্ৰায় চাৰি মাহ পূৰ্বে কিশোৰীগৰাকীক ধৰ্ষণ কৰাৰ পিছত আজি পোহৰলৈ আহে সমগ্ৰ ঘটনা। আজি পৰিয়ালৰ এজেহাৰৰ ভিত্তিত অভিযুক্ত লম্পট খুৰছিদ আলিৰ বিৰুদ্ধে ভাৰতীয় দণ্ড বিধি আইনৰ ৩৭৬ ধাৰাৰ ৪ নং পোকচো এক্টৰ



অধীনত গোচৰ ৰুজু কৰি বিশ্বনাথ আৰক্ষীয়ে অভিযুক্তক গ্ৰেপ্তাৰ কৰে। জানিব পৰা মতে বিশ্বনাথ সদৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াহাজোৰাবীৰ নেতৃত্বত যোৱা আৰক্ষীৰ দলে পলায়ন কৰিব বিচৰা অভিযুক্ত খুৰছিদক খেদি খেদি মৰাপাট খেতিৰ মাজৰ পৰা আটক কৰে।




*অগ্নিপথ আঁচনি, ৰাহুল গান্ধীক ইডিৰ দ্বাৰা জেৰা ইত্যাদি কাৰ্যৰ বিৰোধিতাৰে ঢকুৱাখানা ব্লক কংগ্ৰেছ কমিটিৰ সদস্যৰ প্ৰতিবাদী কাৰ্যসূচী, ঢকুৱাখানাত শুকুৰবাৰে*

# চলচলিত পুত্ৰৰ হাতত পিতৃৰ মৃত্যু, হত্যাকাৰীক ৰঙাঘৰলৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২৪ জুন ঃ** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ চলচলি মুচলিম গাঁৱত কালি বিয়লি পুত্ৰৰ হাতত পিতৃৰ মৃত্যু হয়। জানিব পৰা মতে পুত্ৰ ৰিয়াজ উদ্দিনৰ লগত পিতৃৰ কিবা কথাক লৈ তৰ্ক-বিতৰ্ক হয়। এই বিষয়টোত পুত্ৰ খৰ্গহস্ত হৈ এডাল বাটামেৰে মূৰত আঘাত কৰে। লগে লগে গুৰুতৰভাৱে আহত পিতৃক ১০৮ ৰে চিকিৎসালয়লৈ নিয়া হয় যদিও বাটতে তেওঁৰ মৃত্যু হয়। জানিব পৰা মতে পিতৃ কৰিম উদ্দিন(৮০)ক প্ৰহাৰ কৰি হত্যা কৰা পুত্ৰ ৰিয়াজ উদ্দিন পূৰ্বতে এজন মানসিক ৰোগী আছিল যদিও বৰ্তমান সুস্থ বুলি আৰক্ষী সুত্ৰত প্ৰকাশ। আৰক্ষীয়ে লোমহৰ্ষক হত্যাকাণ্ডত ব্যৱহাৰ হোৱা কাঠৰ বাটাম সহ পিতৃহন্তা পুত্ৰ ৰিয়াজ উদ্দিনক আজি ৰঙাঘৰলৈ প্ৰেৰণ কৰিছে।

**কামপুৰৰ বানত অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ—** নগাঁৱৰ কামপুৰ মনোহৰ গাঁৱত আজি বানত উটি অহা এজন লোকৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰাপ্ত বাতৰি মতে, আজি দুপৰীয়া গাঁওখনৰ একাংশ লোকে বানত উটি অহা এটা মৃতদেহ প্ৰত্যক্ষ কৰে আৰু লগে লগে আৰক্ষীক খবৰ দিয়ে। পাছত মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। প্ৰায় চল্লিশ বছৰ বয়সৰ মৃতদেহটো এই বাতৰি যুগুতোৱা পৰলৈকে চিনাক্ত কৰিব পৰা নাই।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি